ফেব্ৰুৱাৰী 2012 ■ ₹ 20/-

চান্দমামা

Mumbai Edition

www.chandamama.com/parle/

উদীয়মান তাৰকা



যদি আপুনি আপোনাৰ পৰিয়াল বা ওচৰ-পাজৰৰ কোনো শিশুক উদীয়মান তাৰকা হিচাপে পোহৰলৈ আনিব বিচাৰে, তেন্তে শিশুজনৰ বিৱৰণ আৰু আপোনাৰ যোগাযোগৰ বিৱৰণ আমালৈ লিখি নিম্নোক্ত ঠিকনাত প্ৰেৰণ কৰক:

Young Achievers-RCM,
Chandamama India Ltd,
No:2 Ground Floor, Swathi Enclave, Amman koil street,
Vadapalani, Chennai-26
(or)
online@chandamama.com

পকেট ডাইনামো

ধনশ্ৰী সঞ্জয় ঠাকুৰ হ'ল কল্যাণ, মহাৰাষ্ট্ৰৰ এজনী ১২ বছৰীয়া ছোৱালী।

তাই নিজৰ বিদ্যালয় নিউ বাণী বিদ্যালয়ত ১০ বছৰ বয়সৰ পৰা বক্সিং খেলিবলৈ আৰম্ভ কৰে। তাত তাইক বক্সিং শিকাই সাগৰ পেডনেকাৰ আৰু মিলন বৈদ্যই। তাৰপিছত তেওঁ থানেৰ এচিভাৰ বক্সিং ক্লাবৰ হৈ খেলিবলৈ আৰম্ভ কৰে আৰু যোৱাবছৰ 'কেব শাখা'ত সোণৰ পদক লাভ কৰে। তাৰোপৰি তেওঁ মহাৰাষ্ট্ৰৰ ৰাজ্যিক বক্সিং চেম্পিয়নশ্বিপত সৰ্বোত্তম বক্সাৰৰ খিতাপ লাভ কৰে। বক্সিং খেলাত ধনশ্ৰীৰ পিতৃ-মাতৃৰ অৱদান অনবদ্য।

বাওঁহতীয়া হোৱা বাবে ধনশ্ৰীয়ে ৰিঙত প্ৰতিপক্ষক অতি সহজেই ধাৰাসায়ী কৰে। অলপতে তামিলনাডুত অনুষ্ঠিত ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত তেনে এটা ঘটনা ঘটিল। এখন খেলত ধনশ্ৰীয়ে তেওঁৰ প্ৰতিপক্ষক কেৱল ৩০ ছেকেণ্ডতে 'নক আউট' কৰি পেলাইছিল। সেই প্ৰতিযোগিতাত তেওঁ অতি সুন্দৰ খেল প্ৰদৰ্শন কৰি ছাব-জুনিয়ৰ শাখাত ব্ৰঞ্জৰ পদক লাভ কৰে।

এজনী ১২ বছৰীয়া ছোৱালীৰ বাবে বক্সিং খেল শিকা বৰ সহজ নহয়, কিন্তু ধনশ্ৰী এই দিশত অতি আগৰণুৱা আৰু তেওঁ খেলৰ লগতে অধ্যয়নো ভালদৰেই বজাই ৰাখিবলৈ সক্ষম হৈছে। তেওঁৰ প্ৰিয় খেলুৱৈ হ'ল ৫ বাৰৰ বিশ্ব চেম্পিয়ন এম চি মেৰি কম আৰু মেৰি কমৰ দৰেই ধনশ্ৰীয়ে আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ত সুনাম লাভ কৰিব বিচাৰে। 'বি-পজিটিভ' তেজৰ গ্ৰুপেৰে ধনশ্ৰীয়ে সকলো সময়তে 'পজিটিভ' হৈ থাকিবলৈ ভাল পায়।

এই সংখ্যাত আছে

চান্দমামা

Volume-3 February 2012 Issue-02

* পাঠকৰ পত্ৰ ...০৬
* মোৰ স্মৃতি ...০৯
* অনন্তৰ ভাল লক্ষ্য ...১১
* অদৃশ্য উপহাৰ ...১৭
* প্ৰকৃত সুখ ...২০
* মিত্ৰ ভেদ - ২৭ ...২৪
* বুদ্ধিয়ে কাম দিলে ...২৭
* এলেহুৱা ...৩০
* ভক্তিৰে সেৱা ...৩২
* সঁচা কথা ...৩৫
* বুদ্ধিমত্তা ...৩৯
* ৰজাৰ গৰ্ব ভংগ ...৪২
* চোৰৰ ঠিকনা ...৪৬
* দোষ নাপিতৰেই ...৫০
* জুৱাৰী কোন? ...৫৩
* সাৱধানতা? ...৫৪
* শিথিলালয় - ২৩ ...৫৫
* অহ কাছ! তুমি আকৌ জিকিলা ...৬৩
* সপোন সঁচা হ'ল ...৬৪
* যেনে কুকুৰ তেনে টাঙোন ...৬৬
* যুদ্ধৰ কৌশল ...৬৭
* হৰি-হৰ ...৭০
* চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৭ ...৭২
* কৌতুক ...৭৩
* ৰাজকীয় খাদ্য ...৭৪
* কথাৰ মালিহা ...৭৬
* ভাৰত দৰ্শন ...৭৮
* মই কি হ'ব পাৰো? ...৭৯
* বীৰবল ...৮০
* গুপ্তধনৰ বাকচ ...৮২

© The stories, articles and designs contained in this issue are the exclusive property of the Publishers. Copying or adapting them in any manner/ medium will be dealt with according to law.

February 2012 ₹20/-
Founded by B. Nagi Reddi and Chakrapani

Editor & Publisher :
Prashant Sharad Mulekar

Associate Editors :
R. Vaasugi, K. Raja Sekhara Raju

Sub Editor :
Patricia Pandian

General Manager :
Sowmya Bharadwaj

Senior Artists:
K.C. Sivasankaran (Sankar), Gandhi Ayya, P. Mahesh, Sandeep Solkar

Artist :
Venki

Layout Designers :
B. Thirumal, K. Narendra, N. Sivakumar

Production In-charge :
Prashant Pawar

Circulation:
circulation@chandamama.com

Asst. Manager - Sales & Circulation:
Subhankar Rej

Sales Officer - Circulation :
K. Ravishankar

Advertisement :
sales@chandamama.com

Subscription :
Subscription@chandamama.com
Ramya K (Chennai)
Ph: +91 44 4399 2828

Head Office :
CHANDAMAMA INDIA LTD.,
P.O.Box No:19407, Mumbai-400093
Phone +91 22 28312872 / 28311849
Email:chandamama@chandamama.com
Website : www.chandamama.com

Published, Printed and Owned by CHANDAMAMA INDIA LTD., Published and Printed on their behalf by Prashant Sharad Muleker Published at B-3, Cross Road 'B', MIDC, Andheri (East) Mumbai - 400093. Printed At :- Kala Jyothi Process Pvt. Ltd, S.No.185, Kondapur, R.R.District-500133, Andhra Pradesh. Editor :- Prashant Sharad Mulekar

মৰমৰ বন্ধুসকল,

চকুৰ পলকতে আমি ২০১২ চনত প্ৰৱেশ কৰাই নহয়, ইতিমধ্যেই তাৰ দ্বিতীয় মাহটোত প্ৰৱেশ কৰিলো। নৱবৰ্ষত প্ৰৱেশ কৰাৰ আনন্দত আমি কিছুমান কৰিবলগীয়া কামৰ তালিকাও প্ৰস্তুত কৰি পেলালো। এতিয়া আমি সেইবিলাকক এটা এটাকৈ বাস্তৱত ৰূপায়ণ কৰাৰ সময়।

চান্দমামাত ক্ষেত্ৰতো আমি এটা সুন্দৰ আৰু আনন্দময় বছৰৰ পৰিকল্পনা কৰিছো। গৰমৰ বন্ধত আৰম্ভ কৰি আমি আমাৰ পাঠকসকলক কিছু বিশেষ উপহাৰ আগবঢ়াম বুলি ভাবিছো। চান্দমামাৰ দলে কিছুমান নতুন ধৰণৰ চিন্তা কৰি উলিয়াইছে আৰু সেইবিলাক আমি বছৰৰ নানা সময়ত ৰূপায়িত কৰিম বুলি চিন্তা কৰিছো।

এই মাহত আমি ডাৰউইন আৰু ছত্ৰপতি শিৱাজী মহাৰাজৰ জন্ম বাৰ্ষিকী পালন কৰো। নিজৰ গৱেষণা আৰু বিশ্লেষণপূৰ্ণ মনৰ সহায়েৰে ডাৰউইনে মানুহৰ বিৱৰ্তনৰ সম্বন্ধে নতুন সূত্ৰৰ আৰম্ভ কৰে। এই সূত্ৰই পৃথিৱীত জীৱৰ উৎপত্তি আৰু তাৰ বিৱৰ্তনৰ সম্বন্ধে থকা ধাৰণাক সম্পূৰ্ণৰূপে সলনি কৰি দিয়ে। আনহাতে, বুদ্ধিয়ক মন আৰু অসীম সাহসৰ অধিকাৰী ছত্ৰপতি শিৱাজীয়ে শোষণৰ অহৰহ বিৰোধিতা কৰি গ'ল আৰু জনগণৰ মাজত এজন উৎকৃষ্ট শাসক ৰূপে জনাজাত হ'ল।

এইমাহৰ সংখ্যাত থকা নানা ধৰণৰ কাহিনীলৈ তোমালোক আগুৱাই যোৱা আৰু আশাকৰো তোমালোকে সেইবিলাক ভাল পাবা।

–সম্পাদক

মোৰ দেউতাই চান্দমামা (উড়ীয়া) ১৯৭০ চনৰে পৰা পঢ়ি আছে। ময়ো চান্দমামা যোৱা পাঁচ বছৰ ধৰি পঢ়ি আছো। মই ইয়াৰ কাহিনীবিলাক বৰ ভাল পাও।

- *debabratatarai8@ovi.com*

মৰমৰ মহাশয়, মই এই কথা আপোনাক জনাব বিচাৰো যে চান্দমামাৰ ইংৰাজী আৰু বাংলা দুয়োটা সংস্কৰণতে খেলা-ধূলা, কাৰ্টুন, কুইজ, ভাৰতীয় বুৰঞ্জী, শিশু চলচিত্ৰ আদিৰ দৰে নতুন শিতান আৰম্ভ কৰক। মই আশাকৰো আপোনালোকে অনতিপলমে এই কথা চিন্তা কৰিব।

–অৰ্ণৱ ভট্টাচাৰ্য (১৩ বছৰ)

মই 'ৰামু আৰু মনুৰ উপস্থিত বুদ্ধি' কাহিনীটো পঢ়ি বৰ ভাল পালো। সেই কাহিনীটো আনবিলাকতকৈ বেছি ধুনীয়া। বেতালৰ কাহিনীত দিয়া সম্পূৰ্ণ পৃষ্ঠাৰ ছবিখন বৰ সুন্দৰ। সম্ভৱ চান্দমামাৰ বুৰঞ্জীত প্ৰথমবাৰৰ বাবে বেতালৰ কাহিনী সম্পূৰ্ণ পৃষ্ঠাৰ ছবিৰে সৈতে প্ৰকাশিত হৈছে।

–কুশল চন্দ্ৰ চাহু, চাম্পা, ছত্তিছগড়

মই সকলোতকৈ ভাল পোৱা কাহিনীটো হ'ল 'কৃষকেই ৰজা'। এই কাহিনীয়ে কৃষকে সন্মুখীন হোৱা সমস্যাৰ সমাধান হোৱাৰ কথা সুন্দৰকৈ বৰ্ণনা কৰিছে। এই কাহিনী প্ৰকাশিত হোৱা বাবে চান্দমামা আৰু কাহিনীৰ লেখক দুয়ো পক্ষই প্ৰশংসা লাভৰ যোগ্য।

–এ শিৰিখ, ইলুৰু

'সক্ষমতা' কাহিনীৰ সমাপ্তি কাহিনীটোৰ লগত সুন্দৰভাৱে খাপ খাই পৰিছে। 'বেজীয়ে সৌভাগ্য কঢ়িয়াই আনিলে' কাহিনীটোৱেও এক সুন্দৰ বাৰ্তা বহন কৰিছে। এই কাহিনীবিলাকৰ মই বৰ প্ৰশংসা কৰো।

–কটেছু, কৰিমনগৰ

'কোমল মাটি' কাহিনীটো বৰ ভাল লগা হৈছে। 'বিশ্বাসহীনতা' কাহিনীয়ে শব্দৰ শক্তিৰ কথা প্ৰমাণ কৰে। আন এটা কাহিনী 'প্ৰতিযোগিতা'ই এই কথা দাঙি ধৰিছে যে লোভে কেনেকৈ বস্তুৰ মানত প্ৰভাৱ পেলায়। এই কাহিনীকেইটা পুৰণা চান্দমামাৰ কাহিনীৰ দৰে। মই ভাৱো চান্দমামাৰ পাঠকসকলে এনে ধৰণৰ কাহিনীয়েই আশা কৰে।

–এ শ্ৰীনিৱাস, চিত্তোৰ

চান্দমামাৰ কাহিনীবিলাক পঢ়িবলৈ বৰ সুন্দৰ। ইয়াৰ চিত্ৰবিলাকো চকুতলগা। মই ভা.পা.ৰ ৰেখাংকন ইমানেই ভাল পাও যে সেইবিলাকৰ অবিহনে চান্দমামাক কল্পনাই কৰিব নোৱাৰো। অনুগ্ৰহ কৰি বেটুপাতত কেৱল ভা.পা.ৰ চিত্ৰহে মুদ্ৰণ কৰক।

–মাধৱ, পাটা পত্নম, শ্ৰীকাকুলাম

সুন্দৰ সুন্দৰ চিত্ৰৰ সৈতে মনোমোহা কাহিনী কঢ়িয়াই অনাৰ বাবে মই চান্দমামাৰ সমগ্ৰ পৰিয়াললৈ ধন্যবাদ জ্ঞাপন কৰিছো। চান্দমামাই বৰ্তমান সময়তো ই আৰম্ভ কৰা পৰম্পৰা অটুত ৰাখিবলৈ সক্ষম হৈছে। পুৰণি কাহিনীৰ লগতে নতুন ধৰণৰ কাহিনী চান্দমামাই প্ৰকাশ কৰিবলৈ লোৱাত মই সুখী হৈছো। পুৰণি কাহিনী প্ৰকাশ কৰি আপোনালোকে মোৰ কাহিনী লিখাৰ প্ৰতি থকা ইচ্ছাক পুণৰ জগাই তুলিলে।

–এন পদ্মলতা জয়ৰাম, হাদৰাবাদ

মই মহাৰাষ্ট্ৰৰ ৰাজ্যিক বিদ্যুত পৰিষদত কাম কৰো। মই আৰু মোৰ সন্তানে নিয়মীয়া ভাৱে চান্দমামাৰ জুতি লও। তেওঁলোকে স্কুলৰ গ্ৰন্থালয়ত চান্দমামাৰ হিন্দী আৰু ইংৰাজী সংস্কৰণ নিয়মীয়াভাৱে পঢ়ে। বহুকেইটা ভাৰতীয় ভাষাত দীৰ্ঘদিন ধৰি প্ৰকাশিত হৈ থকা চান্দমামাৰ দৰে এখন আলোচনীৰ পাঠক হোৱাৰ বাবে মই গৌৰৱ অনুভৱ কৰো।

–এম লক্ষ্মী নাৰায়ণ, চন্দ্ৰাপুৰ, মহাৰাষ্ট্ৰ

চান্দমামাত হোৱা পৰিৱৰ্তনবিলাক ভালদৰেই দৃশ্যমান হৈছে। পুৰণি চান্দমামাৰ পৰা পুণৰ মুদ্ৰিত বেটুপাত, কাহিনীৰ সংখ্যা বৃদ্ধি, প্ৰতিটো সংখ্যাৰ অতি কমেও দুঠাইত সম্পূৰ্ণ পৃষ্ঠাৰ চিত্ৰ, বাছকবনীয়া পুৰণি কাহিনীৰ আগৰ ৰূপতে পুণৰ মুদ্ৰণ, এই সকলোবোৰেই মোৰ দৰে পাঠকক সুখী কৰি তুলিছে। মই আশাকৰো যে চান্দমামাই এইদৰেই নতুনৰ মাজতো পুৰণি পৰম্পৰাক জীয়াই ৰাখিব।

–জে নাৰায়ণ মূৰ্তি, হাইদৰাবাদ

বেতাল কাহিনী 'অমৃতা বৰ্ষিনীৰ সিদ্ধান্ত' বৰ ভাল লাগিল। শংকৰ গুৰুৰ ৰেখাংকনৰ কথা নশলাগি নোৱাৰি, বিশেষকৈ এটা ঈগল থকা সম্পূৰ্ণ পৃষ্ঠাৰ ৰেখাংকনে চান্দমামাৰ পুৰণি ইতিহাসক পুণৰ জীৱিত কৰি তুলিছে। বেয়া মানদণ্ডৰ মুদ্ৰণ কাকতৰ বাহিৰে আন একোৱেই অভিযোগ নাই।

–চন্দ্ৰমোহন, গুন্টুৰ

মই যোৱা ৫৫ বছৰ ধৰি চান্দমামাৰ নিয়মীয়া পাঠক। মই এই কথা বুজিব পৰা নাই যে আপোনালোকে 'শত্ৰুতা'ৰ দৰে কাহিনী কিয় প্ৰকাশিত কৰিছে। 'মিছা' নামৰ কাহিনীটোত লটাৰী টিকটৰ অন্তৰ্ভূক্তিয়ে চান্দমামাৰ মান তললৈ লৈ অহা বুলি মই ভাৱো। কিছুমান চিত্ৰ একেবাৰে নিম্ন মানৰ হৈছে। 'প্ৰতিজ্ঞা' কাহিনীটোত থকা বাইচাইকেলৰ ছবিখন দেখি মোৰ সন্দেহ হৈছিল যে মই চান্দমামা পঢ়ি আছো। 'মূল্যৱান' কাহিনীটোৱে মোক এনে ধাৰণা দিলে যেন কাহিনীটো একবিংশ শতিকাৰ। মুঠৰ ওপৰত কবলৈ হলে নতুন ধৰণৰ সংযোজনে চান্দমামাৰ উজ্জ্বল পুৰণি পৰম্পৰাক আঘাট কৰিছে। মই আনকি চান্দমামাৰ বেটুপাতৰ কথা উল্লেখেই কৰিব বিচৰা নাই।

–ড. পি প্ৰভাৱতী, প্ৰকাশন নগৰ, হাইদৰাবাদ

Avail the loyalty bonus!

Chandamama Subscribers will get flat 10% off on subscription renewals! (All Editions - within India)

Chandamama!

Because stories make the world go round...

Choose your Chandamama!

Go to www.chandamamashop.com & subscribe Now!!

You can also subscribe online at: **www.chandamamashop.com**

Chandamama is available in English and 12 regional languages.
Junior Chandamama for children above 4 years is available only in English.

I want to subscribe to / gift / renew subscription for the following editions of Chandamama:

☐ English ☐ Telugu ☐ Tamil ☐ Kannada ☐ Hindi
☐ Marathi ☐ Gujarati ☐ Oriya ☐ Bengali ☐ Sanskrit
☐ Santali ☐ Malayalam ☐ Assamese ☐ Junior (Only in English)

Name: ....

Date of Birth: .... Sex: ....

Address: ....

....

....

.... City: ....

State: .... Pin: ....

Telephone: ....

Mobile: ....

Email: ....

Subscription Number (for renewals): ....

Gift Subscription to the following address:

....

....

....

....

Enclosed Cheque/DD* for Rupees..........

Cheque/DD No ....

favouring Chandamama India Ltd on..........

..........bank.

* Your subscription will commence in 6 weeks.
Please mail the subscription form to:
Chandamama India Limited.
P.O.Box No:19407, Mumbai-400093.
Phone +91 22 28312872 / 28311849
Email: subscription@chandamama.com
You can also subscribe online at : www.chandamamashop.com

Take Your Pick!	1 YEAR	2 YEARS	3 YEARS	4 YEARS	5 YEARS
English (₹25/- per copy)	₹300	₹540 $60	₹765 $135	₹960 $240	₹1125 $375
REGIONAL (₹20/- per copy)	₹240	₹430 $50	₹610 $110	₹770 $190	₹900 $300
JUNIOR (₹15/- per copy)	₹180	₹325 $35	₹460 $80	₹575 $145	₹675 $255

** conditions apply

Annual Subscription Overseas : US $40 for English Chandamama, US $30 for Regional Languages, US $25 for Junior Chandamama (including shipping and handling charges) by air mail.

মোৰ স্মৃতি- তেলেগু

যেতিয়া সৃজনীশীল চক্ৰপানিয়ে এই শিশু আলোচনীখন প্ৰকাশ কৰা আৰম্ভ কৰিছিল, তেতিয়া মই স্কুলীয়া ছাত্ৰ আছিলো। ৰঙীন ছবি, সুন্দৰ সজ্জা, মনোৰম চুটি কাহিনী, কাৰ্টুন আদিৰে এই আলোচনী আটক ধুনীয়া আছিল। আমি একো নেৰাকৈ গোটেই আলোচনীখনৰ সোৱাদ লৈছিলো আৰু তাৰপিছত আমাৰ বন্ধু-বান্ধৱেও চান্দমামা পঢ়ি তাৰ কাহিনী আদি উপভোগ কৰিছিল।

আমি প্ৰতিমাহৰ সংখ্যা পঢ়াৰ পিছত পৰৱৰ্তী সংখ্যালৈ আগ্ৰহেৰে অপেক্ষা কৰি ৰৈছিলো। চান্দমামা কেৱল পঢ়ি ভাললগা বিধৰ আলোচনীয়েই নহয়, ইয়াৰ পৰা নানা ধৰণৰ শিক্ষাও লাভ কৰিব পাৰি। সুন্দৰ সুন্দৰ কাহিনীৰ যোগেদি ই আমাৰ মনত শুদ্ধ মূল্যবোধৰ জন্ম দিয়ে। এনে শুদ্ধ মূল্যবোধে পাঠকক নিজকে এজন ভাল নাগৰিক হিচাপে গঢ়ি তুলিবলৈ সহায় কৰে।

Name: P. Parameswara Rao
Occupation: Sr. Advocate,
Supreme Court, Noida

এবাৰ মোৰ সহপাঠী ছাগালাকণ্ডা সূৰ্যনাৰায়ণে এটা অতি সুন্দৰ কাল্পনিক কাহিনী লিখি উলিয়ালে আৰু তাত বৰ্ণনা কৰিলে যে ভগৱান গণেশ কিয় অবিবাহিত হৈ থাকিল। সেই কাহিনীটো চান্দমামাত সুন্দৰ ৰঙীন চিত্ৰৰে সৈতে প্ৰকাশিত হ'ল। আমি সকলোৱেই সেই কাহিনীটো প্ৰকাশ হোৱা দেখা পাই বৰ আনন্দিত হলো।

শিশু হিচাপে এই আলোচনীখনৰ যোগেদি আমি এখন কল্পনাৰ জগতলৈ গতি কৰো। মই আনকি উচ্চ শিক্ষাৰ বাবে কলেজত নাম ভৰ্তি কৰাৰ পিছতো চান্দমামাৰ লগত সংযুক্ত হৈ থাকিলো। য'তেই বা যেতিয়াই মই চান্দমামা দেখা পাও, হাতত লৈ পঢ়িবলৈ আৰম্ভ কৰো।

এই আলোচনীখনৰ লগত সংলগ্ন মোৰ শিশুকালৰ প্ৰতিটো কথাই মোৰ আজিও ভালকৈ মনত আছে। মই কেৱল চক্ৰপানিকেই নহয়, চান্দমামাৰ লগত সম্পৰ্কিত হৈ থকা সকলোকে অভিনন্দন জনাইছো। সকলোৰে আশাসুধীয়া চেষ্টাত চান্দমামা আজি সকলো তেলেগু পৰিয়ালৰে অংশ।

মই বিশ্বাস কৰো যে এনে ধৰণৰ আশাসুধীয়া আৰু দূৰদৰ্শী চেষ্টাইহে এক সবল আৰু সুন্দৰ ভাৰত গঢ়ি তুলিব পাৰে৷ ভাৰতৰ এক সুন্দৰ ভৱিষ্যতৰ বাবে চান্দমামাই কৰি অহাৰ দৰে সকলোৱেই শিশুসকলৰ মাজত এক সুস্থ মূল্যবোধৰ বিকাশ কৰাত অংশ লোৱা উচিত।

মোৰ স্মৃতি- মাৰাঠী

চান্দমামাৰ লগত মোৰ সম্পৰ্ক শিশুকালৰ পৰাই। মই আৰু মোৰ ভায়ে প্ৰতি মাহতেই চান্দমামাৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰি ৰৈছিলো। মোৰ দেউতা আছিল এজন শিক্ষক। তেওঁ প্ৰতিমাহৰ প্ৰথম সপ্তাহত আমাৰ বাবে চান্দমামা কিনি আনিছিল। চান্দমামা আহি ঘৰ পোৱাৰ লগে লগে মই আৰু মোৰ ভাইটিয়ে কোনে আগতে চান্দমামা পঢ়িব তাকে লৈ কাজিয়া কৰিছিলো। তাৰপিছত এবাৰ আমি ঠিক কৰিছিলো যে এমাহত যদি এজনে প্ৰথমে চান্দমামা পঢ়ে, তেন্তে আনজনে পৰৱৰ্তী মাহত প্ৰথমে পঢ়িবলৈ পাব।

চান্দমামা পঢ়াটো আমাৰ বাবে আছিল উৎসৱৰ দৰে আৰু এতিয়াও সেই অৱস্থাৰ পৰিৱৰ্তন হোৱা নাই। মই এতিয়াও সমান উচ্ছাসেৰে চান্দমামাৰ সোৱাদ লওঁ। এবাৰ পঢ়িবলৈ আৰম্ভ কৰিলে মই শেষ নকৰাকৈ কেতিয়াও এৰিব নোৱাৰো। পৰীক্ষাৰ সময়তো আমি সোনকালে পৰীক্ষা শেষ হোৱাটো কামনা কৰিছিলো যাতে সোনকালে চান্দমামা পঢ়িবলৈ পাওঁ। শিশুকালতে পঢ়া চান্দমামাৰ কিছুমান কাহিনী মোৰ এতিয়াও সুন্দৰকৈ মনত আছে। সেই সময়ত প্ৰকাশিত ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীবিলাক মোৰ মনৰ পৰা এতিয়াও আঁতৰি যোৱা নাই। চান্দমামাত পঢ়াৰ পিছতো মই আন বহু কিতাপত ৰামায়ণ আৰু মহাভাৰতৰ কাহিনী পঢ়িছো যদিও মই অনুভৱ কৰো যে চান্দমামাৰ কাহিনীবিলাক অধিক আকৰ্ষণীয়।

Name: Varsha Bale
Occupation: Lawyer
Margoo, Goa

মোৰ ভাইটিয়ে চান্দমামা ইমানেই ভাল পায় যে কাকো চান্দমামাৰ কোনো সংখ্যা ধাৰলৈ নিদিয়ে। সি এটা কাঠৰ বাকচত চান্দমামাৰ সকলো সংখ্যা সাঁচি থৈছিল। কিন্তু দূৰ্ভাগ্যবশত, কিছুদিনৰ পিছত আমি দেখিবলৈ পালো যে কিতাপ খোৱা পোকে সেইবিলাকৰ অনিষ্টসাধন কৰিছে। আমি সেই ঘটনাত বৰ দুখ পাইছিলো। মই মোৰ সন্তানৰ মাজতো চান্দমামা পঢ়াৰ ধাউতি দেখা পাইছো। এই কথাই মোৰ শৈশৱৰ স্মৃতিক কঢ়িয়াই আনে। মোৰ কণ্যা সন্তানে চান্দমামা পঢ়িবলৈ ইমানেই ভাল পাই যে এবাৰ যদি তাই চান্দমামা হাতত লয় তেন্তে খাবলৈ, শুবলৈ পাহৰি যায়।

মোৰ শৈশৱৰ প্ৰিয় বন্ধু চান্দমামা আজি মোৰ সন্তানৰ প্ৰিয় বন্ধু। মই চান্দমামাৰ ওচৰত এইবাবেই কৃতজ্ঞ যে চান্দমামাই মোৰ শৈশৱক অধিক ৰঙীণ আৰু উপভোগ্য কৰি তুলিলে। মই আশাকৰো যে চান্দমামাই এই পৰম্পৰা অটুত ৰাখিব। চান্দমামালৈ মই আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো।

মোৰ স্মৃতি– কানাড়া

মই কৰ্ণাটক ৰাজ্যৰ গডাগ জিলাৰ নৰগুণ্ডা তালুকৰ চিৰ'লা নামৰ ঠাইত বাস কৰো। মই যোৱা ৩০ বছৰ ধৰি চান্দমামা পঢ়ি আহিছো। আমি নীতিকথা যুক্ত সাধুকথা আৰু বেতালৰ কাহিনী বৰ ভাল পাওঁ। আমি বন্ধুসকলে বিনিময় কৰি এটা সময়ত চান্দমামা পঢ়িছিলো। এজনে এদিনৰ বাবে চান্দমামা লগত ৰখিব পাৰিছিল আৰু পিছদিনাখন সেইখন আন এজনৰ হাতলৈ গৈছিল। আমি সকলোৱেই চান্দমামাৰ ছবিবিলাক বৰ ভাল পাইছিলো আৰু সেইবিলাক আকিবলৈ চেষ্টা কৰিছিলো। মই অনুভৱ কৰো যে চান্দমামাৰ সাফল্যৰ আঁৰত সেই সুন্দৰ চিত্ৰবিলাকৰ অৱদান আছে।

Name: Chidambara. P.
Nimbaragi. Gadag
(Dist), Karnataka.

নামত থকাৰ দৰেই চান্দমামা সচাকৈয়ে চান্দ (কানাড়াত 'চান্দ' শব্দৰ অৰ্থ হৈছে ধুনীয়া)। শিশুসকলৰ মাজত অধ্যয়নৰ স্পৃহা জগাই তোলাৰ ক্ষেত্ৰত চান্দমামাৰ অৱদান অপৰিসীম। চান্দমামা আমাৰ সমাজলৈ এক সুন্দৰ উপহাৰ।

বেতাল কথা

অনন্তৰ ভাল লক্ষ্য

হতাশ নহৈ ৰজা বিক্ৰম পুণৰ গছজোপাৰ ওচৰলৈ উভতি গ'ল। শটো পুণৰ গছৰ পৰা নমাই কান্ধত তুলি ললে। তাৰপিছত নিৰৱে মৰিশালিৰ ফালে খোজ পেলাবলৈ আৰম্ভ কৰিলে। তেনেসময়তে, শটোৰ মাজত বাস কৰা ভুতটোৱে কবলৈ ধৰিলে, ‘‘হে ৰাজন, মই এই কথা বুজি পোৱা নাই তুমি কাৰ লাভৰ বাবে এনে এটা কঠিন কাম কৰাৰ দায়িত্ব লৈছা। এই পৃথিৱীত এনে বহু লোক আছে, যি এটা ভাল লক্ষ্য লৈ কাম কৰা আৰম্ভ কৰে, কিন্তু শেষৰ পৰ্যায়ত তেওঁলোকে এনে ধৰণেৰে কাম কৰিবলৈ ধৰে যে সকলো আঁচৰিত হয়। তেওঁলোকৰ লক্ষ্য বিপৰীত যেন ধাৰণা হয়। মই এই কথা অনুমান কৰিব পৰা নাই যে তুমি তেনে হয়নে নহয়। মই তোমাক অনন্ত নামৰ লোকজনৰ তেনে এটা কাহিনী কম। সেই কাহিনীৰ লগত তোমাৰ কৰ্মৰ মিল আছে। সেই কাহিনী শুনি হয়তো তুমি এই কথা উপলব্ধি কৰিব পাৰিবা যে কেৱল মাত্ৰ তোমাৰ



আত্ম সন্তুষ্টিৰ বাবে এনে কঠিন কামৰ দায়িত্ব লৈছা নেকি? কাহিনীটো শুনি তোমাৰ কষ্ট পাতলাই তোলা।''

ৰজা অশোকবৰ্ধনে বিন্ধ্যবধনী ৰাজ্যত ৰাজত্ব কৰিছিল। তেওঁৰ ৰাজ্যৰ দক্ষিণ সীমাৰ পৰা অলপ দূৰতে নিমিষাৰণ্য নামৰ এখন অৰণ্য আছিল। সেই অৰণ্যতে সিদ্ধযোগী নামৰ এজন ঋষিয়ে আশ্ৰমত তেওঁৰ শিষ্যসকলক জ্ঞান প্ৰদান কৰিছিল। সিদ্ধযোগী আছিল এজন জ্ঞানী আৰু সৎ লোক। যুদ্ধ কৌশলৰ পৰা আৰম্ভ কৰি নানা আইন আদি পৰ্যন্ত তেওঁৰ জ্ঞান আছিল। তেওঁৰ আশ্ৰমলৈ বহু ৰজাই আইন আৰু যুদ্ধ কৌশলৰ শিক্ষা লাভ কৰিবৰ বাবে তেওঁলোকৰ পুত্ৰসকলক প্ৰেৰণ কৰিছিল।

ৰজা অশোকবৰ্ধনে তেওঁ পুত্ৰক সিদ্ধযোগীৰ টোলত শিক্ষা লাভ কৰিবৰ বাবে ঋষিৰ ওচৰলৈ লৈ গ'ল। পুত্ৰক শিষ্যৰূপে গ্ৰহণ কৰিবৰ বাবে তেওঁ ঋষি সিদ্ধযোগীক অনুৰোধ কৰিলে। তেওঁ বিচাৰিছিল যে ঋষিয়ে তেওঁৰ পুত্ৰক সকলো প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰি এজন সামৰ্থবান ৰজা কৰি তোলক। গুৰু সিদ্ধযোগীয়ে ৰজাৰ অনুৰোধ মানি ললে।

ঠিক সেই সময়তে পুৰুষোত্তম নামৰ এজন কৃষকে তেওঁৰ পুত্ৰ অনন্তক লৈ ঋষিৰ ওচৰত উপস্থিত হ'ল আৰু ঋষিক অনুৰোধ কৰিলে যে তেওঁ অনন্তক শিষ্য হিচাপে গ্ৰহণ কৰে। কৃষকৰ অনুৰোধ মানি ঋষিয়ে অনন্তকো শিষ্য হিচাপে গ্ৰহণ কৰিলে। হৰ্ষবৰ্ধন আৰু অনন্ত দুয়োজনৰে অধ্যয়নত ৰাপ আছিল। অলপ দিনৰ পিছত গুৰুৱে গম পালে যে দুয়োজন সমানেই মেধাবী। যি কি নহওক, হৰ্ষবৰ্ধনে সদায়েই প্ৰমাণ কৰিবলৈ চেষ্টা কৰি থাকিল যে তেওঁ অনন্তকৈ মেধাৱী। বিপৰীতে, অনন্তই হৰ্ষবৰ্ধনক ৰাজকুমাৰ আৰু ভৱিষ্যতৰ ৰজা বুলি সন্মান কৰিছিল। তেওঁ কেতিয়াও নিজকে অধিক মেধাৱী বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰা নাছিল আৰু হৰ্ষবৰ্ধনৰ প্ৰতি ঈৰ্ষান্বিতও নাছিল।

এদিন সকলো শিষ্য যজ্ঞৰ বাবে খৰি সংগ্ৰহ কৰিবৰ বাবে অৰণ্যৰ মাজলৈ সোমাই গ'ল। খৰি সংগ্ৰহ কৰি থাকোতেই তেওঁলোকক এটা ভালুকে আক্ৰমণ কৰিলে। সকলো শিষ্যই ভয়তে লৰ মাৰিলে। হৰ্ষবৰ্ধনে অতি পৰাক্ৰমেৰে ভালুকটোৰ লগত যুদ্ধ কৰিলে। কিন্তু ভালুকটো হৰ্ষবৰ্ধনে বলে পৰাতকৈ অলপ বেছি পৰাক্ৰমী আছিল। তাকে দেখি অনন্তই ঠেলা মাৰি হৰ্ষবৰ্ধনক আঁতৰাই নিজে ভালুকৰ লগত যুদ্ধ কৰিবলৈ ধৰিলে। সেই যুদ্ধত অনন্ত

বেয়াকৈ আঘাটপ্রাপ্ত হ'ল। কিন্তু তথাপিও তেওঁ পিছুৱাই নাহিল। ইফালে গুৰুৱে পলাই যোৱা শিষ্যসকলৰ পৰা ভালুকৰ আক্ৰমণৰ বতৰা শুনি সেই ঠাইত উপস্থিত হ'ল। তেওঁ কমণ্ডলুৰ পৰা পানী একাজলি লৈ ভালুকটোক লক্ষ্য কৰি চটিয়াই দিলে। সেই মন্ত্ৰপুত পানী গাত পৰাৰ লগে লগেই চেতনাহীন হৈ ভালুকটো বাগৰি পৰিল।

সিদ্ধযোগীয়ে আঘাতপ্ৰাপ্ত অনন্তক তেওঁৰ আশ্ৰমলৈ লৈ গ'ল আৰু নানা ধৰণৰ বনৌষধিৰে চিকিৎসা কৰিলে। সম্পূৰ্ণকৈ আৰোগ্য হবলৈ অনন্তক এসপ্তাহ সময় লাগিল।

সুস্থ হোৱাৰ পিছত ঋষিয়ে অনন্তক সুধিলে যে ৰাজকুমাৰৰ প্ৰাণ ৰক্ষা কৰিবলৈ গৈ অনন্তই কিয় নিজৰ জীৱন বিপদৰ মুখলৈ ঠেলি দিছিল। গুৰুৰ প্ৰশ্নৰ উত্তৰত অনন্তই কলে, "গুৰুদেৱ, হৰ্ষবৰ্ধন হ'ল ভৱিষ্যতৰ ৰজা। মোৰ দৰে এজন সাধাৰণ প্ৰজাতকৈ তেওঁৰ জীৱনৰ মূল্য বহু বেছি। সেইবাবেই মই এনে কাৰ্য কৰিছিলো।" অনন্তৰ উত্তৰ শুনি সিদ্ধযোগী সন্তুষ্ট হোৱা যেন লাগিল।

জ্ঞান আৰু কৌশলৰ ক্ষেত্ৰত দুয়ো সমপৰ্যায়ৰ আছিল। কিন্তু তীৰচালনা কৰাত অনন্ত ৰাজকুমাৰ হৰ্ষবৰ্ধনতকৈ অলপমান আগবঢ়া আছিল। এই কথা হৰ্ষবৰ্ধনে গম পাইছিল আৰু তাৰ বাবে বৰ সুখী নাছিল।

এবাৰ গুৰুৱে তীৰচালনাৰ বাবে তেওঁৰ শিষ্যসকলক দুটা ভাগত ভাগ কৰিলে। অনন্ত আৰু হৰ্ষবৰ্ধন দুয়োয়ে তীৰচালনাৰ সুন্দৰ কৌশল প্ৰদৰ্শন কৰিলে আৰু গৈ ফাইনেলত উপনীত হ'ল।

এডাল ফুলৰ মালা এজোপা গছৰ ডালত ওলমাই থোৱা আছিল। সেই মালাডালৰ পৰা





অলপ আঁতৰতে গণেশৰ মূৰ্তি এটা থৈ দিয়া আছিল। তেওঁলোকে তীৰ চলাই সেই মালাডাল নি গণেশ মূৰ্তিৰ ডিঙিত পিন্ধাই দিব লাগিব। তাকে কৰোতে সেই মালাডালৰ পৰা এপাহো ফুল চিঙি পৰিব নালাগিব। তেনে কৰিব পৰাজনেই প্ৰতিযোগিতাত বিজয়ী হোৱাৰ কৃতিত্ব অৰ্জন কৰিব। এইটো বৰ কঠিন কাম আছিল। সকলো শিষ্যই এইটো চাবলৈ অপেক্ষা কৰি ৰ'ল যে অনন্ত আৰু হৰ্ষবৰ্ধনৰ ভিতৰত কোনজনে সেই কাম কৰি বিজয়ী হয়।

প্ৰথমে হৰ্ষবৰ্ধনে চেষ্টা কৰিলে। তেওঁৰ তীৰে গৈ মালাডাল গছৰ ডালৰ পৰা তুলি ললে। তাৰপিছত তীৰে সেই মালাডাল কঢ়িয়াই লৈ গৈ সেই গণেশ মূৰ্তিটোৰ ডিঙিত পেলাই দিলে। এই সম্পূৰ্ণ কাৰ্যত মালাডালৰ পৰা এপাহো ফুল চিঙি নপৰিল। তাৰপিছত অনন্তৰ পাল পৰিল। তেওঁ নিক্ষেপ কৰা তীৰেও মালাডাল গছৰ ডালৰ পৰা তুলি লৈ মূৰ্তিটোৰ ডিঙিত পিন্ধাই দিলে।

কিন্তু অনন্তই এই কাম কৰোতে মালাডালৰ পৰা কেইটামান ফুলৰ পাহি চিঙি পৰিল। নিয়ম অনুসাৰে গুৰু সিদ্ধযোগীয়ে ৰাজকুমাৰ হৰ্ষবৰ্ধনক প্ৰতিযোগিতাৰ বিজয়ী বুলি ঘোষণা কৰিলে।

সেইদিনা ৰাতি সকলো শিষ্য শোৱাৰ পিছত গুৰু সিদ্ধযোগীয়ে অনন্তৰ লগত কথা পাতিলে। ‘‘অনন্ত, মই লক্ষ্য কৰিলো যে তুমি জানি-বুজি প্ৰতিযোগিতাত হাৰ মানিলা। কি কাৰণত তুমি তেনে কৰিলা?’’

অনন্তই উত্তৰ দিলে, ‘‘গুৰুদেৱ, তীৰচালনাত মোতকৈ কম পাৰ্গত বুলি হৰ্ষবৰ্ধনে মনতে বেয়া পায়। মই এইকাৰণেই জানি বুজি প্ৰতিযোগিতাখনত হাৰিলো যে যাতে তেওঁৰ সেই ভাৱ মনৰ পৰা আঁতৰি যায় আৰু নিজৰ কৌশলক লৈ আত্মবিশ্বাস বৃদ্ধি পায়।’’ সিদ্ধযোগীয়ে অনন্তৰ এনে উত্তৰ শুনি বৰ ভাল পালে।

তীৰচালনা প্ৰতিযোগিতাত নিজৰ সাফল্যৰ পিছত হৰ্ষবৰ্ধন গৌৰৱত উফন্দি পৰিল। তেওঁ অনন্তকে ধৰি সকলোকে নিজতকৈ তলত জ্ঞান কৰিবলৈ ধৰিলে। তেওঁ সকলোৰে আগত জাহিৰ কৰি ফুৰিবলৈ ধৰিলে যে তেওঁ সকলো বিদ্যাতে অপ্ৰতিদ্বন্দ্বী। এই কথা শুনি অনন্তই বেয়া নাপালে। কিন্তু হৰ্ষবৰ্ধন এইদৰে অহংকাৰী হৈ উঠাৰ বাবে গুৰু সিদ্ধযোগী বৰ সুখী নহ'ল।

এবাৰ গুৰু সিদ্ধযোগীয়ে অনন্তক মাতি আনিলে আৰু কলে, ‘‘অনন্ত, তুমি মোৰ সৰ্বোত্তম শিষ্যসকলৰ ভিতৰত এজন। প্ৰতি

গুৰুৱেই তেওঁৰ সৰ্বোত্তম শিষ্যক কিবা নহয় কিবা এটা বিশেষ শিক্ষা প্ৰদান কৰে আৰু সেই শিক্ষা বা কৌশল আনক শিকোৱাটো বাঞ্ছা নকৰে। মই তোমাক তৰোৱাল চালনাৰ কিছুমান বিশেষ কৌশল শিকাম।" সেই কথা শুনি অনন্তই উত্তৰ দিলে, "গুৰুদেৱ, মই আপোনাৰ সৰ্বোত্তম শিষ্যসকলৰ এজন বুলি জানি সুখী হৈছো। কিন্তু মোৰ এটা অনুৰোধ আছে। মোক শিকোৱা প্ৰতিটো কৌশলেই আপুনি হৰ্ষবৰ্ধনক শিকোৱাটো কামনা কৰো। কিয়নো তেওঁ নিজকে শত্ৰুৰ পৰা বচাই ৰখাৰ প্ৰয়োজন আছে। এইধৰণৰ বিশেষ কৌশলবিলাক মোক যিমান প্ৰয়োজন হব তাতোকৈ বেছি প্ৰয়োজন হব ৰাজকুমাৰৰ।"



অনন্তৰ প্ৰশংসা কৰি গুৰুৱে কলে, "হৰ্ষবৰ্ধন বৰ ভাগ্যৱান যে তেওঁ তোমাৰ দৰে বন্ধু লাভ কৰিছে।"

কিছুবছৰৰ পিছত সকলো শিষ্যই তেওঁলোকৰ শিক্ষা আৰু প্ৰশিক্ষণ সমাপ্ত কৰিলে। গুৰুৱে সকলো শিষ্যৰে পিতৃ-মাতৃৰ সন্মুখত এটা পৰীক্ষা পতাৰ কথা সিদ্ধান্ত কৰিলে। গুৰুৱে ৰজাকে ধৰি শিষ্যসকলৰ পিতৃ-মাতৃলৈ আমন্ত্ৰণ প্ৰেৰণ কৰিলে। সকলোৱেই সেই প্ৰতিযোগিতা চাবৰ বাবে আহিল।

অনন্ত আৰু হৰ্ষবৰ্ধন সকলো প্ৰতিযোগিতাতে প্ৰথম হ'ল। শেষত গুৰুৱে তেওঁলোক দুজনৰ মাজত তৰোৱাল চালনাৰ প্ৰতিযোগিতাৰ আয়োজন কৰিলে। তেওঁলোক দুয়োজনে বহু সময় ধৰি বিক্ৰমেৰে যুদ্ধ কৰি থাকিল। তেওঁলোকৰ কৌশল দেখি সকলোৱেই প্ৰশংসা কৰিবলৈ ধৰিলে। কিছুসময়ৰ পিছত হঠাতে অনন্তই এক বিশেষ ধৰণৰ কৌশল প্ৰদৰ্শন কৰি হৰ্ষবৰ্ধনৰ হাতৰ পৰা তৰোৱাল পেলাই দিলে। সিদ্ধযোগীয়ে অনন্তক প্ৰতিযোগিতাৰ বিজয়ী ঘোষণা কৰিলে।

গুৰুৰ আশ্ৰমৰ পৰা ঘৰলৈ উভতি যোৱাৰ আগতে গুৰুৱে অনন্তক কলে, "অনন্ত, তুমি এজন মহান যোদ্ধা। কেৱল সেয়াই নহয়, তুমি এজন জ্ঞানীলোকো। সকলোতকৈ ডাঙৰ কথাটো হ'ল যে তুমি এজন প্ৰকৃত বন্ধু।"

অনন্তই গুৰুৰ ভৰিত ধৰি সেৱা কৰিলে আৰু ঘৰলৈ উভতি গ'ল।

কাহিনী কোৱা সমাপ্ত কৰি বেতালে ৰজা বিক্ৰমক সুধিলে, "মহাৰাজ, অনন্তই এটা সময়ত নিজৰ জীৱন বিপদৰ মুখলৈ ঠেলি দি ৰাজকুমাৰ হৰ্ষবৰ্ধনৰ জীৱন ৰক্ষা কৰিছিল। তাৰপিছত ৰাজকুমাৰৰ হাতত জানি বুজি তীৰ

চালনাৰ প্ৰতিযোগিতাত হাৰ মানিছিল যাতে ৰাজকুমাৰৰ মনোবল বৃদ্ধি পায়। কিন্তু সেই অনন্তই শেষ পৰীক্ষাত হৰ্ষবৰ্ধনক পৰাভূত কৰিলে। তেওঁ কি কাৰণে তেনে কৰিলে? তেওঁ সকলো শিষ্যৰ পিতৃ-মাতৃৰ সন্মুখত নিজৰ প্ৰতিভা প্ৰমাণ কৰিবৰ বাবে তেনে কৰিলে নেকি? নাইবা তেওঁ প্ৰতিযোগিতা জিকি নিজৰ পিতৃক সুখী কৰিবলৈ চেষ্টা কৰিছিল? এনে হব পাৰে নেকি যে ৰজাৰ আগত নিজৰ কৌশল প্ৰদৰ্শন কৰি ৰাজসভাত এটা ভাল পদৰ আশা কৰিছিল? যদি তুমি জনা স্বত্বেও এই প্ৰশ্নৰ উত্তৰ নিদিয়া, তেন্তে তোমাৰ মূৰ ফাটি হেজাৰ টুকুৰা হব।''

ৰজা বিক্ৰমে উত্তৰ দিলে, ''ৰাজকুমাৰ হৰ্ষবৰ্ধনৰ হাতত জানি বুজিয়েই অনন্ত পৰাজিত হৈছিল। তেওঁ আশা কৰিছিল যে এনে কৰিলে ৰাজকুমাৰ আত্মবিশ্বাসী হৈ উঠিব। কিন্তু, বিপৰীতে তেওঁ অহংকাৰী হৈ উঠিবলৈ ধৰিল। এজন ৰজা কেতিয়াও অহংকাৰী হোৱা উচিত নহয়। তেনে ৰজাৰ শাসনত প্ৰজাই কেতিয়াও সুখেৰে থাকিব নোৱাৰে। অনন্তই সেই কথা উপলব্ধি কৰিব পাৰিলে আৰু শেষ প্ৰতিযোগিতাত তেওঁ হৰ্ষবৰ্ধনক পৰাভূত কৰিলে। তেওঁ ৰাজকুমাৰক এই কথা জনাব বিচাৰিলে যে সকলো সময়তে কেৱল তেৱেঁই জয়ী হব নোৱাৰে। তেওঁ কেৱল ৰাজকুমাৰৰ অহংকাৰক নাইকীয়া কৰিবৰ বাবে এনে কৰিলে। তেওঁ নিজৰ পিতৃক সন্তুষ্ট কৰিবৰ বাবে এনে কৰা নাছিল বা কৌশলেৰে ৰজাক মুগ্ধ কৰি ৰাজসভাত এটা ভাল পদ লাভ কৰাৰো আশা কৰা নাছিল। এজন ভাল আৰু সঁচা বন্ধুৱে সদায় তেওঁৰ বন্ধুৰ ভাল হোৱাটো বিচাৰে। তেওঁলোকে নিজৰ বন্ধুক বিপদৰ পৰা ৰক্ষা কৰিবলৈ যিকোনো কাম কৰিব পাৰে। গুৰুৱে অনন্তৰ এনে ভাৱনাক বুজি পাইছিল। সেইবাবেই তেওঁ কৈছিল যে অনন্ত এজন জ্ঞানীলোক আৰু এজন সঁচা বন্ধু।''

ৰজা বিক্ৰমে নিৰৱতা ভংগ কৰি বেতালৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ লগে লগে মৰাশটোৰে সৈতে উৰি গৈ বেতালে আগৰ দৰেই সেই গছজোপাত ওলমি ৰ'লগৈ।

—এন শিৱ নাগেশ্বৰ ৰাও



অদৃশ্য উপহাৰ

স্বৰ্ণ সুনন্দিনী ৰাজ্যৰ ৰজা আকাশদীপ্ত বিবাহৰ বহু দিনৰ পিছতো সন্তানহীন আছিল।

ৰজা আৰু ৰাণীয়ে সন্তান কামনা কৰি নানা ধৰণৰ পুজা পাতল কৰিলে, সাধু-সন্তৰ পৰামৰ্শ ললে, ব্ৰত ৰাখিলে।

অৱশেষত ভগৱানে তেওঁলোকক দয়া কৰিলে আৰু ৰাণী বাসন্তী দেৱী সন্তান সম্ভৱা হৈ পৰিল। নমাহৰ পিছত ৰাণীয়ে এটা কণ্যা সন্তান জন্ম দিলে।

ৰজা-ৰাণী দুয়ো বৰ সুখী হ'ল। তেওঁলোকে ৰাজকুমাৰীৰ নাম ৰাখিলে স্বৰ্ণা দীপিকা। মৰম আৰু চেনেহৰ মাজত ৰাজকুমাৰী ডাঙৰ হৈ আহিল।

এবছৰ পাৰ হৈ গ'ল। ৰজা আকাশদীপ্তই অতি জাকজমকতাৰে ৰাজকুমাৰীৰ প্ৰথমটো জন্মদিন পাতিবলৈ সিদ্ধান্ত ললে। তেওঁ সেই অনুষ্ঠানলৈ ৰাজ্যৰ সকলো প্ৰজাকে আমন্ত্ৰণ জনাবলৈ সিদ্ধান্ত ললে। তেওঁ ঘোষণা কৰিলে যাতে ৰাজ্যৰ সকলো প্ৰজাই এই উৎসৱত ভাগ লয়। ৰাজ্যৰ প্ৰজাসকলেও আমন্ত্ৰণ পাই বৰ সুখী হ'ল।

সকলোৰেই নিজৰ সক্ষমতা অনুযায়ী ৰাজকুমাৰীলৈ ভালৰ ভাল উপহাৰটো আনিবলৈ চেষ্টা কৰিলে।

ৰাজ্যত শিৱ নামৰ এটা মুচী আছিল। তেওঁ বৰ দয়ালু হৃদয়ৰ আছিল। তেওঁ সদায় আনক নিজৰ সাধ্যমতে সহায় কৰিছিল। তেওঁৰ উপাৰ্জনো আছিল তেনেই কম। দিনটোৰ উপাৰ্জন দিনটোতে শেষ হৈ পৰিছিল।

ৰাজকুমাৰীৰ জন্মদিনৰ দিনা ৰাজকুমাৰীৰ বাবে উপহাৰ লবৰ বাবে তেওঁ গোটেই দিনটোৰ উপাৰ্জন খৰচ কৰিবলৈ সিদ্ধান্ত ললে। এটা দিন তেওঁ তাৰবাবে লঘোনে থাকিবলৈ সিদ্ধান্ত ললে। কিন্তু দূৰ্ভাগ্যবশত, সেইদিনা

এন ললিতা



তেওঁ এজনো গ্ৰাহক নাপালে। তেওঁ মনতে বৰ দুখ পালে।

এটা সৰু উপহাৰো কিনিবলৈ সামৰ্থ নথকাত তেওঁ বৰ বেজাৰ পালে। হাতত এটা উপহাৰ নোহোৱাকৈ শিৱই ৰাজকুমাৰীৰ জন্মদিনৰ অনুষ্ঠানলৈ যাবলৈ সংকোচ কৰিলে।

আনহাতে, তেওঁ ভাৱিলে যে ৰজাই তেওঁৰ প্ৰজাসকলক কিমান আগ্ৰহেৰে অনুষ্ঠানলৈ আমন্ত্ৰণ কৰিছে। গতিকে নিশ্চয় সেই অনুষ্ঠানলৈ যোৱাটোহে যুক্তি সংগত হব। এই দৰে ভাৱি গুণি তেওঁ হাতত উপহাৰ নোহোৱা স্বত্বেও সেই অনুষ্ঠানলৈ যাবলৈ ঠিক কৰিলে।

শিৱ গৈ ৰাজপ্ৰসাদ পালেগৈ। তেওঁ দেখিলে যে তাত অলেখ লোক। সকলোৱেই শাৰী পাতি গৈ ৰাজকুমাৰীৰ বাবে অনা উপহাৰ প্ৰদান কৰিছে।

ৰাজপ্ৰসাদৰ কেইজনমান কৰ্মকৰ্তাই সেই উপহাৰবিলাক লৈ কোনে কি উপহাৰ দিছে তাকে লিখি গৈছে।

এই ঘটনা দেখি শিৱই মনতে আকৌ এবাৰ বৰ বেজাৰ পালে যে তেওঁৰ দৰিদ্ৰতাৰ বাবে তেওঁ ৰাজকুমাৰীলৈ একোৱেই উপহাৰ আনিব নোৱাৰিলে।

যেতিয়া শিৱৰ পাল পৰিল, তেতিয়া কৰ্মচাৰীজনে সুধিলে, ‘‘আপোনাৰ নাম কি আৰু আপুনি কি উপহাৰ আনিছে? মোক কওক, যাতে মই লিখিব পাৰো।’’

শিৱই উত্তৰ দিলে, ‘‘মোৰ নাম শিৱ, উপহাৰ বিষয়ে লিখা ঠাইত লিখা যে মই অনা উপহাৰ হ’ল– ‘অদৃশ্য উপহাৰ’।

এই কথা শুনি ৰাজমহলৰ কৰ্মচাৰীজন আঁচৰিত হ’ল। তেওঁ কলে, ‘‘তুমি নিশ্চয় একো উপহাৰ অনা নাই আৰু মোক লিখিবলৈ কৈছা যে তুমি অদৃশ্য উপহাৰ আনিছা। এয়া কেনেকৈ সম্ভৱ হব পাৰে?’’

‘‘মই তোমাক কলো নহয় যে ই এটা অদৃশ্য উপহাৰ। কেৱল তুমিয়েই নহয়, ইয়াক কোনেও দেখা নাপায়।’’ শিৱই কলে।

কৰ্মচাৰীজন বৰ আঁচৰিত হ’ল। তেওঁ বেছি কথা কটা কটি কৰি নাথাকি উপহাৰৰ ঠাইত ‘অদৃশ্য উপহাৰ’ লিখিলে। শিৱই ভিতৰত ভোজভাত খাই বৈ ঘৰলৈ উভতি গ’ল।

পিছদিনাখন, ৰাণী বাসন্তী দেৱীৰ এই কথা জানিবলৈ মন গল যে ৰাজকুমাৰীলৈ কোনে কি উপহাৰ আনিছিল। তেওঁ উপহাৰৰ তালিকাখন বিচাৰি পঠিয়ালে।

তেওঁ এফালৰ পৰা তালিকাখন চাই যাবলৈ

ধৰিলে। তেওঁ দেখিলে যে ৰাজ্যৰ প্ৰজাই নানা ধৰণৰ উপহাৰ আনিছিল। হঠাতে তেওঁৰ চকু 'অদৃশ্য উপহাৰ'ত পৰাত তেওঁ আঁচৰিত হ'ল। তেওঁ দেখিলে যে শিৱ নামৰ লোক এজনে সেই উপহাৰ আনিছিল।

ৰাণীয়ে এই কথা ৰজাক কলত ৰজা আঁচৰিত হ'ল। 'অদৃশ্য উপহাৰ'! এয়া কেনেধৰণৰ উপহাৰ? তেওঁ শিৱক বিচাৰি উলিয়াই সেই অদৃশ্য উপহাৰৰ বিষয়ে জানিবলৈ ঠিক কৰিলে।

ৰজাৰ আদেশ অনুসৰি ৰাজদূতে গৈ শিৱক মাতি আনিলে। যেতিয়া শিৱক ৰজাৰ সন্মুখলৈ অনা হ'ল, তেতিয়া ৰজাই শিৱক সুধিলে, "শিৱ, তুমি ৰাজকুমাৰীলৈ অনা অদৃশ্য উপহাৰৰ বিষয়ে জানিব বিচাৰিছো। মই বিশেষ একো বুজি নোপোৱাত তোমাক মতাই আনিছো যাতে তুমি মোক বুজাই কব পাৰা।"

"মহাৰাজ, মই এজন দুখীয়া মুচী। মই আঁচনি কৰিছিলো যে এটা দিন কাম কৰি মই যি আৰ্জন কৰিব পাৰিম, সেই সকলো টকাৰে ৰাজকুমাৰীৰ বাবে এটা উপহাৰ কিনিম। কিন্তু মোৰেই দূৰ্ভাগ্য যে সেইদিনা মই এজনো গ্ৰাহক নাপালো। মই বৰ চিন্তাত পৰিলো। অলপ সময় চিন্তা কৰাৰ পিছত সিদ্ধান্ত কৰিলো যে মই ৰাজকুমাৰীক এটা অদৃশ্য উপহাৰ দিম। সেয়া হ'ল মোৰ আন্তৰিক আশীৰ্বাদ।"

শিৱৰ কথা শুনা পাই ৰজা আকাশদীপ্ত বৰ সুখী হ'ল। তেওঁ কলে, "তোমাৰ আশীৰ্বাদ ধন-ৰত্ন আদিতকৈ বহু বেছি মূল্যৱান।" তাৰপিছত তেওঁ শিৱক উপহাৰস্বৰূপে কিছু সোণৰ মূদ্ৰা দিলে।

শিৱই সেই মুদ্ৰা গ্ৰহণ নকৰি কলে, "মহাৰাজ, আপুনি কলে যে মোৰ আশীৰ্বাদ ধন-ৰত্নতকৈ বেছি মূল্যৱান। একেদৰেই আপোনাৰ আশীৰ্বাদ এই সোণৰ মোহৰতকৈ মোৰ বাবে বেছি মূল্যৱান। মোক ক্ষমা কৰিব। এই উপহাৰ মই গ্ৰহণ কৰিব নোৱাৰিম।" ৰজাৰ আশীৰ্বাদ লৈ শিৱ নিজৰ ঘৰলৈ উভতি গ'ল।

পিছত ৰজাই শিৱক ৰাজমহলত এটা চাকৰি দিয়ালে যাতে তেওঁ অভাৱৰ মুখত নপৰাকৈ জীৱন নিৰ্বাহ কৰিব পাৰে।





প্ৰকৃত সুখ

ডেৰ বছৰ মানৰ আগতে ৰাজুৰ দেউতাকে পৰিয়ালৰ প্ৰয়োজন হোৱাত ২০ হেজাৰ টকা চহৰৰ এজন ব্যৱসায়ীৰ পৰা ধাৰলৈ লৈছিল। সেই ব্যৱসায়ীজনৰ কাঠৰ ব্যৱসায় আছিল। তেওঁ মানুহক টকা ধাৰলৈ দি তাৰ বাবদ সুত লৈছিল। যদি কোনোবাই টকা বা সুত দিব নোৱাৰে তেন্তে তেনে লোকক তেওঁ কৈছিল, "তোমাৰ বাৰীত কিছু ভাল কাঠৰ গছ আছে। তুমি যদি বুদ্ধিয়ক তেন্তে মই কি কব বিচাৰিছো বুজি পাইছাই। কোৱা, তোমাক কি মূল্য লাগিব ? তাৰ লগতে তুমি মোৰ পৰা লোৱা ধাৰৰ পৰাও মুক্ত হব পাৰিবা।"

ৰাজুৰ দেউতাকৰ ধাৰৰ টকাৰ সুত দিনক দিনে বৃদ্ধি পাই যাবলৈ ধৰিলে। সুতে-মূলে মুঠতে ২৫ হেজাৰ হ'লগৈ। চহৰৰ ব্যৱসায়ীজনে টকা ঘূৰাই দিয়াৰ বাবে কেইবাবাৰো জাননী প্ৰেৰণ কৰিলে। কিন্তু ৰাজুৰ দেউতাকৰ ওচৰত ইমান টকা নাছিল যে তেওঁ সেই টকা ঘূৰাই দিব পাৰে। তেওঁৰ সম্পত্তি বুলিবলৈ আছিল এপুৰা মাটি আৰু তাতে খেতি কৰি তেওঁ পৰিয়ালটোক খাদ্যৰ যোগান ধৰিছিল। লগতে তেওঁৰ ঘৰৰ সন্মুখতে এজোপা ১৫০ বছৰীয়া বিশাল বট গছ আছিল। সেইজোপা গছ তেওঁলোকৰ পৈতৃক সম্পত্তিৰ দৰে আছিল। যোৱা বছৰ বান অহাত খেতি ভাল নহল আৰু ফলত তেওঁ বেছি ফচল লাভ নকৰিলে। এইবছৰ তেওঁ ভাৱি আছে যে যদি খেতি ভৱা ধৰণে হয়, তেন্তে তেওঁ ফচল বিক্ৰী কৰি ধাৰৰ টকা পৰিশোধ কৰিব পাৰিব। কিন্তু ভৱিষ্যতৰ কথা কোনেনো কব পাৰে।

এদিনাখন সেইজন ব্যৱসায়ীৰ গাড়ী আহি গাওঁ পালেহি। গাড়ী আহি ৰাজুৰ ঘৰৰ আগত ৰ'লহি।

দৰ্শন সিং 'আছাত'

সেই ব্যৱসায়ীক দেখা পাই ৰাজুৰ দেউতাকে বুজিব পাৰিলে যে কিবা এটা অঘটন হয়টো ঘটিব। তেওঁ আশা কৰিলে যে তেওঁৰ সন্মান হানি নহলেই হ'ল। তেওঁ কামনা কৰিলে যে সেই ব্যৱসায়ীয়ে যাতে ধাৰৰ টকাৰ কথা চিঞৰি নকয়। তেনেহলে ধাৰৰ টকা সময়ত উভতাই দিব নোৱাৰাৰ বাবে চুবুৰীয়াৰ ওচৰত তেওঁৰ সন্মান হানি হোৱাৰ সম্ভাৱনা আছে।

ব্যৱসায়ীজনে ৰাজুৰ দেউতাকৰ লগত এক কঠোৰ সুৰত কথা পাতিলে। তেওঁ কলে, "নাথুমল, তুমি মোৰ পৰা ধাৰলৈ লোৱা টকা ঘূৰাই দিয়া। মোক এতিয়া টকাৰ প্ৰয়োজন হৈছে। তোমাৰ প্ৰয়োজনৰ সময়ত মই তোমাক টকা দি সহায় কৰিছিলো। এতিয়া তুমি মোৰ টকা ঘূৰাই দিয়া।"

তাৰপিছত তেওঁ আঁচল কথালৈ আহিল। তেওঁ জানিছিল যে ঘৰৰ আগত থকা সেই বট গছজোপাৰ গৰাকী তেওঁলোকেই। তেওঁ কলে, "তুমি এই বট গছজোপা এইদৰে ৰাখি কি কৰিবা? এইজোপা মোক দি দিয়া। মই তোমাক ধাৰৰ পৰা মুক্ত কৰি দিম। তুমি সকলো চিন্তাৰ পৰা মুক্ত হৈ পৰিবা।"

ব্যৱসায়ীৰ প্ৰস্তাৱ শুনি ৰাজুৰ দেউতাক চিন্তিত হৈ পৰিল। তেওঁ সেই সাতামপুৰুষীয়া বট গছজোপা বিক্ৰী কৰিব বিচৰা নাছিল। কিন্তু তেওঁৰ ওচৰত আন একো পথ খোলা নাই। ধাৰৰ টকা ঘূৰাই নিদিলে সকলোৰে আগত তেওঁৰ বদনাম হব।

অৱশেষত, তেওঁ সকলো দিশ চিন্তা কৰি সেই বট গছজোপা বিক্ৰী কৰি দিবলৈকে থিক কৰিলে। তেওঁৰ এনে লাগিল যে তেওঁ এজোপা গছ বিক্ৰী কৰা নাই, পৰিয়ালৰ এজনকহে বিক্ৰী কৰি দিছে। কিন্তু তেওঁৰ ওচৰত একো উপায় নাছিল। গছজোপা বিক্ৰী কৰাৰ সিদ্ধান্তৰ বিষয়ে শুনি সুখী মনেৰে ব্যৱসায়ীজন উভতি গ'ল।

ৰাজুৱে গছজোপা বিক্ৰী কৰাৰ কথা শুনি বৰ আঁচৰিত হ'ল আৰু দুখ পালে। তেওঁ গৈ স্কুলত সহপাঠীসকলক এই বেয়া খবৰটো দিলেগৈ। দীপাই এই কথা শুনি বৰ বেজাৰ পালে, "আমি তেতিয়াহলে ক'ত লুকাভাকু খেলিম?" তাই কলে।

দীপাৰ পৰা ৰীমাই এই কথা শুনি বিশ্বাস কৰিবই নুখুজিলে। তাই ভাবিলে যে দীপাই তাইক মিছা কথা কৈছা। তাই কলে, "তুমি মিছা কথা কৈছা। আমাৰ গছজোপা কোনে এনেকৈ হঠাতে কাটি পেলাব পাৰিব?"



বিনয়, যি গছজোপাত বগাই উঠিব পাৰিছিল, সি কথাটো কথাটো শুনা পালে। সি কলে, “তেতিয়াহলে গছত থকা চৰাইৰ বাঁহকেইটাৰ কি হব? কেইটামান বাঁহত মই পোৱালী জগা দেখিছিলো।”

যিয়েই এই কথা শুনা পালে সকলোৰে মনত বেজাৰ লাগিল। তেওঁলোকে কোনোমতেই সেই বট গছজোপা কোনোবাই কাটি পেলোৱাটো বিচৰা নাছিল। কেৱল শিশুৱেই নহয়, ডাঙৰ সকলেও এই কথাটো বৰ ভাল নাপালে। কিয়নো তেওঁলোকেও সেই বটগছজোপাৰ তলতে খেলা-ধুলা কৰি ডাঙৰ হৈছিল।

বটগছজোপাৰ ডালত বাঁহ সাজি বাস কৰা সৰু সৰু চৰাইবোৰে দুখত ভাগি পৰা শিশুসকলক দেখা পালে। চৰাইবিলাকে অনুমান কৰিলে যে নিশ্চয় কিবা বিপদজনক ঘটনা ঘটিবলৈ গৈ আছে।

“তোমালোক শিশুবিলাকে কিয় দুখ কৰি আছা?” শালিকাই সুধিলে।

কেৰ্কেটুৱাই কলে, “এই কথাটো ময়ো লক্ষ্য কৰি আছো যে আগৰ দৰে তোমালোকে হাঁহি ফুৰ্তি কৰি থকা নাই। নিশ্চয় কিবা বিপদ হবলৈ গৈ আছে।”

হঠাতে সেই চহৰৰ ব্যৱসায়ীৰ গাড়ী আহি ৰাজুহঁতৰ ঘৰৰ আগত ৰ’লহি। সেই ব্যৱসায়ীয়ে লগত কেইবাজনো লোক লৈ আহিছিল। তেওঁলোকে ডাঙৰ ডাঙৰ কৰত আৰু কুঠাৰ লৈ আহিছিল।

ৰাজুৰ দেউতাক সেই ব্যৱসায়ীৰ লগত থিয় হৈ আছিল। তেওঁক বৰ দুখী দেখা গৈছিল। অলপ সময়ৰ ভিতৰতে ওচৰে পাজৰে এই কথা বিয়পি পৰিল যে গছজোপা কাটিবলৈ সেই ব্যৱসায়ীয়ে কৰত আদি লৈ আহিছে।

ৰাজুৰ এজন বন্ধুৰ নাম আছিল বিধান। তেওঁ ৰাজুতকৈ দুবছৰে ডাঙৰ আছিল আৰু গতিকে অলপ কথা বুজি পোৱা বিধৰ আছিল। তাৰ মনত হঠাতে এটা বুদ্ধি খেলালে। তেওঁ সকলো বন্ধু-বান্ধৱীকে বুদ্ধিৰ কথা কলে।

ব্যৱসায়ীয়ে লগত লৈ অহা লোকসকলে বটগছজোপা কটাৰ আগতেই দীপা, ৰীমা, সোনা, পিংকি, নীতু, ভোলা, বাবলু আদি সকলোৱে তেওঁলোকৰ চুঙাত ভৰাই সাঁচি থোৱা টকা লৈ আহিল আৰু এখন কাপোৰত ৰাখি দিলে।

চকী এখনত বহি থকা ব্যৱসায়ীজনে

সকলো শিশুৱে চুঙাত ভৰাই থোৱা পইছা লৈ অহা দেখা পালে। কাৰোবাৰ চুঙাত আছিল পাঁচ টকা, কাৰোবাৰ পঞ্চাশ টকা, আন কাৰোবাৰ এশ টকা ইত্যাদি। সকলো গোটাই একেলগ কৰাত মুঠতে তিনিহেজাৰ মান টকা হ'ল।

''শিশুসকল, এইকেইটা টকাৰে মোৰ প্ৰয়োজন সম্পূৰ্ণ নহব।'' ব্যৱসায়ীজনে কলে।

''খুৰাদেউ, আপুনি অনুগ্ৰহ কৰি এই বটগছজোপা নাকাটিব। আমি এইদৰে গোটাই আপোনাক প্ৰতিমাহতে পইছা দি থাকিম।'' পইছাখিনি দি বিধানে কলে। তাৰপিছত সকলো শিশুৱেই তেওঁৰ আগত হাতযোৰ কৰি থিয় হৈ ৰ'ল।

শিশুসকলৰ এনে ব্যৱহাৰ দেখি ব্যৱসায়ীজনৰ মন গলি গ'ল। তেওঁ অলপ সময় ধৰি কিবা ভাৱিলে আৰু তাৰপিছত ৰাজুৰ দেউতাকৰ কান্ধত হাত থৈ কলে, ''গছজোপাৰ প্ৰতি এই শিশুসকলৰ মৰম দেখাৰ পিছত মই আৰু কাটিব নোৱাৰো। তেওঁলোকে পৰিৱেশক বৰ ভাল পায়। ভগৱানে সকলো শিশুৰে মংগল কৰক। তুমি মোক এতিয়া যিমানখিনি টকা দিব পাৰা দিয়া। বাকী টকা তুমি যেতিয়া দিব পাৰিবা তেতিয়া দিলেও হব। মই তাৰ বাবে সুত নলও।''

ৰাজুৰ দেউতাকে হাতযোৰ কৰি থিয় দি ৰ'ল।

উভতি যাবলৈ বুলি গাড়ীত উঠি বহাৰ পিছত ব্যৱসায়ীজনে গছজোপাৰ পৰা নানান ধৰণৰ চৰায়ে গীত গোৱা শুনিবলৈ পালে। কেৰ্কেটুৱাবিলাকে 'চিক চিক চি চি' কৈ চিঞৰি এটা ডালৰ পৰা আন এটা ডাললৈ জপিয়াই ফুৰিছিল।

ব্যৱসায়ীজনৰ এনে লাগিল যে সকলো চৰাই চিৰিকটিয়ে তেওঁক যেন গছজোপা নকটাৰ বাবে ধন্যৱাদহে জনাইছে।

ৰাজুৰ দেউতাকে সকলো শিশুকে উদ্দেশি কলে, ''শিশুসকল, তোমালোকেই আজি এই বটগছজোপাক ৰক্ষা কৰিলা। তোমালোকৰ এই ধাৰ মই কেতিয়াও সুজিব নোৱাৰো।''

তাৰপিছত সকলো শিশুৱে গছজোপাৰ তলত লগ হৈ নাচিবলৈ আৰু খেলিবলৈ ধৰিলে।



পঞ্চতন্ত্ৰৰ সাধু

দুষ্টবুদ্ধিয়ে অলপ দিনৰ ভিতৰতে নিজৰ ভাগৰ এশ মুদ্ৰা খৰচ কৰি পেলালে। এদিন তেওঁ ধৰ্মবুদ্ধিক লগত লৈ সেই স্থানলৈ গ'ল যি স্থানত তেওঁলোক সোণৰ মোহৰ পুতি থৈছিল। তাৰপিছত মুদ্ৰা খান্দি উলিয়াই দুয়োয়ে আকৌ এশ এশ মুদ্ৰা ভগাই ললে। বাকী মুদ্ৰা তাতে পুণৰ লুকুৱাই থৈ উভতি আহিল।

কিন্তু এবছৰ পাৰ হোৱাৰ আগতেই দুষ্টবুদ্ধিয়ে নিজৰ ভাগৰ এশ মুদ্ৰা খৰচ কৰি শেষ কৰি পেলালে। দুষ্টবুদ্ধিৰ মনত এই কথা খেলালে যে এইদৰে দুবাৰমান ধৰ্মবুদ্ধিক লগত লৈ ধন আনিবলৈ গলে তেওঁৰ এনে বোধ হব যে দুষ্টবুদ্ধি বিশ্বাসী। তাৰপিছত তেওঁ কোনোবাদিনা গৈ বাকী থকা গোটেইখিনি ধন লৈ আহিব। গাইপতি দুশ দুশ মুদ্ৰা লোৱাৰ পিছত কেৱল ছশ মুদ্ৰাহে বাকী থাকিল। তেওঁ সেই গোটেইখিনি ধন লৈ অনাৰ মানসেৰে মাজনিশা ধন লুকুৱাই থোৱা ঠাইলৈ গ'ল। তেওঁ কলহৰ পৰা ছশ মুদ্ৰা উলিয়াই লৈ খালী পাত্ৰটো আগৰ দৰেই ভালদৰে বান্ধি মাটিত পুতি থলে।

এমাহমান পাৰ হৈ গ'ল। দুষ্টবুদ্ধিয়ে ধৰ্মবুদ্ধিৰ ওচৰলৈ গৈ কলে, ''বন্ধু, বাকী থকা ধনো আমি লৈ আহোগৈ বলা।'' ধৰ্মবুদ্ধিয়ে বন্ধুৰ এই প্ৰস্তাৱ মানি ললে।

দুয়ো গৈ ধন পুতি থোৱা ঠাই পালেগৈ। যেতিয়া খান্দি কলহটো উলিয়াই আনিলে, দেখিলে যে তাত কোনো মোহৰ নাই। তাকে দেখি দুষ্টবুদ্ধিয়ে কলে, ''ধৰ্মবুদ্ধি, মই তোমাৰ পৰা এনে কাম আশা কৰা নাছিলো। তুমি মোক নোকোৱাকৈ ইয়াৰ পৰা গোটেইখিনি ধন লৈ গ'লা। তুমি মোক মোৰ ভাগ দি দিয়া। যদি নিদিয়া মই আদালতত গৈ তোমাৰ বিপক্ষে গোচৰ তৰিমগৈ।''

মিত্ৰ ভেদ – ২৭

‘‘মই বন্ধুক ঠগা বিধৰ লোক নহও। তুমি মোৰ ওপৰত এনেয়ে দোষ নিদিবা। মই তোমাৰ দৰে দগাবাজ নহও।’’ খং উঠাত ধৰ্মবুদ্ধিয়ে কলে।

দুয়োৰে মাজত এইদৰে কাজিয়া বৃদ্ধি হ’ল আৰু দুয়ো গৈ আদালত পালেগৈ। তেওঁলোক কোনোজনৰে সমৰ্থনত কোনো সাক্ষী নাছিল, সেইবাবে বিচাৰকে পাঁচদিন গোচৰৰ নিস্পত্তি নকৰি দুয়োজনকে কাৰাগাৰত ৰাখিলে।

ষষ্ঠদিনা বিচাৰকে কলে যে তেওঁ দুয়োজনৰে অগ্নি পৰীক্ষা লব। সেই কথাত দুষ্টবুদ্ধিয়ে আপত্তি কৰি কলে, ‘‘সেয়া ঘোৰতৰ অন্যায়। এনে অৱস্থাত অগ্নি পৰীক্ষা লোৱা উচিত নহয়, যেতিয়া দোষ প্ৰমাণ কৰিবৰ বাবে কোনো সাক্ষী বা দলিল থাকে। আমি যি ঠাইত ধন লুকুৱাই থৈছিলো, সেই ঠাইত এজোপা গছ আছিল। আমাৰ মাজত দোষী কোন সেই কথাত সেই বৃক্ষ দেৱতাই সাক্ষী দিব পাৰে। সেই সাক্ষী শুনাৰ পিছত আপুনি বিচাৰৰ ৰায় দিয়াটো উচিত হব বুলি মই ভাৱো।’’

বিচাৰকে দুষ্টবুদ্ধিৰ কথা মানি ললে। তেওঁ দুয়োকে জামানত দিলে আৰু পিছদিনা সেই বৃক্ষৰ ওচৰলৈ গৈ সাক্ষী লবলৈ থিক কৰিলে।

ঘৰলৈ গৈ দুষ্টবুদ্ধিয়ে নিজৰ পিতাকক কলে, ‘‘পিতা, ধন আচলতে ময়েই লৈ আহিছো। তুমি যদি এটা কাম কৰিব পাৰা, তেন্তে এই ধন আমাৰ হৈ পৰিব। মই তোমাক কালিলৈ পুৱা সেই বৃক্ষৰ ওচৰলৈ লৈ যাম। তুমি তাৰ খোৰোঙত লুকাই থাকিবা। বিচাৰকে বৃক্ষৰ তললৈ আহি যেতিয়া সাক্ষী দিবৰ বাবে অনুৰোধ কৰিব তেতিয়া তুমি এই কথা কবা



যে লুকুৱাই থোৱা ধন মনে মনে ধৰ্মবুদ্ধিয়ে লৈ গৈছে।''

এই কথা শুনি দুষ্টবুদ্ধিৰ পিতাকে কলে, ''পুত্ৰ, এনে কাম কৰিলে আমাৰ দুয়োৰে সৰ্বনাশ হব পাৰে। বিবেকশীল ব্যক্তিয়ে কোনো আঁচনি তৈয়াৰ কৰাৰ আগতে হেজাৰবাৰ চিন্তা কৰি চায়। নহলে বগলীৰ যি দশা হৈছিল তেনে হোৱাৰহে সম্ভাৱনা।''

''বগলীৰনো কি দশা হৈছিল?'' দুষ্টবুদ্ধিয়ে সুধিলে।

দুষ্টবুদ্ধিৰ পিতাকে বগলীৰ কাহিনী বৰ্ণনা কৰিবলৈ ধৰিলে–

এখন অৰণ্যত এজোপা বৰগছৰ খোৰোঙত এহাল বগলী দম্পত্তিয়ে বাস কৰিছিল। সেই গছজোপাত ঠিক তলতেই এটা গাঁতত এটা সাপে বাস কৰিছিল। এবাৰ বগলীয়ে পোৱালী জগোৱাৰ পিছত সাপে খোৰোঙলৈ বগাই আহি এটা পোৱালী খাই পেলালে।

ঘটনা দেখি মাইকী বগলীজনীয়ে মনৰ দুখতে পুখুৰী এটাৰ পাৰত বহি কান্দিবলৈ ধৰিলে। তাইক কান্দি থকা দেখি পুখুৰীৰ পৰা এটা কেঁকোৰা ওলাই আহি কলে, ''মামা, তুমি কিয় কান্দি আছা?''

''এটা দুষ্ট সৰ্প আমি বাস কৰা গছজোপাৰ তলতে বাস কৰে। আজি সি আমাৰ এটা পোৱালী খাই পেলালে। কালিলৈ বাকীকেইটা পোৱালীৰো একেই অৱস্থা হব। এনে দুখৰ কালত মই নাকান্দি কি কৰিম?''

কেঁকোৰাই কলে, ''চোৱা মামা, মই এটা বুদ্ধি দিও। তুমি এটা নেউলৰ গাঁত বিচাৰি উলিওৱা। তাৰপিছত তাৰ গাঁতৰ মুখৰ পৰা সাপৰ গাঁতৰ ওচৰলৈকে মাছৰ টুকুৰা থৈ দিয়া। নেউলে মাছৰ টুকুৰা খাই খাই আহি যেতিয়া সাপৰ গাঁতৰ মুখ পাব, তেতিয়া সাপক বধ কৰিব।''

কথামতেই কাম। মুৰ্খ বগলীয়ে নাভাৰি নুগুণি কেঁকোৰাৰ বুদ্ধিমতেই কাম কৰিলে। নেউলে আহি সাপক মাৰি পেলালে আৰু লগতে গছৰ খোৰোঙত থকা বাকী বগলী পোৱালীকেইটাকো মাৰি থৈ গুচি গ'ল।

(ক্ৰমশঃ)



বুদ্ধিয়ে কাম দিলে

এসময়ত বিশাখ নামৰ এজন ডেকা ল'ৰা আছিল। তেওঁ সৰুকালতেই পিতৃ-মাতৃক হেৰুৱাইছিল। তেওঁৰ মামাকে তেওঁক কিছুদিনৰ বাবে আশ্ৰয় দিলে।

কিন্তু মামাকৰো তেওঁক লালন-পালন কৰাৰ সামৰ্থ নাছিল। গতিকে এবাৰ সৰু কথা এটাতে খং কৰি তেওঁৰ ঘৰৰ পৰা উলিয়াই দিলে। ফলত, বিশাখ গৃহহীন হৈ পৰিল।

আন মানুহে মৰম আৰু দয়া কৰি যাঁচি দিয়া খাদ্য আদি খাই খায়েই বিশাখে জীৱন ধাৰণ কৰা আৰম্ভ কৰিলে।

এদিনাখন তেওঁ এনে কোনো লোক বিচাৰি নেপালে যি তেওঁক এমুঠি ভাত দিব পাৰে। সময় আগুৱাই যোৱাৰ লগে লগে তেওঁৰ ভোক বৃদ্ধি পাবলৈ ধৰিলে।

তেনেতে তেওঁ দেখিলে যে এজন আদহীয়ালোকে ওচৰৰে দোকানখনত কিবা কিনিবৰ বাবে জেপৰ পৰা টকা উলিয়াইছে। বস্তু কিনাৰ পিছত বাকী থকা টকা তেওঁ পুণৰ জেপত ভৰাই থলে। সেই টকা চুৰি কৰিবৰ বাবে বিশাখে তেওঁক অনুসৰণ কৰিবলৈ ধৰিলে।

কিছুমান ল'ৰাই এইদৰে চুৰ কৰা বিশাখে এসময়ত দেখিবলৈ পাইছিল। সি চিন্তা কৰিলে সিও অনায়াসে সেই কাম কৰিব পাৰিব।

সেই চিন্তা কৰি সি সেই আদহীয়া লোকজনক অনুসৰণ কৰি গ'ল। তেওঁলোক গৈ যেতিয়া এটা ব্যস্ত পথ পালেগৈ, সি সেই লোকজনৰ জেপত হাত ভৰাই পইছা উলিয়াই আনিবলৈ চেষ্টা কৰিলে।

কিন্তু মানুহজন বৰ সাৱধানী আছিল। তেওঁ গম পালে যে কোনোবাই তেওঁৰ জেপত হাত ভৰাইছে। তেওঁ লগে লগে

জি সুব্ৰমণ্য গৌড়

জেপত সোমাই থকা বিশাখৰ হাতখনত থাপ মাৰি ধৰিলে।

বিশাখে বৰ ভয় খালে। সি চিন্তা কৰিলে যে এতিয়া সকলো মানুহে গোট খাই তাক মাধমাৰ দিব। কিন্তু সেই মানুহজনে তেনে একো নকৰিলে।

সেই লোকজনৰ নাম আছিল কেশৱ। ''ডেকা ল'ৰা, তোমাৰ মা-দেউতা আছেনে? তুমি এই ডেকা বয়সতে কিয় চুৰ কৰিবলৈ আৰম্ভ কৰিছা?'' তেওঁ সুধিলে।

বিশাখে নিজৰ জীৱনৰ ঘাত-প্ৰতিঘাতৰ কথা বিৱৰি কলে। ''মহাশয়, আপুনি এজন দয়ালু লোক। মোক আপুনি অনুগ্ৰহ কৰি দুটা টকা দিয়ক যাতে মই আজিৰ দিনটো পাৰ কৰি দিব পাৰো।''

''মই তোমাক দুটা টকা অৱশ্যেই দিব পাৰো। সেয়া মোৰ বাবে বৰ ডাঙৰ কথা নহয়। কিন্তু তুমি যদি এইদৰে সদায়েই আনৰ পৰা সহায় মাগি থাকা, তেন্তে এদিন তুমি এটা স্বভাৱজাত ভিক্ষাৰী হৈ পৰিবা।'' এইবুলি কৈ কেশৱে বিশাখক এখন ডাঙৰ হোটেললৈ লৈ গ'ল।

''ডেকা ল'ৰা, তুমি যদি চুৰ কৰোতে ধৰা পৰা তেন্তে মানুহৰ মাজত এজন চুৰ হিচাপে পৰিগণিত হবা। তুমি কেতিয়াবা চুৰ নকৰিলেও মানুহে তোমাকেই সন্দেহ কৰিব। মানুহে তোমাক দয়া নকৰিব আৰু তোমাক মাৰ-ধৰ পৰ্যন্ত কৰিব। গতিকে মই তোমাক এই উপদেশ দিও যে তুমি জেপলুৰুকাৰ কাম বাদ দিয়া। তুমি আন কোনো কাম বিচাৰি লোৱা।''

তাৰপিছত দুয়োয়ে খাই খাই কথা পাতিবলৈ ধৰিলে। খোৱা শেষ হলত কেশৱ হাত ধুবলৈ গ'ল আৰু ঘূৰি নাহিল। তেওঁ হেনো হোটেলৰ কাউন্টাৰত কৈ থৈ গ'ল যে বিশাখ তেওঁৰেই ল'ৰা আৰু সি খোৱাৰ সকলোখিনি পইছা দিব।''

যেতিয়া বিশাখে এই কথা কলে যে তাৰ হাতত কোনো টকা-পইছা নাই হোটেলৰ গৰাকী সাগৰমলৰ বৰ খং উঠিল। ''খোৱা খাদ্যৰ বাবে তুমি এই হোটেলত দহদিন কাম কৰি দিব লাগিব।'' তেওঁ কলে।

বিশাখৰ ওচৰত আন কোনো পথ খোলা নাছিল। সি সেই হোটেলত দহদিন ধৰি কাম কৰিলে। প্ৰথমতে সি বাচন ধোৱাৰ দৰে কাম কৰিবলৈ অসুবিধা পাইছিল যদি অতি সোনকালেই তাৰ অভ্যাস গঢ়ি উঠিল।

দহদিনৰ পিছত, সি অনুভৱ কৰিলে যে কঠোৰ পৰিশ্ৰমে তাক জীৱন ধাৰণ কৰাত সহায় কৰিব। গতিকে দহদিন পাৰ হৈ যোৱাৰ পিছতো সি সেই হোটেলখনতে কাম কৰা অব্যাহত ৰাখিলে।

বিশাখে মনপুতি কাম কৰিলে আৰু সেই হোটেলৰ মালিকৰ বিশ্বাস জিকিবলৈ সক্ষম হ'ল। দহ বছৰৰ ভিতৰতে তেওঁ হোটেলখনৰ মেনেজাৰ হবলৈ সক্ষম হ'ল। তেওঁৰ উপাৰ্জন বৃদ্ধি হোৱাৰ লগে লগে তেওঁ পইছা সাঁচি এটা ঘৰ সাজিলে আৰু বিয়া বাৰু কৰি সুখেৰে জীৱন নিৰ্বাহ কৰিলে।

যি কি নহওক, ইয়াত এটা ঘটনা ঘটিছিল যিটোৰ বিষয়ে বিশাখে গমেই নাপালে। আচলতে কেশৱে তেওঁক ঠগা নাছিল। কেশৱে উপলব্ধি কৰিছিল যে বিশাখ এটা চোৰত পৰিণত হবলৈ গৈ আছে। গতিকে তেওঁ বিশাখক কিবা এটা কামত লগাব বিচাৰিছিল।

কেশৱে খোৱাৰ পইছা হোটেলখনত পৰিশোধ কৰিছিল। তেওঁ আঁচলতে হোটেলৰ মালিকৰ সহায় লৈ বিশাখৰ জীৱনলৈ পৰিৱৰ্তন আনিব বিচাৰিছিল।

কেৱল সেয়াই নহয়, খোৱাৰ টকাৰ ওপৰিও তাক নতুন কাপোৰ কিনি দিবলৈ কেশৱে হোটেলৰ মালিকক কিছু টকা দি গৈছিল। কেশৱৰ বুদ্ধিয়ে কাম দিলে আৰু বিশাখে নিজকে এজন সফল লোক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হ'ল।

এদিনাখন বিশাখে কেশৱক সেই হোটেললৈ অহা দেখিলে। তেওঁ হোটেলৰ মালিকৰ লগত এটা কোঠাত অকলে কিবা আলোচনা কৰি আছিল। কেশৱক দেখাৰ লগে লগে তাৰ খং উঠি আহিল।

সি কোঠাৰ বাহিৰৰ পৰা তেওঁলোকে পাতি থকা কথা শুনিবলৈ পালে। তেওঁ সকলো কথা জানিব পাৰি আঁচৰিত হ'ল। তেওঁ কেশৱৰ প্ৰতি কৃতজ্ঞতা বোধ কৰিলে আৰু কেশৱৰ ভৰিত ধৰি সেৱা কৰিলে।

যেতিয়া সমাজে বেয়া পথলৈ যোৱা ডেকাসকলক ভাল পথলৈ ওভতাই আনে, তেতিয়া তাৰ ভাল ফলো সমাজৰ সকলোৱেই লাভ কৰে।

এলেহুৱা

বহু দিনৰ আগতে এজন গুৰু আছিল আৰু তেওঁৰ ওচৰত শিক্ষা গ্ৰহণ কৰিবলৈ বহু দূৰৰ পৰা শিষ্য আহিছিল। এবাৰ গুৰুৰ ঘৰত ৰান্ধিবলৈ খৰি নাইকিয়া হ'ল। গতিকে শিষ্যসকলে কাষৰে হাবিখনত খৰি লুৰিবলৈ গ'ল।

তেওঁৰ শিষ্যসকলৰ মাজত এজন বৰ এলেহুৱা আছিল। তেওঁক বাধ্য নকৰোৱালৈকে তেওঁ একো কামতেই হাত নিদিছিল। তেওঁ কাম কৰিবলৈ বাধ্য হলেও কিদৰে কম কাম কৰি বাচিব পাৰে তাৰ চেষ্টা কৰিছিল। যিহেতু শিষ্যৰ সংখ্যা যথেষ্ট আছিল, গতিকে সেই এলেহুৱা শিষ্যই কিমাননো কাম কৰিছে তাক কোনেও জানিব নোৱাৰিছিল। এই বেয়া গুণক বাদ দি বাকী সকলো ফালৰ পৰাই সেই শিষ্য পাৰদৰ্শী আছিল। তেওঁ কাকো এই কথা জানিবলৈ নিদিছিল যে তেওঁ আচলতে এটা কামত পাল মৰা বিধৰ লোক।

হাবিৰ মাজত সোমাই সকলো শিষ্যই শুকান খৰি গোটাবলৈ ধৰিলে। এলেহুৱা শিষ্যই এইদৰে ইফালে সিফালে ঘূৰি ফুৰাটো ভাল হব বুলি নাভাৱিলে। তেওঁ ভাৱিলে এই হাবিত এজোপা নহয় এজোপা শুকান গছ পোৱা যাবই। অলপ দূৰ যোৱাৰ পিছত তেওঁ তেনে এজোপা গছ দেখা পালে। সেই গছজোপাত এখিলাও পাত নাছিল। গছৰ ছালো ক'লা পৰি গৈছিল। এলেহুৱা শিষ্যই ভাৱিলে যে সেই গছজোপা শুকাই আছে। গতিকে ইফালে সিফালে যোৱাৰ প্ৰয়োজন নাই।

আৰু ইন্দুমতী

'এই এজোপা গছ লৈ গলেই যথেষ্ট হব। কেইবাদিনলৈকে ব্যৱহাৰ কৰিব পৰা যাব।' এইদৰে ভাৱি তেওঁ গছৰ তলত শুই পৰিল। শুই উঠি তেওঁ লগৰীয়া কাকো ওচৰে পাজৰে দেখা নাপালে। ইতিমধ্যে যথেষ্ট সময় হৈছিল। তেওঁ বৰ ভয় খালে। তেওঁ অনুমান কৰিলে যে তেওঁৰ লগৰ শিষ্যসকলে নিশ্চয় খুৰি লুৰি গুচি গ'ল। তেওঁ কাষতে থকা গছৰ পৰা দুই-চাৰিটা ডাল ভাঙি ৰান্ধি ললে। খৰি হিচাপে সেয়াকে মূৰত তুলি লৈ তেওঁ আশ্ৰমলৈ উভতি আহিল। বাকীসকলো শিষ্য ইতিমধ্যেই আহি পাইছিল। তেওঁ অনা খৰি কেইডাল লগৰ শিষ্যসকলে অনা খৰিৰ লগত কোনেও ধৰিব নোৱাৰাকৈ থৈ দিলে। তেওঁ এই ভাৱি সন্তোষ লভিলে যে শেষত সকলো ঠিকে ঠাকেই হ'ল। তেওঁৰ ওপৰত কোনোৱে অভিযোগ কৰিব নোৱাৰিব।

সেইদিনা ৰাতি গুৰুৱে সকলো শিষ্যক কলে, ''কাষৰে গাওখনত এক যজ্ঞৰ আয়োজন কৰা হৈছে। আমাক সকলোকে তালৈ নিমন্ত্ৰণ কৰিছে। মই অলপ আগতেই যাম। তোমালোকে ৰাতিপুৱাই কিবা এটা খাই যাত্ৰা আৰম্ভ কৰিবা। যজ্ঞৰ বাবে দুপৰীয়া সময়ত তাত উপস্থিত হব পাৰিবা।'' গুৰুৰ এই কথা শুনি সকলো শিষ্য বৰ সুখী হ'ল।

ৰাতিপুৱা, গুৰুৰ পত্নীয়ে আগদিনা অনা খৰিৰে ভাত বনাবলৈ চৌকা জ্বলালে। কিন্তু সেই খৰি কেচা আছিল। এলেহুৱা শিষ্যই কেচা খৰি আনি ওপৰতে থৈ দিছিল। সূৰ্যোদয় হৈ গ'ল, কিন্তু ভাত নিসিজিলেই। সেইবাবে শিষ্যসকল উপযুক্ত সময়ত যজ্ঞত তৰ্পণৰ বাবে যাব নোৱাৰিলে। গতিকে কোৱা হয় যে এজনৰ কৰ্মৰ ফল শতজনে ভোগ কৰিবলগীয়া হয়। এইদৰে এজন এলেহুৱা শিষ্যৰ বাবে সকলো শিষ্যই ভোগ কৰিবলগীয়া হ'ল।

ভক্তিৰে সেৱা

মুকুণ্ডৰ পত্নী পাৰ্বতীয়ে তেওঁলোকৰ জীয়েকৰ বিয়াৰ কথা কৈ কৈ কুটুৰি আছিল। তাইৰ এটা ভতিজা আছিল আৰু তাৰ নাম আছিল ৰাম। ৰামৰ পৰিয়াল কৃষিৰ ওপৰতে নিৰ্ভৰশীল আছিল। তথাপিও পাৰ্বতীৰ ককায়েক অৰ্থাৎ ৰামৰ দেউতাকে তাক মল্লযুদ্ধ আৰু বক্সিংৰ শিক্ষা দিয়াইছিল। ৰামে প্ৰতিবছৰে তেওঁৰ কৌশল ৰাজসভাত প্ৰদৰ্শন কৰিছিল আৰু পুৰস্কাৰ হিচাপে কিছু ধন লাভ কৰিছিল।

''অনুগ্ৰহ কৰি মোৰ ককাইক লগ ধৰি কথা পাতা। যেতিয়া এজনী ছোৱালীক উপযুক্ত বয়সত বিয়া দি শহুৰৰ ঘৰলৈ প্ৰেৰণ কৰা হয়, তেতিয়া তাই এক সন্মানজনক জীৱন অতিবাহিত কৰিব পাৰে।'' পাৰ্বতীয়ে সদায়েই এইদৰে কৈ আছিল।

মুকুণ্ডই হয় বা নহয় একোৱেই নকলে। ৰামৰ ওপৰত তেওঁৰ বৰ ভাল ধাৰণা নাছিল। এজন মল্লযুজাৰু আৰু বক্সাৰ হিচাপে ৰাম বিখ্যাত হব পাৰে, কিন্তু জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় আৰু একো কামেই সি নিশিকিলে। তেওঁ দেউতাকক খেতি-বাতিৰ কামতো সহায় নকৰে বা নিজৰ কোনো ব্যৱসায়ো নাই।

''ৰামে আমাৰ ছোৱালীক কেনেকৈ সুখত ৰাখিব।'' মুকুণ্ডই সুধিলে।

পাৰ্বতীয়ে ৰামক লৈ বৰ গৰ্ব কৰিছিল। ''তাৰ কি নাই? তাক আনকি ৰজাইও ভাল পায়। সি প্ৰতিবছৰেই উৎসৱৰ সময়ত খেল দেখুৱাই সোণৰ পদক লাভ কৰে। আমাৰ সম্বন্ধীয় সকলৰ ভিতৰত তেনে প্ৰতিভাৱান আন কোনোবা আছে নেকি?''

পত্নীক তেওঁৰ মনৰ কথা কেনেকৈ বুজাব সেই কথা মুকুণ্ডই ভাৱি উলিয়াব নোৱাৰিলে।

এম ভি ভি সত্যনাৰায়ণ

প্ৰতিবছৰে সোণৰ পদক অৰ্জন কৰাৰ লগত জীৱন ধাৰণৰ বাবে উপাৰ্জন কৰাৰ কোনো সম্বন্ধ নাই। সি বছৰটো কেনেকৈ পাৰ কৰে? কেৱল খেলৰ অনুশীলন কৰিয়েই পাৰ কৰে নেকি? সি তাৰ নিজৰ পৰিয়ালক পোহ-পাল দিবৰ জোখাৰে যোগ্যনে? এইবিলাক প্ৰশ্ন তেওঁৰ মনলৈ আহি থাকিল।

"মই যদি ভতিজা ল'ৰাটোলৈ মোৰ ছোৱালীজনীক দিব নোৱাৰো, তেন্তে সেইখন ঘৰলৈ গৈ মই কেনেকৈ মুখ দেখুৱাম? এই সম্বন্ধৰ কথা কৈ কৈ সকলোৱেই কিমান যে আশা কৰে?" পাৰ্বতীয়ে কলে।

"তুমি বাৰু আমাৰ ছোৱালীজনীক সুধিছানে যে তাই তোমাৰ ভতিজাটোৰ লগত বিয়াত বহিব বিচাৰেনে?" মুকুণ্ডই সুধিলে। তাৰ লাহে লাহে খং উঠি আহিছিল।

পাৰ্বতীয়ে মুকুণ্ডৰ প্ৰশ্নত বৰ এটা গুৰুত্ব নিদিলে। তাই কলে যে এইবিলাক কথা ভৱাৰ কোনো দৰকাৰ নাই। তেওঁৰ জীয়েকে কি কয় সেয়া কোনো গুৰুত্বপূৰ্ণ কথা নহয়। তাই মুকুণ্ডক বিয়াখনৰ কথা গুৰুত্ব দি ভাৱিবলৈ কলে। তেওঁ লগতে কলে যে যদি দেৰী হয় তেন্তে আন কোনোবাই ৰামক বিয়াৰ প্ৰস্তাৱ দিব পাৰে। তেনে হলে তেওঁলোকে এটা বৰ সুন্দৰ সম্বন্ধ হেৰুৱাব।

হাতত আন একো উপায় নথকাত সেইদিনাই বিয়াৰ প্ৰস্তাৱ লৈ মুকুণ্ড তেওঁৰ পত্নীৰ ডাঙৰ ককায়েকৰ ঘৰলৈ যাত্ৰা কৰিলে।

যাত্ৰা কালত তেওঁ খন্তেক জিৰাবৰ বাবে এজোপা গছৰ তলত বহিল। গৰমৰ ফলত তেওঁ দুৰ্বল হৈ পৰিছিল। গছজোপাৰ তলত

তেওঁ পানীৰ পূৰ হৈ থকা দুটা কলহ আৰু পানী খাবৰ বাবে গছৰ পাতৰ পৰা তৈয়াৰী দুটা আন পাত্ৰ দেখিবলৈ পালে।

মুকুণ্ডই তাৰ পৰা পানী লৈ হেপাহ পলুৱাই খালে। তেওঁ এজন লোকে ভাৰ পাতি দুকলহ পানী লৈ অহা দেখিবলৈ পালে। আহি তেওঁ গছৰ তলত থকা পাত্ৰ কেইটা পানীৰে পূৰ কৰিলে। প্ৰচণ্ড গৰমতো তেওঁ এইদৰে পানীৰ পাত্ৰ দুটা নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে ভৰ্তি কৰি থাকে। তেওঁৰ বয়স প্ৰায় ৰামৰ সমানেই হব। কিন্তু এইদৰে সূৰ্যৰ প্ৰখৰ ৰদত পৰিশ্ৰম কৰি থকাৰ ফলত বৰণ অলপ কলা আছিল।

মুকুণ্ডই তেওঁক সুধিলে, "তুমি কোন বোপা?"

সেই যুৱকজনে হাতযোৰ কৰি কলে, "মই এজন খেতিয়কৰ সন্তান। কৃষিয়েই

মোৰ জীৱিকা। মই এইদৰে ইয়াত খোৱাপানীৰ ব্যৱস্থা কৰিছো যাতে আমাৰ গাৱঁলৈ অহা অতিথি পিয়াহত আতুৰ হবলগীয়া নহয়।

মুকুণ্ডই তেওঁক মৰমতে সাৱতি ধৰি কলে, ‘‘মই যদি ইয়াত পানী খাবলৈ নাপালোহেতেন তেন্তে সংজ্ঞা হেৰুৱাই পেলালোহেতেন। তুমি মোৰ জীৱন ৰক্ষা কৰিলা।’’

মুকুণ্ডই চিন্তা কৰিলে, ‘এই যুৱকজনক এই কাম কৰিবলৈ কোনেও দৰমহা দি ৰখা নাই। তেওঁ একো আশা নকৰি এই সেৱা কৰি আছে। কৃষিৰ পৰা হোৱা উপাৰ্জনতেই তেওঁ সুখী। তেওঁ পিতৃ-মাতৃৰ চোৱা চিতা কৰি তেওঁলোকৰ লগতেই বাস কৰে।’

তেওঁ সেই যুৱকজনৰ বিষয়ে সকলো কথা জানি ললে আৰু গৈ ৰামৰ ঘৰত উপস্থিত হ’ল। তেওঁ দেখা পালে যে তেওঁলোকৰ ঘৰৰ সকলো লোক অতি দূৰ্বল হৈ পৰিছে। মুখৰ ৰং হেৰুৱাই পেলাইছে। কিন্তু পিছফালৰ চোতালত অনুশীলন কৰি থকা ৰামক স্বাস্থ্যৱান দেখা গ’ল।

মুকুণ্ডই এনে হোৱাৰ কাৰণ জানিব বিচাৰিলে। ৰামৰ দেউতাকে তেওঁক কলে, ‘‘আমাৰ সকলো উপাৰ্জন কেৱল ৰামক খুৱাওতেই শেষ হয়। আমি প্ৰতিবছৰেই ৰজাৰ পৰা এটা বাৰ্তা লাভ কৰো যে ৰামে গৈ তেওঁৰ কৌশল দৰবাৰত প্ৰদৰ্শন কৰিব লাগে। গতিকে তেওঁক স্বাস্থ্যৱান কৰি ৰাখোতেই আমাৰ সকলো উপাৰ্জন শেষ হৈ পৰে।’’

সেইদিনা ৰাতি মুকুণ্ডই তেওঁলোকৰ ঘৰত নাথাকিল। আনকি তেওঁক তাত থাকিবৰ বাবে কোনেও জোৰো নকৰিলে।

মুকুণ্ডই সেই পানী যোগান ধৰা ডেকাজনৰ ঘৰ বিচাৰি উলিয়ালে আৰু তাতে থাকিল। তেওঁ তাত বৰ আদৰ সাদৰ লাভ কৰিলে। তেওঁ দেখিলে তেওঁলোকে সীমিত উপাৰ্জনেৰেই সুখেৰে জীৱন ধাৰণ কৰি আছে। তেওঁলোকৰ কোনো আক্ষেপ নাই!

পিছদিনা তেওঁ নিজৰ ঘৰলৈ উভতি আহিল। তেওঁ সিদ্ধান্ত কৰিলে যে সেই ডেকাজনলৈকে নিজৰ কণ্যাক বিয়া দিব। তেওঁ পত্নীয়েও এই সিদ্ধান্ত আনন্দৰে মানি ললে।



সঁচা কথা

বাদশ্বাহ আকবৰৰ দৰবাৰত বীৰবল নামৰ এজন বিদুষক আছিল আৰু তেওঁ আছিল বাদশ্বাহৰ পৰম মিত্ৰ। তানসেন আছিল দৰবাৰৰ গায়ক। তানসেনৰ সংগীত শুনিবলৈ দেশ-দেশান্তৰৰ পৰা লোক আহিছিল আৰু তেওঁলোক নিজৰ দেশলৈ উভতি গৈ গুণ-গান কৰিছিল।

প্ৰসিদ্ধ গায়ক হোৱা স্বত্বেও তানসেনৰ কোনো গৰ্ব নাছিল। কিন্তু বাকী মুছলমান সকলৰ এই বিশ্বাস আছিল যে তানসেনৰ সমান আন কোনো হব নোৱাৰে। কেৱল ইমানেই নহয়, তেওঁলোকে বাদশ্বাহ আকবৰক পৰামৰ্শ দিছিল যে বীৰবলৰ স্থানত তানসেনক নিযুক্তি দিব লাগে। এই কথা শুনাৰ লগে লগে আকবৰৰ খং উঠি আহিল। তেওঁ কলে, ''তোমালোকে যিমানেই নিচিঞৰা কিয়, বীৰবলৰ দৰে লোক এই পৃথিৱীত ক'তো বিচাৰি নোপোৱা।'' তেতিয়া বাকী লোকসকল মনে মনে থাকিল।

কিন্তু সেইসকল লোকে কিছুদিনৰ পিছত এখন সভা অনুষ্ঠিত কৰিলে। সেই সভালৈ বাদশ্বাহকো আমন্ত্ৰিত কৰা হ'ল। সেইদিনাখন বৰ গৰম আছিল। সেই সভাৰ সকলো চাকিতে তেল আছিল, কিন্তু অন্ধকাৰ হৈ অহা স্বত্বেও জ্বলোৱা হোৱা নাছিল। তাৰপিছত তানসেনে দীপক ৰাগ গোৱাৰ লগে লগেই সকলো চাকি জ্বলি উঠিল। তাৰপিছত তেওঁ মেঘমল্লাৰ ৰাগ গালে। গৰম কম হৈ পৰিল আৰু বৰষুণ হবলৈ ধৰিলে

তেতিয়া এজন বৃদ্ধ মুছলমানে কলে, ''হুজুৰ, এতিয়া নিশ্চয় আপুনি উপলব্ধি কৰিব পাৰিছে যে তানসেনে কেনেধৰণৰ কাম কৰিব পাৰে। সেইবাবেই সকলোৱে কয় যে তানসেন বীৰবলতকৈ বহু জ্ঞানী লোক।''

পি নাগেশ্বৰ ৰাও

মই বৰ্মাৰ ৰজাক সংগীত শুনাই বহু পুৰস্কাৰ লাভ কৰিব পাৰিম।''

কিন্তু বীৰবলে ভাবিলে, ''ইয়াত এক বৰ ডাঙৰ ৰহস্য আছে।''

তেওঁলোক গৈ বৰ্মা দেশ পালেগৈ। বৰ্মা দেশৰ ৰজাই তেওঁলোকক দৰ্শন দিলে।

তেওঁলোকে বৰ্মাৰ ৰজাৰ চিঠিখন দিলে। বৰ্মাৰ ৰজাই চিঠিখন পঢ়িলে। তাত লিখা আছিল, 'মই মোৰ দুজন সেৱকক এই চিঠিখন দি আপোনাৰ ওচৰলৈ প্ৰেৰণ কৰিছো। এক ভয়ংকৰ অপৰাধৰ বাবে এই দুয়োজনকে শাস্তি দিবলগীয়া হৈছে। এই কাম গোপনে কৰিবলগীয়া হোৱাৰ বাবে মই সিঁহতক আপোনাৰ ওচৰলৈ প্ৰেৰণ কৰিছো। আপুনি দুয়োজনকে মৃত্যুদণ্ড প্ৰদান কৰক।''

ৰজাই চিঠিখন পঢ়ি সেইখন মন্ত্ৰীৰ হাতত দিলে। মন্ত্ৰীয়ে সেইখন পঢ়ি ৰজাক পৰামৰ্শ দিলে, ''মহাৰাজ, ইহত দুয়োটাকে এক সপ্তাহৰ বাবে কাৰাগাৰত বন্দী কৰি ৰাখক। তাৰপিছত আপুনি যি দণ্ড দিব খোজে দিব।'' তাৰপিছত দুয়োকে হাতকেৰেয়া লগাই জেললৈ প্ৰেৰণ কৰা হ'ল।

ঘটনা দেখি তানসেন পাগলৰ দৰে হ'ল। তেওঁ বীৰবলৰ ফালে চাই কলে, ''এতিয়া কি কৰা যায়?'' তেতিয়া বীৰবলে তেওঁৰ কাণে কাণে কিবা এটা কলে।

এটা সপ্তাহ পাৰ হৈ গ'ল। জাল্লাদ আহি তেওঁলোকক ফাঁচী কাঠৰ ফালে লৈ গ'ল। তেনে সময়তে তানসেন আৰু বীৰবল দুয়োজনে 'প্ৰথমে মোক মৃত্যুদণ্ড দিয়া'

তেতিয়া আকবৰে কলে, ''সন্দেহ নাই যে তানসেন এজন মহান গায়ক, কিন্তু তেওঁ বীৰবলতকৈ জ্ঞানী আৰু বুদ্ধিয়ক হব নোৱাৰে। তোমালোকে যদি এই কথাৰ প্ৰমাণ চাব বিচাৰা তেন্তে মই এদিন প্ৰমাণ কৰি দেখুৱাম।''

কিছুদিনৰ পিছত বাদশ্বাহে বৰ্মা ৰাজ্যৰ ৰজালৈ এখন চিঠি লিখিলে। তাৰপিছত সেই চিঠিখনত ছীল মোহৰ লগাই বীৰবল আৰু তানসেনৰ হাতত দি কলে, ''তোমালোকে এই চিঠিখন লৈ বৰ্মা ৰাজ্যৰ ৰজাৰ ওচৰলৈ যোৱা। জৰুৰী কাম। তোমালোকৰ বাহিৰে এই কাম আন কোনোৱে কৰিব নোৱাৰে।''

চিঠিখন লৈ দুয়ো যাত্ৰা কৰিলে। তানসেনে এই কথা চিন্তা কৰি বৰ সুখী হৈ পৰিল। ''নিশ্চয় এইখন বৰ জৰুৰী চিঠি।

এইবুলি কাজিয়া কৰিবলৈ ধৰিলে। ঘটনা দেখি জাল্লাদে ৰজাৰ ওচৰলৈ গৈ কলে, ''মহাৰাজ, এই দুয়োজনেই বলিয়া যেন বোধ হৈছে।''

''কিয়?'' ৰজাই সুধিলে।

''দুয়োজনে 'প্ৰথমে মোক মৃত্যুদণ্ড দিয়া' বুলি কৈ কাজিয়া আৰম্ভ কৰিছে।''

তেতিয়া ৰজাই বীৰবল আৰু তানসেন দুয়োজনকে মাতি সুধিলে, ''তোমালোকে কিয় আগতে মৰিবৰ বাবে ইমান কাজিয়া কৰিছা?''

''মহাৰাজ, যদি আমি এই ৰহস্য ভেদ কৰো তেন্তে আমাৰ বহু লোকচান হব। সেইবাবে এই গুপ্তকথা আমি কব নুখোজো।''

''যদি সঁচা কথা নোকোৱা, তেন্তে মই তোমালোকক আজীৱনৰ বাবে কাল-কুঠৰীলৈ প্ৰেৰণ কৰিম।'' ৰজাই কলে।

তেতিয়া বীৰবলে উত্তৰ দিলে, ''মহাৰাজ, বহুদিনৰ পৰাই বৰ্মা ৰাজ্য আমাৰ ৰজাই নিজৰ ৰাজ্যত অন্তৰ্ভুক্ত কৰিবৰ বাবে আঁচনি পাঙি আছে। কিন্তু আপোনাৰ সৈন্যবাহিনী ইমানেই শক্তিশালী যে আক্ৰমণ কৰিবৰ বাবে ভয় খাই আছে। এবাৰ এজন জ্যোতিষীয়ে আহি আমাৰ ৰজাক কলে, ''বাহশ্বাহ, আপুনি চিন্তা নকৰিব। আপুনি কিবা এটাৰ আলম লৈ ৰাজ্যৰ দুজন ব্যক্তিক বৰ্মা ৰাজ্যলৈ প্ৰেৰণ কৰক। যদি বৰ্মাৰ ৰজাই তেওঁলোকক হত্যা কৰে তেন্তে প্ৰথমতে মৰাজন সেই দেশৰ ৰজা হব আৰু আনজন মন্ত্ৰী হব। তেতিয়া তেওঁলোক

আপোনাৰ অধীন হৈ পৰিব। তেনেদৰেই আপুনি সেই ৰাজ্য লাভ কৰিব পাৰিব। যুদ্ধ কৰি সেই ৰাজ্য লাভ কৰাটো সম্ভৱ নহব। গতিকে আমাৰ ৰজাই আমাক প্ৰেৰণ কৰিছে। হে মহাৰাজ, আমি আপোনাক এই গোপন কথা কোৱাৰ বাবে আমাৰ ৰজাই নিশ্চয় আমাক মৃত্যুদণ্ড দিব।''

কথা শুনি বৰ্মাৰ ৰজাই মন্ত্ৰীৰ ফালে চালে। মন্ত্ৰীয়ে তেতিয়া ধীৰ স্বৰত কলে, ''মহাৰাজ, আমিটো এওলোক দুজনে আগতে মৰিব খোজাৰ ৰহস্য ইতিমধ্যেই জানি পেলালো। যদি আমি ইঁহতক মৃত্যুদণ্ড দিও, তেন্তে আমি আমাৰ ৰাজ্য হেৰুৱাই পেলাম। তেওঁলোকক নিজৰ দেশলৈ উভতাই পঠোৱাই উত্তম কাম হব।''

মন্ত্ৰীৰ কথাত মান্তি হৈ বৰ্মাৰ ৰজাই

বীৰবলক কলে, ‘‘তোমাৰ ৰজাই তোমালোক দুজনক মৃত্যুদণ্ড দিবলৈ অনুৰোধ কৰি আমালৈ চিঠি লিখিছিল। তেওঁৰ এনে হুকুম পালন কৰিবৰ বাবে আমি তেওঁৰ তলতীয়া নহয়। নিৰ্দোষী লোকক মৃত্যুদণ্ড দিয়াৰ পাপ আমি কিয় লম।’’

তেতিয়া বীৰবলে কলে, ‘‘এয়া আপোনাৰ বাবে ঠিক হোৱা নাই। মই আপোনাক আগতেই কৈছিলো যে এই গুপ্ত কথা আপোনাৰ আগত কোৱাৰ কথা গম পালে আমাৰ ৰজাই আমাক সুদাই নেৰিব।’’

‘‘সেইবিলাক মোৰ বাবে দৰকাৰী নহয়। মই কিয় বাটৰ কচু গাত ঘঁহি লম। তোমালোক এই মুহূৰ্ততে এই দেশ এৰি গুচি যোৱা। নহলে মোৰ সৈন্যই তোমালোকক দেশৰ বাহিৰ কৰি থৈ আহিব।’’ ৰজাই কঠোৰ স্বৰেৰে কলে।

ভয় খোৱাৰ অভিনয় কৰি বীৰবলে কলে, ‘‘যি হুকুম মহাৰাজ।’’ এইবুলি কৈ তেওঁ তানসেনক লগত লৈ বৰ্মা ৰজাৰ ৰাজসভাৰ পৰা গুচি গ’ল।

তাৰপিছত তেওঁলোকে দিল্লীলৈ বুলি যাত্ৰা কৰিলে। কেইবাদিনৰ পিছত গৈ দিল্লী পালেগৈ।

তানসেনে দৰবাৰত বাদশ্বাহ আকবৰক দেখি কলে, ‘‘যদি বীৰবল মোৰ লগত নাথাকিলহেতেন, তেন্তে মই আজি আপোনাৰ সন্মুখত থিয় হৈ থাকিব নোৱাৰিলোহেতেন। বীৰবলৰ বুদ্ধিৰ বাবে আমাৰ দুয়োৰে প্ৰাণ ৰক্ষা পৰিল।’’ এইবুলি তানসেনে সম্পূৰ্ণ ঘটনা বিৱৰি কলে।

তাৰপিছত বাদশ্বাদে সেই সকলো মুছলমানলোকক মতাই আনিলে যি সকলে তানসেনক বীৰবলতকৈ অধিক উপযুক্ত বুলি দাবী কৰিছিল। তেওঁলোকক তানসেনে গোটেই ঘটনা বিৱৰি কলে। ঘটনা শুনি সকলোৱেই এই কথা মানি ললে যে বাদশ্বাহে বীৰবলৰ সম্পৰ্কে যি কৈছিল সেয়া সঁচা কথা।

তাৰপিছত বীৰবলৰ প্ৰতি থকা সকলোৰে ঈৰ্ষা নাইকীয়া হ’ল আৰু তেওঁৰ জ্ঞান আৰু বুদ্ধিমত্তাৰ আদৰ কৰিবলৈ ধৰিলে।



বুদ্ধিমত্তা

পুৰণি কালত যেতিয়া অৱন্তী বাৰ্মাই কাশ্মীৰ দেশত ৰাজত্ব কৰিছিল, তেতিয়া প্ৰতিবছৰে দেশত আকাল হৈছিল।

কাশ্মীৰ ৰাজ্য বহু ওখ ওখ পৰ্বতৰ মাজত অৱস্থিত আছিল। সেই পৰ্বতৰ পৰা নদী ওলাই তীব্ৰগতিৰে ভৈয়ামৰ ফালে গতি কৰিছিল। সেইবাবে প্ৰায়েই নদীত বান আহিছিল।

মহাপদ্ম হ্ৰদৰ পানীৰ পৰা বহু হেজাৰ বিঘা মাটিৰ খেতিলৈ জলসিঞ্চন কৰা হৈছিল। সেই মাটিত বহু ভাল ভাল ফচল উৎপাদিত হৈছিল। কিন্তু মানুহৰ ইমান বেছি সৌভাগ্য নাছিল যে প্ৰতিবছৰেই পৰিশ্ৰমৰ ফল লাভ কৰিব। কিয়নো সেই অঞ্চলৰ বিতস্তা নদীৰ বানে মহাপদ্ম হ্ৰদৰ পানী বৃদ্ধি কৰি তুলিছিল আৰু হ্ৰদৰ পানী বহু দূৰলৈকে বিয়পি পৰিছিল। এনে হোৱাৰ ফলত খেতি-বাতিৰ বহু অনিষ্ট হৈছিল।

অৱন্তী বাৰ্মা বৰ ধৰ্ম পৰায়ণ আছিল। তেওঁ ভাৱিছিল যে তেওঁৰ দোষৰ বাবে সকলো জনগণে দুখ ভোগ কৰিবলগীয়া হৈছে। তেওঁ নানা ধৰণৰ পুজা-পাতল কৰোৱালে, নানা দেৱ-দেৱীক উদ্দেশ্য কৰি যাগ-যজ্ঞও কৰোৱালে। কিন্তু এই সকলোবিলাকৰ পিছতো নদীত বান অহা বন্ধ নহ'ল।

এবাৰ এটা খবৰ আহি ৰজাৰ কাণত পৰিল। সূৰ্য নামৰ এজন ব্যক্তিয়ে মানুহৰ আগত এই কথা ঘোষণা কৰি ফুৰিছিল যে তেওঁ নদীৰ বান ৰোধ কৰিব পাৰে। এনে দাবী শুনি সকলোৱেই তেওঁক পাগল বুলি ভাৱিছিল আৰু লেই-লেই ছেই-ছেই কৰিছিল।

নদীৰ বান ৰোধ কৰাৰ বাবে অৱন্তী বাৰ্মাই যিকোনো কাম কৰিবলৈ ৰাজী আছিল। তেওঁ

কে যমুনা ভাই

সূৰ্যক মতাই পঠিয়ালে। ৰজাৰ আমন্ত্ৰণ লাভ কৰি সূৰ্য ৰজাৰ ওচৰ পালেহি।

‘‘মই শুনা পাইছো যে তুমি নদীৰ বান ৰোধ কৰি দুৰ্ভিক্ষ নাইকিয়া কৰিব পাৰিবা। এই কথা সঁচানে?’’ ৰজাই সুধিলে।

‘‘হয় মহাৰাজ, যদি নদীৰ বানক ৰোধ কৰা যায়, তেতিয়াহলে দুৰ্ভিক্ষ আপোনা-আপুনি নাইকিয়া হৈ পৰিব।’’ সূৰ্যই কলে।

‘‘কিন্তু নদীৰ বানক কেনেকৈ ৰোধ কৰা যায়? তুমি ৰোধ কৰিব পাৰিবানে?’’ ৰজাই সুধিলে।

‘‘হয় মহাৰাজ, মই নদীৰ বান ৰোধ কৰিব পাৰিম।’’ সূৰ্যই কলে।

‘‘যি কাম আমি কৰিব পৰা নাই, সেই কাম তুমি কেনেকৈ কৰিব পাৰিবা?’’ ৰজাই আঁচৰিত হৈ সুধিলে।

‘‘মহাৰাজ, এই কামৰ বাবে মোক ধনৰ প্ৰয়োজন হব। এই পৃথিৱীত এনে কাম কি আছে যাক পইছাই কৰিব নোৱাৰে।’’

‘‘ৰাজভঁৰালত যিমান ধন আছে সকলো দিয়া হব। কিন্তু নদীৰ বান ৰোধ কৰিব লাগিব।’’ ৰজাই কলে।

ৰজাৰ কথা শুনি মন্ত্ৰীয়ে বাধা দিব খুজিলে, কিন্তু ৰজাই মন্ত্ৰীৰ কথালৈ কাণেই নিদিলে। তেওঁ সূৰ্যক ৰাজভঁৰালত থকা সকলো ধন দিয়াৰ কথা দিলে।

সূৰ্যই ৰাজভঁৰাললৈ গৈ যিমান পাৰে সিমান ধন এখন কাপোৰত বান্ধি লৈ গুচি গ'ল। তেওঁক দেখি ৰাজপথৰ লোকে হাঁহি-খিখিন্দালি কৰি তেওঁৰ পিছ ললে। বহুলোকে জানিব পাৰিলে যে সূৰ্যই ৰজাৰ পৰা বহু পৰিমাণৰ ধন-ৰত্ন লৈ গৈছে। কোনোবাই ভাৱিলে যে সূৰ্যৰ লগতে ৰজাও পাগল হ'ল। কিন্তু সকলোৱেই এই কথা জানিবলৈ উত্ৰাৱল হৈ পৰিল যে ইমানখিনি ধনেৰে সূৰ্যই কৰিব কি?

প্ৰতিবছৰে বানৰ সৃষ্টি কৰি বহু শস্য নাশ কৰা বিতস্তা নদী ৰাজ্যৰ পৰা অলপ ভৈয়ামৰ অঞ্চলত দুটা ওখ পাহাৰৰ মাজেদি বৈ গৈছিল। বহু যুগ ধৰি সেই দুয়োটা পাহাৰৰ পৰা শিল আদি বাগৰি পৰি এখন শিলৰ সাঁকোৰ সৃষ্টি কৰিছিল। সেই সাকোঁৱেই নদীৰ সোঁত কমাই পেলাইছিল। এনে হোৱাৰ ফলত নদীৰ পানীৰ প্ৰৱাহত সমাস্যাৰ সৃষ্টি হৈছিল। এই কাৰণৰ বাবেই নদীত বান উঠিছিল আৰু হ্ৰদ পানীৰে ভৰি পৰি তাৰ কাষৰীয়া অঞ্চলসমূহ পানীৰে বুৰাই পেলাইছিল।

সূৰ্যই ধনৰ টোপোলা লৈ সেই ঠাই পালেগৈ। তেওঁৰ পিছে পিছে হেজাৰ হেজাৰ লোক আহিছিল। তেওঁ শিলৰ ওপৰেদি জপিয়াই নদীৰ সোঁমাজত থকা শিল এটাত উপস্থিত হ'ল। তেওঁ তাৰপিছত বহু ধন-ৰত্ন লৈ সেইবিলাক পানীত পেলাই পেলাই নদীৰ সিটো পাৰলৈ যাবলৈ ধৰিলে।

ঘটনা দেখি সকলো অবাক হ'ল। এই কথাৰ প্ৰমাণ হৈ পৰিল যে সূৰ্য সঁচাকৈয়ে পাগল। নহলেনো কোনোবাই ইমান মূল্যৱান ধন-ৰত্ন নদীৰ পানীত পেলাইনে? তেওঁক এনে কৰাৰ পৰা ৰখাবলৈও কাৰো সাধ্য নাছিল।

এইদৰে ধন-ৰত্ন পানীত পেলোৱা দেখি পাৰৰ লোকসকলৰ মাজত হৈ-চৈৰ সৃষ্টি হ'ল। কিছুমান লোকে পানীত নামি ধন-ৰত্ন বিচাৰিবলৈ ধৰিলে। কিছুমান লোকে ডাঙৰ ডাঙৰ বাহৰ টুকুৰা আনি শিলবিলাক বগৰাই তাৰ তলত ধন-ৰত্ন বিচাৰিবলৈ ধৰিলে।

অলপ সময়ৰ ভিতৰতে এই ঘটনাৰ কথা আশে পাশে থকা গাওঁবিলাকত বিয়পি পৰিল। হেজাৰ হেজাৰ লোক গোট খাই যুগ যুগ ধৰি পৰি থকা শিলবিলাক আঁতৰাই পাৰৰ ফালে লৈ গ'ল। তেওঁলোকক উৎসাহিত কৰিবৰ বাবে সূৰ্যই ৰাজভঁৰালৰ পৰা আৰু ধন-ৰত্ন লৈ গৈ সেই শিলবিলাকৰ মাজত ছটিয়াই দিলে।

সন্ধিয়া সময়লৈকে সকলোৱে শিলবিলাক পাৰলৈ তুলি তাত ধন-ৰত্ন বিচাৰি থাকিল। তেতিয়ালৈকে নদীৰ সেই শিলৰ সাকোঁৰ অস্তিত্বই নাথাকিল। সকলো শিল পাৰলৈ তুলি পেলোৱা হ'ল। নদীৰ পানী বিনা বাধাই বৈ যাব পৰা হ'ল। যিসকলে কষ্ট কৰিলে, সেইসকলে নদীৰ শিলৰ তলত ধন-ৰত্নও বিচাৰি পালে।

তাৰপিছৰে পৰা কাশ্মীৰত বান নহা হ'ল। ফলত দুৰ্ভিক্ষৰো নাম-গোন্ধ নাইকীয়া হ'ল। সকলো লোকেই সুখে সন্তোষে জীৱন নিৰ্বাহ কৰিবলৈ ধৰিলে।

ৰজাই সূৰ্যৰ বুদ্ধিমত্তা আৰু ৰাইজৰ পৰিশ্ৰম দুয়োটাৰে প্ৰশংসা কৰিলে। তেওঁক বহু পৰিমাণৰ ধন উপহাৰ দিয়া হ'ল।

ৰজাৰ গৰ্ব ভংগ

বহু দিনৰ আগতে মগধ দেশত চতুৰংগ নামৰ ৰজাই ৰাজত্ব কৰিছিল। তেওঁ দবা খেলাত অতি পাৰ্গত আছিল। দেশে-বিদেশে তেওঁৰ খ্যাতি বিয়পি পৰিছিল। বিখ্যাত বিখ্যাত দবা খেলুৱৈক তেওঁ হেলাৰঙে পৰাস্ত কৰিছিল।

ৰজাক পৰাস্ত কৰি পুৰস্কাৰ লাভ কৰাৰ আশাত সদায় নতুন নতুন খেলুৱৈয়ে তেওঁৰ লগত দবা খেলিবলৈ অহাত ৰজাৰ অশান্তি লাগিল। তাৰ পৰা পৰিত্ৰাণ পাবলৈ তেওঁ ঘোষণা কৰিলে, 'যিয়েই মোৰ লগত দবা খেলিবলৈ আহি পৰাস্ত হব, তাৰে শিৰচ্ছেদ কৰা হব।'

ৰজাৰ এনে ঘোষণা শুনাৰ পিছত দবা খেলুৱৈ অহাতো কিছু বন্ধ হ'ল। কোনোবা আহিলেও ৰজাই তেওঁৰ চৰ্তৰ কথা শুনাই দিয়ে আৰু তেওঁলোক নিজেই আঁতৰি যায়। কোনোজনে জেদ ধৰি খেলিলেও ৰজাৰ লগত পৰাস্ত হয় আৰু শিৰ কটা যায়।

এইদৰে কেইজনমানৰ শিৰ কটা যোৱাৰ পিছত ৰজাৰ লগত খেলিবলৈ কোনো খেলুৱৈ নহা হ'ল। ফলত ৰজাৰ দবা খেলাৰ অভ্যাস কমি আহিল।

সেইসময়ত কাবেৰী নদীৰ পাৰত এজন পণ্ডিতে বাস কৰিছিল। তেওঁ বৰ ভাল দবা খেলুৱৈ আছিল। তেওঁ কাৰোবাক দবা খেলি থকা দেখিলে প্ৰায়েই কৈছিল, 'এইদৰে খেলা, তেতিয়া কিছুদিনৰ পিছত ৰজাকো হৰুৱাব পাৰিবা।' সুবিধা পালে তেওঁ কেতিয়াবা নিজেই খেলি দেখুৱাই দিছিল।

তেওঁ যেতিয়া ৰজাৰ ঘোষণা শুনিলে, তেতিয়া তেওঁৰ বৰ খং উঠিল। তেওঁ চিন্তা কৰিলে, 'ৰজা বৰ গৰ্বী। দবা খেলাত

পি ৰাজেশ্বৰী

সুখনে জিকাত সুখ? যিকোনো খেলতে কোনো জিকিব আৰু কোনো হাৰিব। কেৱল হৰাৰ বাবে এইদৰে খেলুৱৈৰ শিৰচ্ছেদ কৰাটো উচিত কথা নহয়।'

তেওঁ ৰজাক শিক্ষা দিবলৈ থিক কৰিলে। ৰজাক লগ পাবৰ বাবে তেওঁ মগধ দেশ পালেগৈ। তেওঁ বহু চেষ্টাৰ মূৰত ৰজাৰ সাক্ষাৎ লাভ কৰিলে।

''মহাৰাজ, মই কাবেৰী নদীৰ পাৰত বাস কৰো। দবা খেলত আপোনাক কোনেও পৰাস্ত কৰিব নোৱাৰে বুলি জানি আপোনাৰ খেল চাবলৈ আহিছো।'' পণ্ডিতে কলে।

''দবা খেলিবলৈ মই বৰ ভাল পাও। কিন্তু খেলিবলৈ কোনো খেলুৱৈয়েই নাই। মই ঘোষণা কৰি ৰাখিছো যে কোনো খেলুৱৈ মোৰ লগত খেলি হাৰিলে সেইজনৰ শিৰচ্ছেদ কৰা হব। গতিকে মোৰ লগত খেলিবলৈ কোনো নাহে।'' ৰজাই কলে।

পণ্ডিতে কিবা ভাৱি কলে, ''যদি কথাটো তেনেকুৱাই তেতিয়াহলে মই আপোনাৰ লগত খেলি চাব বিচাৰো।''

''পণ্ডিত, তুমি ভালদৰে চিন্তা কৰি চাই লোৱা। কেনেবাকৈ মোৰ লগত হাৰিলে তোমাৰ শিৰ কটা যাব।'' ৰজাই কলে।

''মহাৰাজ, খেলাৰ আগতে মই এটা প্ৰশ্ন কৰিব বিচাৰো। অনুগ্ৰহ কৰি সেইটোৰ উত্তৰ দি মোৰ সন্দেহ নিবাৰণ কৰক।'' পণ্ডিতে কলে।

''কোৱা, তোমাৰ কি সন্দেহ আছে?

মই তাক নিশ্চয় দূৰ কৰিম।'' ৰজাই সুধিলে।

''আপুনি জিকিলে মোৰ শিৰচ্ছেদ হব। কিন্তু যদি মই জিকো, তেতিয়াহলে মই কি পাম?'' পণ্ডিতে সুধিলে।

''তুমি যদি খেলত জয়লাভ কৰা, তুমি যি বস্তুৱেই নিবিচাৰা কিয় মই তাক প্ৰদান কৰিম। কোৱা, তোমাক কি লাগিব?'' ৰজাই সুধিলে।

''যদি মই জিকো, তেতিয়াহলে আপুনি মোক ধান দিব লাগিব। কিন্তু সেই ধান দবাখেলৰ চৌষষ্ঠীটা ঘৰৰ হিচাপত দিব লাগিব। প্ৰথম ঘৰটোত এটা, দ্বিতীয় ঘৰত দুটা, তৃতীয় ঘৰত চাৰিটা, চতুৰ্থ ঘৰত আঠটা এইদৰে প্ৰতিটো পৰৱৰ্তী ঘৰত তাৰ আগৰ ঘৰৰ দুগুণ পৰিমাণ হিচাপ কৰি

দিব লাগিব। তাতোকৈ বেছি মোক আৰু একো নালাগে।'' পণ্ডিতে কলে।

''তুমি বৰ সৰল। মোক দবা খেলত পৰাস্ত কৰি তুমি কি কেইটামান ধান লাভ কৰিব বিচাৰা? মোৰ এনে লাগিছে যে তুমি জিকিম বুলি আশাই কৰা নাই।'' ৰজাই কলে।

''মহাৰাজ, মই একেটা খেলতে আপোনাক দুবাৰ হৰুৱাবলৈ সক্ষম।'' পণ্ডিতে কলে।

''তোমাৰ মতলব কি?'' ৰজাই সুধিলে।

''খেল শেষ হোৱাৰ পিছত আপুনি নিজেই বুজিব পাৰিব।'' পণ্ডিতে কলে।

পিছদিনাখন ৰজা আৰু পণ্ডিতৰ মাজত দবা খেলৰ আয়োজন কৰা হ'ল। সেই খেল চাবৰ বাবে বহু লোকৰ সমাগম হ'ল। সকলোৱে ভাৱিলে যে খেলত পণ্ডিত হাৰিব আৰু তেওঁ শিৰ ছেদ কৰা হব। পণ্ডিতৰ লগত দবা খেল ৰজাই বহু ভাৱি-চিন্তি খেলিলে। কিন্তু পণ্ডিতে ৰজাক হেলাৰঙে পৰাস্ত কৰিলে।

''মই পৰাজয় স্বীকাৰ কৰিলো। তুমি সঁচাকৈয়ে বৰ পাকৈত খেলুৱৈ। কিন্তু তুমি মোক কৈছিলা যে তুমি মোক একেটা খেলতে দুবাৰ পৰাস্ত কৰিবা। কিন্তু তুমি মোক এবাৰেই পৰাস্ত কৰিলা।'' ৰজাই সুধিলে।

''মহাৰাজ, প্ৰথমতে মোক দিম বুলি কথা দিয়া পুৰস্কাৰ প্ৰদান কৰক। তাৰপিছত আপোনাৰ মই দুবাৰ পৰাজিত কৰাৰ কথা বিৱৰি কম।'' পণ্ডিতে কলে। ৰজাই তেওঁৰ লগুৱাক কেইবস্তামান ধান আনিবলৈ কলে।

''মহাৰাজ, প্ৰথমতে এয়াটো হিচাপ কৰক যে আপুনি মোক কিমান ধান দিব লাগিব।'' পণ্ডিতে কলে।

ৰজাই অংকশাস্ত্ৰৰ পণ্ডিতক মতাই আনিলে। তেওঁলোকে আহি ৰজাক সুধিলে, ''মহাৰাজ, প্ৰথমটো ঘৰত কেইটা দানা ৰাখিব লাগিব?''

''এটা দানা।'' ৰজাই কলে। ৰজাৰ কথা শুনি অংকশাস্ত্ৰৰ পণ্ডিতে হাঁহি মাৰিলে। ৰজাই সোধাত তেওঁ কলে, ''মহাৰাজ, হিচাপমতে মুঠ দানাৰ পৰিমাণ হব–

১৮৪৪৬৭৪৪০৭৩৭০৯৫৫১৬১৫

ধানৰ দানাৰ পৰিমাণ শুনি ৰজাৰ চকু কপালত উঠিল।

"এতিয়া এই হিচাপ কৰক যে এই পৰিমাণৰ ধানেৰে কেইবস্তামান হব।" ৰজাই অংকশাস্ত্ৰৰ পণ্ডিতক কলে।

অংকশাস্ত্ৰৰ পণ্ডিতে এসেৰ ধান লৈ তাত থকা দানাৰ পৰিমাণ গণনা কৰি উলিয়ালে আৰু তাৰ পিছত হিচাপ নিকাচ কৰি কলে, "মহাৰাজ, আমি এই পণ্ডিতক আমাৰ ৰাজ্যত অহা দুই লাখ বছৰ পৰ্যন্ত যিমান ধান উৎপাদন হব সেই সকলো দিব লাগিব।"

এই কথা শুনি ৰজাই আশ্চৰ্যৰ সীমা নোহোৱা হ'ল। "দুবাৰ পৰাজিত কৰাৰ অৰ্থ তাৰমানে এইটোৱেই?" ৰজাই পণ্ডিতক সুধিলে।

"হয়, আপুনি কৈছিল যে মই একেবাৰে কম বিচাৰিছো। যদি মই হাৰিলোহেতেন, তেন্তে মোৰ শিৰ কটা গ'লহেতেন। কিন্তু মই জিকিলো আৰু মই বিচৰা বস্তু আপুনি কেতিয়াও মোক দিব নোৱাৰে।" পণ্ডিতে কলে।

"তোমাৰ ভাগ্য ভাল যে তুমি খেলত জিকিলা। হৰা হলে তোমাৰ শিৰ কটা গ'লহেতেন। এই কথা জানিও তুমি কিয় মোৰ লগত খেলিবলৈ সাহস কৰিলা?" ৰজাই কলে।

"মহাৰাজ, যেতিয়াই আপুনি এই কথা স্বীকাৰ কৰিলে যে মই বিচৰা ধৰণে মোক পুৰস্কৃত কৰিব, তেতিয়াই মই নিশ্চিত হলো যে আপুনি গণিতত বৰ পাৰ্গত নহয়। গতিকেই মই আপোনাৰ লগত দবা খেলিলো। যদি আপুনি মোক মই বিচৰা ধৰণৰ পুৰস্কাৰ দিবলৈ ৰাজী নহ'লহেতেন, তেন্তে মই বুজিলোহেতেন যে আপুনি গণিতত পাৰ্গত। তেনেক্ষেত্ৰত মই আপোনাৰ লগত দবা নেখেলিলোহেতেন।" পণ্ডিতে ব্যাখ্যা কৰিলে।

ৰজাই পণ্ডিতৰ পাণ্ডিত্যৰ শলাগ ললে আৰু পুৰস্কাৰ স্বৰূপে বহু ধন-ৰত্ন প্ৰদান কৰিলে। পণ্ডিতৰ লগত হৰাত ৰজাৰ গৰ্ব-ভংগ হ'ল আৰু তাৰপিছৰ পৰা সকলোৰে লগত পুণৰ দবা খেলা আৰম্ভ কৰিলে।



চোৰৰ ঠিকনা

ৰজা প্ৰসেনজিত শ্ৰাৱন্তী ৰাজ্যৰ ৰজা থকাৰ সময়ত দূৰ দেশৰ পৰা এজন ব্ৰাহ্মণ তেওঁ ৰাজধানী চহৰত থাকিবলৈ আহিল। তেওঁ সৌভাগ্যবশত এক ধনী ব্যৱসায়ীৰ ঘৰত আশ্ৰয় লাভ কৰিলে। বস্ত্ৰ আদিৰ ওপৰিও তেওঁ আন বহু বিধৰ বস্তু দান-দক্ষিণাৰ ৰূপত লাভ কৰিছিল। তেওঁ অকলশৰীয়া হোৱাৰ বাবে খৰচ একেবাৰেই কম আছিল। তেওঁ এইদৰে অতি কম দিনৰ ভিতৰতে এশ মোহৰ জমা কৰি পেলালে। সেই মোহৰক সুৰক্ষিত কৰি ৰাখিবলৈ তেওঁ জংঘলৰ মাজত সেই মোহৰ পুতি থলে। তেওঁৰ নিজৰ বুলিবলৈ কোনোৱেই নাছিল, সেইবাবেই তেওঁ তন মন সেই মোহৰখিনিতেই আছিল। তেওঁ প্ৰতিদিনেই জংঘললৈ গৈ মোহৰখিনি এবাৰকৈ চাই আহিছিলগৈ।

এদিন তেওঁ মোহৰখিনি চাই আহিবলৈ বুলি জংঘলৰ মাজলৈ গ'ল। কিন্তু মোহৰখিনি সেই ঠাইত নাছিল। কোনোবাই সেই মোহৰখিনি চুৰ কৰি গুচি গৈছিল। মোহৰ হেৰুৱাই ব্ৰাহ্মণ পাগল হোৱাৰ উপক্ৰম হ'ল। তেওঁ কান্দি কান্দি চহৰ পালেহি। যাকেই পালে তাকেই নিজৰ দুখৰ কথা বিৱৰি কলে। কোনেও বুজিব নোৱাৰিলে যে ব্ৰাহ্মণক কিদৰে সান্তনা দিয়া যায়।

'মই সকলো মোহৰ চুৰি হ'ল। এতিয়া মই জীয়াই থাকি কি লাভ আছে। মই নদীত জাপ দি আত্মহত্যা কৰাই উচিত হব।' এইদৰে গুণাগঠা কৰি ব্ৰাহ্মণে নদীৰ ফালে খোজ ললে।

ৰজা প্ৰসেনজিতে সেই সময়তে নদীত স্নান কৰিবলৈ আহিছিল। তেওঁ আত্মহত্যা কৰিব খোজা ব্ৰাহ্মণক লগ পাই তেওঁৰ পৰা গোটেই কাহিনী শুনিলে। তাৰপিছত তেওঁ

টি প্ৰসাদ ৰাও

কলে, ‘‘দেউ, তুমি কিয় আত্মহত্যা কৰিব লাগিছে। চোৰ যদি ৰাজ্যতেই আছে, তেনেহলে তাক মই নিশ্চয়কৈ বিচাৰি উলিয়াম। মই যদি তোমাৰ ধন চুৰ কৰা চোৰক বিচাৰি উলিয়াব নোৱাৰো, তেন্তে তোমাক এশ মোহৰ ৰাজভঁৰালৰ পৰা দি দিম। তুমি যি ঠাইত তোমাৰ মোহৰ পুতি থৈছিলা, সেই ঠাই বিচাৰি উলিয়াবৰ বাবে কিবা চিন আছে নেকি?’’

‘‘হে মহাৰাজ, মই যি ঠাইত মোহৰবিলাক পুতি থৈছিলো, সেই ঠাইত এজোপা বনৰীয়া হালধি গছ আছিল। এতিয়া তাত সেইজোপাও নাই।’’ ব্ৰাহ্মণে কলে।

‘‘বনৰীয়া হালধি কেনেকৈ চিন হব পাৰে? এনেধৰণৰ বনৰীয়া হালধি সেইঠাইত বহু থাকিব পাৰে।’’ ৰজাই কলে।

‘‘নহয় মহাৰাজ, তাত কেৱল এজোপা বনৰীয়া হালধিহে আছিল।’’ ব্ৰাহ্মণে ৰজাক কলে।

‘‘ঠিক আছে। তুমিযে তাত মোহৰ পুতি থৈছা, সেই কথা কিমান লোকে গম পাইছিল?’’ ৰজাই সুধিলে।

‘‘মহাৰাজ, মোৰ বাহিৰে সেই কথা আন কোনোৱেই গম নাপায়। মোৰনো আপোন বুলিবলৈ কোন আছে, যাক মই এই কথা কব পাৰো।’’ ব্ৰাহ্মণে দুখেৰে কলে।

ৰজাই মহললৈ গৈ সেই ঘটনাৰ বিষয়ে ভাৱিবলৈ ধৰিলে। চোৰক ধৰা পেলাবৰ বাবে তেওঁ এটা উপায় উলিয়ালে। তেওঁ প্ৰধানমন্ত্ৰীক মাতি কলে, ‘‘মন্ত্ৰী ডাঙৰীয়া, মোৰ গা ভাল লাগি থকা নাই। আপুনি সোনকালেই এই চহৰত থকা সকলো বৈদ্যক মাতি পঠাওক। মই মোৰ স্বাস্থ্যৰ বিষয়ে আলোচনা কৰিব খোজো।’’

অতি সোনকালেই চহৰৰ সকলো বৈদ্য আহি ৰাজমহলত উপস্থিত হ’লহি। ৰজাই এজন এজনকৈ ওচৰলৈ মাতি সুধিলে, ‘‘আজি আৰু কালি আপুনি কাৰোবাক কিবা দৰব দিছিল নেকি? সেই দৰবৰ বাবে কি কি বস্তু আৰু উদ্ভিদৰ ব্যৱহাৰ কৰা হৈছিল?’’

এই কথা সকলোৱে পৰা জানি লোৱাৰ

পিছত এজন এজনকৈ সকলোকে বিদায় দিলে। এই সকলো চকুৰ আগতে দেখিও মন্ত্ৰীয়ে একো বুজিব নোৱাৰিলে। শেষৰ জন বৈদ্যই কলে, ‘‘মহাৰাজ, কালি মই এজন ৰোগীক বনৰীয়া হালধিৰ ৰস দিছিলো।’’

কথা শুনি ৰজাই সুধিলে, ‘‘ঠিক আছে, তুমি জংঘলৰ ক'ৰ পৰা বনৰীয়া হালধিৰ গছ আনিছিলা?’’

‘‘মই আনিবলৈ যোৱা নাছিলো মহাৰাজ। মোৰ লগুৱাই জংঘললৈ গৈ হালধিৰ গছ বিচাৰি আনিছিল।’’ বৈদ্যই কলে।

‘‘ঠিক আছে, তুমি এতিয়া যাব পাৰা। তোমাৰ সেই লগুৱাক এবাৰ ৰাজসভালৈ পঠিয়াই দিবা।’’ ৰজাই কলে।

বৈদ্যৰ লগুৱা আহি ৰাজসভা পালেহি। তাক ৰজাই সুধিলে, ‘‘তই কালি বনৰীয়া হালধিৰ গছ আনিবলৈ যাওতে পোৱা এশ মোহৰ কি কৰিলি?’’

ৰজাৰ প্ৰশ্ন শুনি লগুৱাই বৰ ভয় খালে। সি কঁপি কঁপি কলে, ‘‘মহাৰাজ, সেই ধন মই মোৰ ঘৰত থৈ দিছো।’’

‘‘সেই ধন এজন ব্ৰাহ্মণৰ। তই সেই ধন উভতাই দে।’’ ৰজাই হুকুম দিলে। ৰজাক প্ৰণাম কৰি লগুৱা গুচি গ'ল।

এই সকলো ঘটনা দেখি থকা মন্ত্ৰীয়ে এই কথা বুজিব নোৱাৰিলে যে ৰজাই সেই ব্ৰাহ্মণৰ মোহৰৰ চোৰক কেনেকৈ চিনাক্ত কৰিলে। তেওঁ মনৰ খু-দুৰনি মাৰিবৰ বাবে ৰজাক সুধিলে, ‘‘মহাৰাজ, মই এই কথা বুজি নাপালো যে আপুনি কিদৰে ইমান

সহজতে চোৰ কোন সেই কথা নিৰূপণ কৰিলে।''

ৰজাই হাঁহি এটা মাৰি কলে, ''মন্ত্ৰী ডাঙৰীয়া, মই ব্ৰাহ্মণৰ পৰা যি তথ্য লাভ কৰিছিলো, তাক সঁচা বুলি ধৰি লৈ চোৰক বিচাৰি উলিয়াবৰ চেষ্টা কৰিছিলো। নগৰৰ লক্ষ জনতাৰ ভিতৰত যিকোনো এজনেই সেই চুৰি কৰিব পাৰে। ব্ৰাহ্মণে মোক কৈছিল যে তেওঁ ওচৰত থকা সেই মোহৰৰ বিষয়ে কোনেও গম নাপাইছিল। যদি কোনোৱে সেই ঠাইত ধন থকা বুলি গমেই নাপায় তেন্তে তাত কিয় খান্দিব? নিশ্চয় আন কাৰণ থাকিব লাগিব। ব্ৰাহ্মণে মোক আৰু কৈছিল যে তেওঁ এজোপা বনৰীয়া হালধিৰ তলত মোহৰখিনি পুতি থৈছিল। বনৰীয়া হালধিৰ গছ খন্দাজনেই নিশ্চয় সেই মোহৰ লৈ গৈছিল। কোনো লোকে সেই মোহৰ খান্দিবলৈ অহা হলে ধন লৈ সেই বনৰীয়া হালধিৰ গছ তাতে এৰি থৈ গ'লহেতেন। কিন্তু ব্ৰাহ্মণে কৈছিল যে মোহৰৰ লগতে কোনোবাই সেই হালধিৰ গছজোপাও লৈ গৈছিল। গতিকে মই চিন্তা কৰিলো যে সেই কাম কেৱল এনে লোকেহে কৰিব পাৰে যি বনৰীয়া হালধিগছৰ ব্যৱহাৰ কৰে। আমি সকলোৱে জানো যে বৈদ্যসকলে সেই গছ নানাধৰণৰ ঔষধ প্ৰস্তুত কৰাৰ বাবে ব্যৱহাৰ কৰে। এই কথা মোৰ মনলৈ অহাৰ লগে লগে মই চহৰৰ সকলো বৈদ্যকে মতাই আনিলো। সোধাপোচা কৰাত কোনজন বৈদ্যাই যোৱাকালি বনৰীয়া হালধিৰ গছৰ পৰা ঔষধ প্ৰস্তুত কৰিছিল সেই কথা ওলাই পৰিল। তেওঁ কলে যে তেওঁৰ লগুৱাই হাবিৰ পৰা বনৰীয়া হালধিৰ গছ সংগ্ৰহ কৰি আনিছিল। এই কথা শুনাৰ লগে লগে মই গম পাই গলো যে চোৰ কোন।''

ৰজা প্ৰসেনজিতৰ কথা শুনি প্ৰধানমন্ত্ৰীয়ে ৰজাৰ বুদ্ধিৰ নথৈ প্ৰশংসা কৰিলে।

দোষ নাপিতৰেই

বহু দিনৰ আগতে বাগদাদ চহৰত আলি নামৰ এটা নাপিত আছিল। সি বৰ বিখ্যাত আছিল। বাগদাদৰ ধনী মানী সকলো লোকেই আলিৰ হতুৱাই চুলি-দাড়ি কটোৱাইছিল।

এদিনাখন আলিৰ ঘৰত খৰি নাইকিয়া হ'ল। তেওঁ খৰিভাৰীৰ বাবে অপেক্ষা কৰি ৰাস্তাত ৰৈ থাকিল। অলপ সময়ৰ পিছতে এটা গাধৰ ওপৰত খৰি বোজাই কৰি অনা এটা খৰিভাৰী দেখিবলৈ পালে। আলিয়ে তাক মাতি সুধিলে, ''দৰদাম কৰি থাকিবলৈ মোৰ ওচৰত সময় নাই। তই কি পাঁচটা মুদ্ৰাত এই গাধৰ ওপৰত থকা সকলো খৰি মোক বিক্ৰী কৰিবি?''

বাগদাদত খৰিৰ মূল্য বহু বেছি আছিল। সহজতে খৰি পোৱা নগৈছিল। দুখীয়া খৰিভাৰীয়ে ভাৱিলে তেওঁ ভাল দামেই পাইছে। এই ভাৱি তেওঁ গোটেইখিনি খৰি পাঁচটা মুদ্ৰাৰ বিনিময়ত বিক্ৰী কৰিবলৈ ৰাজী হৈ গ'ল। তেওঁ গাধৰ ওপৰত লাদি অনা সকলো খৰি নমাই পাঁচটা মুদ্ৰা বিচাৰিলে।

''তই দেখোন গাধৰ পৰা গোটেইখিনি খৰি নমোৱাই নাই। গাধৰ ওপৰত থকা কাঠৰ জীনখনো নমা। সেইখনো কাঠৰ পৰা তৈয়াৰী। সেইফালৰ পৰা সেইখনো খৰিয়েই। মই গাধৰ ওপৰত থকা গোটেইখিনি খৰিৰ বাবদহে পাঁচ টকা দিছো।'' আলিয়ে কলে।

''এয়া কোনে কথা। মই পাঁচ টকাত তাৰ ওপৰত থকা সকলোখিনি খৰিহে বিক্ৰী কৰিছো। কাঠৰ জীনখন বিক্ৰী কৰা নাই।'' খৰিভাৰীয়ে কলে।

এইচ নাৰায়ণ মূৰ্তি

কথা শুনি আলিৰ খং উঠিল। তেওঁ খৰিভাৰীৰ গালত দুটা চৰ সোধালে আৰু খৰিৰ লগতে কাঠৰ জীনখনো ৰাখি পাঁচটা মুদ্ৰা দি পঠিয়াই দিলে।

খৰিভাৰীয়ে চৰ খাই পঞ্চায়তত গৈ অভিযোগ দাখিল কৰিলে। পঞ্চায়তৰ মুৰব্বীৰ দাড়ি-চুলি সদায় আলিয়েই কাটি দিছিল, সেইবাবে তেওঁ খৰিভাৰীৰ আপত্তি নুশুনিলেই।

উপায়বিহীন হৈ খৰিভাৰী উচ্চ পঞ্চায়তলৈ গ'ল আৰু তাত অভিযোগ দাখিল কৰিব খুজিলে। কিন্তু সেই পঞ্চায়তৰ মুৰব্বীও আলিৰেই গ্ৰাহক আছিল। তেৱোঁ সেই অভিযোগ গ্ৰহণ কৰিবলৈ ৰাজী নহ'ল।

'মোৰ সহায় কৰোঁতা কোনোৱেই নাই। এইদৰে সময় নষ্ট কৰি থকাতকৈ ঘৰলৈ যোৱাহে ভাল হব।' এইদৰে ভাৱি তেওঁ ঘৰলৈ বুলি খোজ ললে। ৰাস্তাতে তেওঁ এজন বৃদ্ধলোক লগ পালে। বৃদ্ধই তেওঁক সুধিলে, ''হেৰা, তোমাক বৰ দুখী দুখী যেন লাগিছে। কথা কি?''

বৃদ্ধৰ কথাত খৰিভাৰীয়ে নিজৰ দুখভৰা কাহিনী কৈ শুনালে।

''তুমি যদি খলিফাৰ ওচৰলৈ গৈ অভিযোগ কৰা তেন্তে ইয়াৰ উচিত বিচাৰ লাভ কৰিব পাৰা।'' বৃদ্ধই খৰিভাৰীক পৰামৰ্শ দিলে।

বৃদ্ধৰ উপদেশমতেই খৰিভাৰীয়ে গৈ দৰবাৰ পালেগৈ। অলপ সময় অপেক্ষা কৰাৰ পিছত তেওঁ খলিফাৰ সাক্ষাৎ লাভ কৰিলে। তেওঁ খলিফাক প্ৰণাম কৰিলে। তাৰপিছত তেওঁ সকলো কথা বিৱৰি কলে। খলিফাই তেওঁৰ অভিযোগ শুনি কলে, ''এই বিচাৰত আলিৰেই জয় হব। মই তোক এটা উপায় দিও, শুন।'' এইবুলি খলিফাই খৰিভাৰীৰ কাণে কাণে কিবা কলে।

কিছুদিন পাৰ হৈ গ'ল। সেই খৰিভাৰী গৈ আলিৰ ওচৰ পালেগৈ আৰু সুধিলে, ''মোৰ আৰু মোৰ বন্ধুৰ চুলি কটাব লাগিছিল। তুমি তাৰ বাবে কিমান লবা।''

''দুটা মুদ্ৰা পালে মই দুয়োজনৰে চুলি কাটি দিম।'' আলিয়ে কলে।

''ঠিক আছে। প্ৰথমতে মোৰ কাটি লোৱা।'' খৰিভাৰীয়ে কলে।

খৰিভাৰীৰ চুলি কটাৰ পিছত আলিয়ে তাক সুধিলে, ‘‘তোৰ বন্ধু ক’ত আছে?’’

‘‘বাহিৰত থাকিব পাৰে। মই গৈ লৈ আহোঁগৈ ৰবা।’’ এইবুলি খৰিভাৰীয়ে বাহিৰৰ পৰা তেওঁ গাধটোক ভিতৰলৈ লৈ আহিল।

‘‘এয়াই মোৰ বন্ধু। ইয়াৰ চুলি কাটি দিয়া।’’ খৰিভাৰীয়ে কলে।

‘‘কি? তই মোক গাধৰ চুলি কাটিবলৈ কৈছ?’’ আলিৰ খং উঠি আহিল। তেওঁ গাধৰ চুলি কটা কাম অপমানবোধক গণ্য কৰিছিল। তেওঁ খঙতে চিঞৰি উঠিল, ‘‘ইয়াৰ পৰা গুচি যা। নহলে তোক মই সুদাই নেৰিম।’’ আলিয়ে খৰিভাৰীক ধমক দি কলে।

লগে লগে খৰিভাৰীয়ে খলিফাৰ ওচৰলৈ গৈ আলিৰ বিৰুদ্ধে গোচৰ দিলেগৈ। অভিযোগ শুনি খলিফাই আলিক ধৰি আনিবৰ বাবে সৈনিক প্ৰেৰণ কৰিলে।

‘‘এই ব্যক্তিয়ে তেওঁ আৰু তেওঁৰ বন্ধুৰ চুলি কাটিবৰ বাবে বন্দবস্ত কৰিছিল। তই প্ৰথমতে মান্তি হৈ পিছত কিয় কৰিবলৈ অমান্তি হলি?’’

আলিয়ে খলিফাক প্ৰণাম কৰি কলে, ‘‘হুজুৰ, আপুনি শুদ্ধ কথাই কৈছে। কিন্তু এজন মানুহ আৰু এটা গাধ কেনেকৈ বন্ধু হব পাৰে। তাৰোপৰি নাপিতে এটা গাধৰ চুলি কটাৰ কথাটো অবান্তৰ কথা।’’

‘‘তোৰ কথা সঁচা। কিন্তু তই খৰি কিনাৰ পিছত এই খৰিভাৰীৰ পৰা তাৰ কাঠৰ জীনখনো কাঢ়ি লৈছিলি। সেই কথা কি অবান্তৰ নাছিল? গতিকে তই এতিয়া এই গাধৰ চুলি কাটি নিদিলে মই তোক কঠোৰ শাস্তি বিহিম।’’ খলিফাই কলে।

আলিয়ে উপায়বিহীন হৈ কেচী উলিয়াই লৈ গাধৰ চুলি কাটিবলৈ ধৰিলে। ঘটনা দেখি দৰবাৰত থকা সকলো লোকেই হাঁহিবলৈ ধৰিলে। তাৰ ভেম আৰু সন্মান মাটিৰ লগত মিলি গ’ল।

খৰিভাৰীয়ে খলিফাক ধন্যবাদ জনাই ঘৰ অভিমুখে ৰাওনা হ’ল।



জুৱাৰী কোন?

এটা সময় আছিল যেতিয়া হেলাপুৰ নগৰত জুৱাত পইছাৰ বাজী ধৰাটো অপৰাধ গণ্য কৰা হৈছিল। যদি কাৰোবাক জুৱাত পইছাৰ বাজী ধৰা অৱস্থাত পোৱা গৈছিল, তেওঁক কঠোৰ শাস্তি বিহা হৈছিল।

এবাৰ চাৰিটা জুৱাৰীক পাশা খেলি থকাৰ সময়ত গ্ৰেপ্তাৰ কৰা হ'ল। সিঁহতক নিম্ন আদালতত বিচাৰকৰ আগত হাজিৰ কৰা হ'ল।

''মহাশয়, মই তাত জুৱা খেলি থকা নাছিলো। মই মাত্ৰ খেল চাইহে আছিলো। মই ভগৱানৰ শপত খাই কৈছো।'' চাৰিটা মানুহৰ ভিতৰৰ এটাই কলে। বিচাৰকে তেওঁৰ কথা বিশ্বাস কৰিলে আৰু মুকলি কৰি দিলে।

''মহাশয়, মই আমাৰ ৰাজ্যৰ সেনাপতি মহোদয়ৰ সম্পৰ্কীয়। অনুগ্ৰহ কৰি এইবাৰৰ বাবে মোক ক্ষমা কৰক।'' দ্বিতীয় লোকজনে কলে। বিচাৰকে তেওঁকো মুকলি কৰি দিলে।

তৃতীয়জনৰ ক্ষেত্ৰত এই কথা গম পোৱা গ'ল যে তেওঁ বিচাৰকজনৰ এজন বন্ধুপুত্ৰ। গতিকে তেওঁক মুক্ত কৰি দিয়া হ'ল। তাৰপিছত বিচাৰকজনে খঙেৰে চতুৰ্থজনক সুধিলে, ''তুমি নাজানানে যে জুৱা খেলাটো নিষিদ্ধ। তোমাক তিনিমাহৰ সশ্ৰম কাৰাদণ্ড বিহা হ'ল।

লোকজনে উত্তৰ দিলে, ''মহাশয়, অনুগ্ৰহ কৰি মোক কবনে যে মই কাৰ লগত জুৱা খেলি আছিলো।''

এই প্ৰশ্নৰ উত্তৰ বিচাৰকৰ ওচৰত নাছিল। সেইবাবে চতুৰ্থজন লোকেও মুক্তি পালে।

– কে এন ভেংকট আনজানেয়ুলু

সাৱধানতা?

এজন খেতিয়কে তেওঁৰ চুবুৰীয়াৰ পৰা এটা মাটিৰ মলা ধাৰলৈ ললে। সেই মলা জুঁহালৰ ওপৰত ৰাখি জুই ধৰি থাকোতেই কৰবাৰ পৰা এটা মেকুৰী আহিল আৰু সেই পাত্ৰটো পেলাই ভাঙি পেলালে।

খেতিয়কে দুটুকুৰা হোৱা মলাটো আঠাৰে জোৰা লগাই চুবুৰীয়াৰ ওচৰলৈ লৈ গৈ কলে, "এয়া তোমাৰ মলা লোৱা।" চুবুৰীয়াই মলাটো জোৰা লগাই থোৱা দেখি সুধিলে, "এয়া কি?" খেতিয়কে কলে, "মই নাজানো।" এইবুলি কৈ তেওঁ ঘৰলৈ গুচি গ'ল।

চুবুৰীয়াই আদালতত গোচৰ তৰিলে। তাকে দেখি খেতিয়কে উকিলৰ পৰামৰ্শ ললে। উকিলে সকলো কথা শুনাৰ পিছত কলে, "যিবিলাক ঘটনা হ'ল সেইবিলাকৰ বাবে তোমাক দোষী সাব্যস্ত কৰিব পৰা নাযায়। কিয়নো এই গোটেই ঘটনাৰ কোনো সাক্ষী নাই। তুমি এই কথা কব পাৰা যে তুমি মলাটো ধাৰলৈ লোৱাৰ সময়তে সেইটো জোৰা লগোৱা আছিল। নতুবা তুমি কব পাৰা যে তুমি ঘূৰাই দিয়াৰ সময়ত সেইটো ঠিকেই আছিল, তাৰপিছততহে পৰি ভাঙিছে। বা এই কথাও কব পাৰা যে তুমি সেই মলাটো ধাৰলৈ লোৱাই নাছিলা।"

মলাটোৰ দাম কেৱল চাৰি টকাহে আছিল, তথাপিও খেতিয়কে উকিলক দহ টকা মাননি দিলে।

পিছদিনা আদালতত বিচাৰ হ'ল। খেতিয়কে বিচাৰকক কলে, "মহাশয়, মই সেই মলাটো ধাৰলৈ লোৱাৰ সময়তে জোৰা লগোৱা আছিল। এয়াও সম্ভৱ যে মই ঘূৰাই দিয়াৰ পিছত সেইটো ভাগিছেআৰু তক জোৰা লগোৱা হৈছে। সকলোতকৈ ডাঙৰ কথা এয়ে যে মই সেই মলা ধাৰলৈ লোৱাই নাছিলো।"

বিচাৰত খেতিয়ক দোষী সাব্যস্ত হ'ল আৰু তেওঁৰ বিশ টকা জৰিমনা হ'ল। খেতিয়কে এই কথা বুজিব নোৱাৰিলে যে উকীলৰ কথা সম্পূৰ্ণৰূপে পালন কৰাৰ পিছতো তেওঁ কিয় জৰিমনা দিবলগীয়া হ'ল। তেওঁ মনতে উকীলক গালি পাৰি পাৰি ঘৰলৈ উভতি গ'ল।



শিথিলালয় – ২৩

(শিখিমুখীয়ে জংঘলাক লগত লৈ যোৱা খচ্চৰৰ লগত ৰচীৰে বান্ধি আগুৱাবলৈ আদেশ দিলে। তেওঁলোক গৈ গৈ এখন নদীৰ কাষ পালেগৈ। তাত ঘটনাক্ৰমে এটা চিতাবাঘ জংঘলাৰ ওপৰত জপিয়াই পৰিল। যুঁজ-বাগৰ কৰি কৰি চিতা আৰু জংঘলা ঘাঁৰিয়ালেৰে ভৰি থকা নদীখনত পৰিলগৈ। সেই সময়তে নদীৰ আনটো পাৰৰ পৰা কাড় বৰষুণ পৰাদি পৰিবলৈ ধৰিলে। তাৰপিছত...)

নদীৰ আনটো পাৰৰ পৰা জংঘলা আৰু চিতালৈ লক্ষ্য কৰি কাড় বৰষুণ পৰাদি পৰিবলৈ ধৰা দেখি শিখিমুখীয়ে বিক্ৰমকেশৰীক সাৱধান কৰি দিলে। তেওঁৰ এই সন্দেহ হ'ল যে সেই কাড় নিক্ষেপ কৰি থকা জন জংঘলাৰ আন কোন বন্ধু নহয়, সেয়া নিশ্চয়কৈ শিথিলালয়ৰ পুজাৰীৰ দল হব লাগিব। সিঁহতে প্ৰথমৰে পৰাই তেওঁলোকৰ পিছ লৈ আহিছিল।

"বিক্ৰম, আমি নদীৰ পাৰৰ পৰা অলপ পিছুৱাই যোৱা ভাল হব। নদীৰ সিটো পাৰৰ পৰা কাড় নিক্ষেপ কৰি থকা সকল নিশ্চয় পুজাৰীৰ দল হব। আমি তেওঁলোকৰ কাড়ৰ সীমাৰ ভিতৰতে আছো। সাৱধান!" শিখিমুখীয়ে কলে।

শিখিমুখীৰ সাৱধান বাণী শুনি বিক্ৰমকেশৰী, অজিত আৰু বীৰভদ্ৰ নদীৰ পাৰৰ পৰা কিছু আঁতৰি আহিল। নদীৰ পানীৰ সোঁতৰ ফলত জংঘলা আৰু চিতা এটা আনটোৰ পৰা পৃথক হৈ পৰিল। জংঘলাই যেনে তেনে প্ৰাণ বচাই নদীখনৰ সিটো পাৰ পাবলৈ চেষ্টা কৰিবলৈ ধৰিলে। চিতাবাঘটো

দাসৰি সুব্ৰমন্যাম

পাৰিছানে? সিয়েই সবৰগীধ। সি হ'ল পুজাৰীৰ পৰম ভক্ত। তুমি ভালদৰে লক্ষ্য স্থিৰ কৰি তালৈ কাড় নিক্ষেপ কৰা যাতে তাৰ কলিজা ফুটা হৈ যায়।

শিখিমুখীৰ কথামতেই বিক্ৰমে কাড় নিক্ষেপ কৰিবৰ বাবে লক্ষ্য স্থিৰ কৰিবলৈ ধৰিলে। তাকে দেখি সবৰগীধে এখন ডাঙৰ ঢাল আগত ৰাখি তাৰ ওপৰেৰে মুৰ উলিয়াই কলে, "আৰে শিখিমুখী দেখোন। শবৰ নেতা শিৱালৰ পুত্ৰ। ক'ত শবৰ গাওঁ আৰু ক'ত ব্ৰহ্মপুত্ৰ নদীৰ ঘাটি। মৰিবৰ বাবে ইমান দূৰলৈ অহাৰ কি প্ৰয়োজন আছিল। তহতৰ এই চেষ্টা ব্যৰ্থ।"

সবৰগীধৰ কথা সম্পূৰ্ণ হবলৈ নাপাওতেই বিক্ৰমকেশৰীয়ে বাণ নিক্ষেপ কৰিলে। বাণ চো-চোৱাই গৈ ঢালখনৰ ওপৰভাগত লাগিলগৈ আৰু তললৈ সৰি পৰিল। সেই আঘাটত সবৰগীধ পিছুৱাই গ'ল আৰু কলে, "আৰে, তহতি মোৰ কথা শুনিছনে? এই ঢাল সাধাৰণ ঢাল নহয়। এই ঢাল পুজাৰীদেৱে মন্ত্ৰ মাৰি দিয়া ঢাল। এই ঢালৰ পিছফালে থকাজনৰ জীৱনৰ কোনো সংশয় নাথাকিব। শুনিলিনে?"

বিক্ৰমকেশৰীয়ে ধনুত আন এটা বাণ জুৰোতেই শিথিলালয়ৰ পুজাৰী আহি সবৰগীধৰ ওচৰ পালেহি।

তাকে দেখি শিখিমুখীয়ে বিক্ৰমকেশৰীক কলে, "বিক্ৰম, তুমি সবৰগীধক নহয়। পুজাৰীৰ ওপৰত লক্ষ্য স্থিৰ কৰা। আমি বাকীসকলৰ ঠিকনা লগাম।"

নদীৰ পানীৰ সোঁতত উটি যাবলৈ ধৰিলে। বাণৰ প্ৰকোপত ঘঁৰিয়ালবিলাক ইতিমধ্যেই কিছু দূৰলৈ আঁতৰি গৈছিল।

তেনে সময়তে নদীৰ সিপাৰত থকা এজোপা ডাঙৰ গছৰ আঁৰৰ পৰা এজন বিশাল আকৃতিৰ পুৰুষ ওলাই আহিল। তেওঁ কাঠেৰে নিৰ্মিত এখন ভুৰ ডাঙি আনি নদীত পেলাই দিলে। তেওঁৰ পিছে পিছে অহা আন দুজন লোকে সেই ভুৰখন উঠি ললে আৰু সেইখন চলাই জংঘলাৰ ফালে আগবাঢ়িবলৈ ধৰিলে। সিটো পাৰত ৰৈ থকা ব্যক্তিজনক দেখিয়েই শিখিমুখীয়ে চিনি পালে।

শিখিমুখীয়ে বিক্ৰমকেশৰীৰ ধ্যান আকৰ্ষিত কৰি সুধিলে, "বিক্ৰম, তুমি সেই পাৰত ৰৈ থকা মানুহটোক চিনিব

লগে লগে শিখিমুখী, অজিত আৰু বীৰভদ্ৰই হাতত ধনু তুলি ললে। সকলোৱেই আঠু কাঢ়ি লক্ষ্য স্থিৰ কৰিবলৈ ধৰিলে। তাকে দেখি পুজাৰী অলপমান পিছুৱাই গ'ল। তেওঁ তাৰপিছত অট্টহাস্য কৰিবলৈ ধৰিলে, ‘‘আৰে মুৰ্খহত। তহতৰ বাণ ইমান দূৰলৈ নাহে। তথাপিও যেতিয়া চেষ্টা কৰিব খুজিছ কৰ। মোৰ কোনো আপত্তি নাই।’’ তাৰপিছত তেওঁ লগত লৈ অহা জংঘলী ডকাইতবিলাকক ইংগিত দিলে।

ডকাইতবিলাকে লগে লগে ধনুত বাণ জুৰি শিখিমুখী আৰু তেওঁৰ দলৰ ওপৰত লক্ষ্য স্থিৰ কৰিলে। কিন্তু তেওঁলোকৰ বাণ নদীৰ পানীত পৰিল। শিখিমুখী আৰু তেওঁৰ দলে যি বাণ নিক্ষেপ কৰিলে, সেয়াও পুজাৰী আৰু তেওঁৰ দলৰ কাষ চাপিব নোৱাৰিলেগৈ। এইদৰে কেইবাৰমান চেষ্টা কৰাৰ পিছত দুই পক্ষই এই কথা বুজি উঠিলে যে ইমান দূৰৰ পৰা বাণ নিক্ষেপ কৰাৰ কোনো লাভ নাই।

শিখিমুখীয়ে তেওঁৰ দলক বাণ নিক্ষেপ কৰা বন্ধ কৰালে আৰু কলে, ‘‘আমি ঠিকেই অনুমান কৰিছিলো যে শিথিলালয়ৰ পুজাৰীয়ে আমাৰ পিছ লৈ আছে। সিঁহত আমাৰ আগতেই নদীৰ সিটো পাৰ পালেগৈ। ইয়াৰ অৰ্থ এই যে সিঁহতে গোলভৰা নামৰ গাৱলৈ গৈ তাৰপৰা বহু তথ্য জানি ললে।’’

‘‘মোৰো তেনেকুৱাই লাগিছে। সি বুদ্ধি কৰি জংঘলাক আমাৰ লগত লগ লগাই

দিলে যাতে সি আমাৰ হাতত থকা তথ্যও জানি লব পাৰে।’’ বিক্ৰমকেশৰীয়ে কলে।

‘‘এই সময়ত আমাৰ সন্মুখত এটা সমস্যা যে কোন প্ৰথমতে শিথিলালয়ত উপস্থিত হবগৈ। আমি ভাৱিছিলো যে গোলভৰা গাৱলৈ গৈ আমি শিথিলালয়ৰ তথ্য বিচাৰি উলিয়াম আৰু যদি শিথিলালয়ৰ পুজাৰী আমাতকৈ আগতেই গৈ তাত উপস্থিত হয় তেনেহলেও আমাৰ কোনো ক্ষতি নহব। তাক শিথিলালয়ৰ ওচৰে পাজৰে কৰবাত বন্দী কৰি তাৰ পৰা আমাক প্ৰয়োজন হোৱা তথ্য জানি লব পাৰিম আৰু তাক সিপুৰীলৈ প্ৰেৰণ কৰিম।’’ শিখিমুখীয়ে কলে।

নদীৰ সিটো পাৰৰ পৰা পুজাৰীৰ দল আৰু এই পাৰৰ পৰা শিখিমুখীৰ দলে

পৰস্পৰক খণ্ডেৰে চাই থিয় হৈ ৰ'ল। কোনো এটা দলেই আনটো দলৰ ক্ষতি কৰিব নোৱাৰিলে। শিখিমুখীহঁত তাতে অলপ সময় ৰৈ থাকিল। তাৰপিছত চিন্তা-চৰ্চা কৰি শিখিমুখীয়ে কলে, ''বিক্ৰম, আমি জংঘলাই উল্লেখ কৰা পাহাৰটোৰ ফালে যাত্ৰা কৰিম। গোলভৰা গাৱত উপস্থিত হোৱাৰ বাবে সেইটো ৰাস্তা দীঘল হলেও আমাৰ হাতত আন কোনো উপায় নাই। নদীখন ঘঁৰিয়ালেৰে ভৰি আছে আৰু সিপাৰত পুজাৰীৰ দলো আমাৰ অপেক্ষা কৰি আছে। গতিকে এই ঠাইত নদী পাৰ হবলৈ চেষ্টা কৰা বুদ্ধিমানৰ কাম নহব।''

শিখিমুখীৰ আদেশ লাভ কৰি সকলো যাত্ৰা কৰিবৰ বাবে সাজু হ'ল। সকলো সামগ্ৰী খচ্চৰৰ ওপৰত লাদি দি যাত্ৰা আৰম্ভ কৰিলে আৰু সন্ধিয়া হোৱাৰ সময়ত সকলো গৈ পাহাৰৰ ঘাটিত উপস্থিত হ'ল। তেওঁলোকে সন্মুখত এটা টিলা দেখা পালে।

শিখিমুখী আৰু বিক্ৰমকেশৰীয়ে আলোচনা কৰি এই ঠিক কৰিলে যে আন্ধাৰত সেই টিলা পাৰ হৈ যোৱাটো উচিত নহব। সেই টিলাৰ শিলৰ মাজত লুকাই আন্ধাৰৰ সুবিধা লৈ পুজাৰী আৰু তাৰ দলে আক্ৰমণ কৰাৰ সম্ভাৱনা নথকা নহয়।

ৰাতিৰ দ্বিতীয় প্ৰহৰৰ সময়লৈকে সকলোৰে ভোজন আদি কৰি সমাপ্ত কৰিলে। তেওঁলোকে জুই নধৰিলে। কিয়নো জুই ধৰিলে দূৰৰ পৰাই পুজাৰীৰ দলে তেওঁলোকৰ অৱস্থানৰ বিষয়ে উমান পাব। লগতে তেওঁলোকে এজনৰ সলনি একেটা সময়ত দুজন দুজন ব্যক্তিয়ে পহৰা দিয়া সিদ্ধান্ত কৰিলে।

প্ৰথমতে পহৰা দিয়াৰ ভাৰ পৰিল অজিত আৰু বীৰভদ্ৰৰ। আধা ৰাতি পৰ্যন্ত দূৰত জংঘলী জন্তুৰ চিঞৰ শুনা গ'ল। কিন্তু তেওঁলোকে মানুহৰ কোনো মাত-কথা শুনা নাপালে। তাৰ পৰিৱৰ্তে নদীৰ দিশৰ পৰা তেওঁলোকে বিচিত্ৰ ধৰণৰ শব্দ শুনিবলৈ পালে। অজিত আৰু বীৰভদ্ৰই ভাৱিলে যে হয়তো আহাৰৰ বাবে ঘঁৰিয়ালে নিজৰ মাজতে কাজিয়া কৰিছে। কিন্তু লাহে লাহে সেই শব্দ বেছি হৈ যাবলৈ ধৰিলে। গতিকে অজিত আৰু বীৰভদ্ৰই তৰোৱাল উলিয়াই

CHITRA.

লৈ সতর্ক খোজেৰে নদীৰ ফালে যাবলৈ ধৰিলে।

আন্ধাৰৰ মাজত চিলমিলকৈ তেওঁলোকে সেই নদীত কোনো মানৱাকৃতি দেখিবলৈ পালে। এনে বোধ হৈছিল যে ভুৰত উঠি শত্রু নদী পাৰ হৈ আহিবলৈ ধৰিছে। নদীৰ পানীত বঠা চলোৱাৰ শব্দও অলপ অলপ কাণত পৰিছিলহি।

অজিত আৰু বীৰভদ্ৰই ভাৱিলে যে বিপদ আহি দুৱাৰমুখ পালেহি। তেওঁলোকে শিখিমুখী আৰু বিক্রমকেশৰীক সাৱধান কৰি দিবৰ বাবে দৌৰ দিলে। তেনেকুৱাতে তেওঁলোকৰ ওপৰত কোনোবাই এক জাল নিক্ষেপ কৰিলে। তেওঁলোক দুয়ো জালত বন্দী হৈ পৰিল। জালৰ পৰা মুক্ত হবলৈ চেষ্টা কৰাত আৰু টানকৈহে লাগি ধৰিল।

এই ধৰণৰ জাল জংঘলত হৰিণা আদি ধৰিবৰ বাবে ব্যৱহাৰ কৰা হয়।

জালত বন্দী হোৱাৰ পিছত অজিত আৰু বীৰভদ্ৰই চিঞৰি শিখি আৰু বিক্রমক সাৱধান কৰি দিবৰ বাবে চিঞৰ মাৰিবলৈ লওতেই দুখন হাতে তেওঁলোকৰ মুখ বন্ধ কৰি পেলালে। চিঞৰ মৰাতো বাদেই, উশাহ-নিশাহ লবলৈকো তেওঁলোকৰ কষ্ট হ'ল।

"চিঞৰিবলৈ চেষ্টা নকৰিবা। তোমালোকৰ দুই নেতাক আমি ইতিমধ্যেই বন্দী কৰিছো।" এটা কণ্ঠই খঙেৰে কলে। তেনেতে তাত আৰু দুজন জংঘলী আহি উপস্থিত হ'ল।

অজিত আৰু বীৰভদ্ৰই দেখিলে যে তেওঁলোকক বন্দী কৰা জংঘলী জাতিয়ে হাতীৰ ছাল পৰিধান কৰি আছে। তাৰ অৰ্থ হ'ল যে এইসকল লোক শিথিলালয়ৰ পুজাৰীৰ দলৰ নহয়। কিন্তু এইলোকে কোৱাৰ দৰে সঁচাকৈয়ে শিখিমুখী আৰু বিক্রমকেশৰী বন্দী হ'ল নেকি?

পিছমুহূৰ্ততে শিখিমুখীহত শুই থকাৰ ফালৰ পৰা লাল কুকুৰ আৰু বহু লোকৰ মাত শুনিবলৈ পোৱা গ'ল। তেওঁলোকে কিছুসময়ৰ বাবে সেই মাত-কথা বিলাক শুনি থাকিল আৰু অলপ পিছতে নিৰৱ হৈ পৰিল। তেনেতে এটা জংঘলীয়ে চিঞৰ মাৰি কলে, "ইহতকো ইয়ালৈ লৈ আহ।"

কথামতেই তেওঁলোকক এডাল লাঠিৰে ভাৰ পাতি সেই ঠাইলৈ লৈ যোৱা হ'ল। তেওঁলোকে

অত দেখিলে যে শিখিমুখী আৰু বিক্ৰমকেশৰীৰ হাত বান্ধি ৰখা হৈছে। দুটা জংঘলীয়ে তেওঁলোকক বান্ধি থোৱা ৰছীৰ আনকেইটা মূৰ ধৰি ৰৈ আছে। লাল কুকুৰকো একেধৰণৰ জালত পেলাই বন্দী কৰা হৈছিল।

"ইহত দুয়োটাকো জালৰ পৰা উলিয়াই ৰছীৰে হাত বান্ধি পেলা। কুকুৰটোক জালতে থাকিবলৈ দে আৰু জালখন এডাল লাঠিত ভাৰ পাতি লৈ আহ। সাৱধান, সেই কুকুৰে ইতিমধ্যেই আমাৰ দুটা অনুচৰৰ ডিঙিত কামুৰিছে।" এটা জংঘলীয়ে বাকীবোৰক আদেশ দিলে। সি দলটোৰ নেতা আছিল।

"হুজুৰ, আমি এই খচ্চৰবিলাক কি কৰিম?" এটা জংঘলীয়ে সিঁহতৰ নেতাক সুধিলে।

"সেইকেইটা আমি আমাৰ কুলৰ নেতাক উপহাৰ দিম। এই অঞ্চলত ইমান ভাল প্ৰজাতিৰ খচ্চৰ পোৱা নাযায়।" জংঘলীবিলাকৰ দলৰ নেতাই উত্তৰ দিলে।

তেতিয়ালৈকে শিখিমুখী চুপে-চাপে আছিল। সকলো কথা শুনি তেওঁ গৰজি উঠিল, "আমি এই কথা নাজানো যে তোমালোক কোন। আমি আমাৰ নিৰুদিষ্টমহাৰাজক বিচাৰি এই প্ৰদেশলৈ আহিছো। আচম্বিতে তোমালোকে আমাৰ ওপৰত চোৰৰ দৰে আক্ৰমণ কৰি বন্দী কৰিলা। ইয়াৰ ফল তোমালোকে এদিন নিশ্চয় ভুগিব লাগিব।"

"আৰে ভাই। এই কথা মোক কৈ লাভ নাই। আমাৰ কুলৰ নেতাৰ আগত তুমি কবা। মই মাত্ৰ মোৰ কৰ্তব্যহে কৰিছো। কালীমাতাৰ আগত বলি দিয়াৰ আগতে তোমালোকক নিশ্চয় কবলৈ সুযোগ দিয়া হব।" এই কথা কৈ জংঘলীবিলাকৰ দলৰ নেতাই অট্টহাস্য কৰি উঠিল।

"আমাৰে ভাগ্য ভাল যে তহতে কি উদ্দেশ্য লৈ ইয়ালৈ আহিছ সেই কথা আমি আগতেই গম পাই গলো। আমি এই কথাও শুনা পাইছো যে তহত বৰ বিপদজনক লোক। তহতে ভাৱি থকাৰ কথা সঁচা। আমি হলো ইম্যু জাতিৰ লোক। এতিয়া চুপে-চাপে আমাৰ পিছে পিছে আহি থাক।" এইবুলি কৈ জংঘলী দলৰ নেতাই বাকী সকলোকে যাত্ৰা আৰম্ভ কৰিবৰ বাবে আদেশ দিলে।

সকলো গৈ নদীৰ কাষ পালেগৈ। তাত আগৰে পৰাই কেইবাখনো ভুৰ যোগাৰ কৰি ৰখা হৈছিল। সকলো নদী পাৰ হৈ ৰাতিপুৱাৰ সময়ত গোলভৰা গাৱঁ পালেগৈ। বন্দী কৰি নিয়া শিখিমুখী, বিক্ৰমকেশৰী আৰু তেওঁলোকৰ অনুচৰ অজিত আৰু বীৰভদ্ৰক চাবলৈ গাৱঁৰ সকলো লোক পদুলিলৈ ওলাই আহিল। তেওঁলোকে বন্দী কেইজনক দেখা পাই বিচিত্ৰ ধৰণৰ অভিব্যক্তি কৰিবলৈ ধৰিলে। সেই গাৱঁৰ ঠিক সোঁমাজতে ঘূৰণীয়া আকৃতিৰ এটা ঘৰ আছিল। সেই ঘৰৰ কাষ পোৱাৰ লগে লগে জংঘলীদলৰ নেতাই বাকীসকলক বাহিৰতে অপেক্ষা কৰিবলৈ গৈ বন্দী কেইজনক লৈ ভিতৰলৈ সোমাল।

সেই ঘৰৰ ভিতৰতে ইম্যু জাতিৰ নেতা বহি আছিল। তেওঁ বেছ বৃদ্ধ হৈ পৰিছিল। বহল মুখ, ডাঙৰ ডাঙৰ চকুৰে তেওঁ দেখাত ভয়ংকৰ আছিল। তেওঁ পিছফালে ইম্যু জাতিৰ পুজাৰী থিয় হৈ আছিল। নেতাৰ কাষত এখন ধাৰিত বহি আছিল শিথিলালয়ৰ পুজাৰী।

"পুজাৰী ঠগ ইয়াত উপস্থিত আছে। আঁচৰিত হবলগীয়া কথা।" শিখিমুখীয়ে পৰিহাসপূৰ্ণ স্বৰেৰে কলে।

"তোমালোকক শিথিলেশ্বৰীৰ আগত বলি দিয়া হব। গতিকেই মই ইয়ালৈ আহিছো।" পুজাৰীয়ে দাত উলিয়াই হাঁহি মাৰি কলে।

"প্ৰথমতে কালীমাতাৰ বাবে ইহতক বলি দিবলৈ দে। তাৰপিছত তই সেই জুঠা প্ৰসাদ তই যি কৰ কৰিব পাৰিবি। বুজিলি?" এইদৰে কৈ ইম্যু জাতিৰ পুজাৰীয়ে শিথিলালয়ৰ পুজৰীৰ ফালে ক্ৰোধভৰা দৃষ্টিৰে চালে।

"তোমালোক শান্ত হোৱা।" ইম্যু জাতিৰ নেতাই কলে। তাৰপিছত তেওঁ বন্দী অৱস্থাত থকা শিখিমুখীহতৰ ফালে চাই কলে, "মই তোমালোক চাৰিজনকে বলি দিব বিচৰা নাই। কোৱা, তোমালোকৰ নেতা কোন? কেৱল তেওঁকেই বলি দিয়া হব। বাকী লোকসকলক মুক্তি দিয়া হব।"

(আগলৈ)

অহ কাছ! তুমি আকৌ জিকিলা

এটা শহাপহু কাছৰ ওচৰলৈ আহিল আৰু পুণৰ দৌৰ প্ৰতিযোগিতা কৰাৰ প্ৰস্তাৱ দিলে। ''মোৰ উপৰিপুৰুষে তোমালোকৰ লগত দৌৰ প্ৰতিযোগিতা হাৰি আমাৰ জাতিলৈ বদনাম কঢ়িয়াই আনিলে। মই এই প্ৰতিযোগিতাত জয়ী হৈ সুনাম আনিব বিচাৰো।''

কাছ মান্তি হ'ল। নিৰ্দিষ্ট দিনত নিধাৰিত সময়ত বনৰ ৰজা সিংহই পতাকা জোকাৰি প্ৰতিযোগিতা মুকলি কৰিলে। শহাই দীঘল দীঘল জাপ মাৰি এক মিনিটৰ ভিতৰতে ইমান দূৰ পালেগৈ যে সমাপ্তিৰ সীমালৈ কেৱল এশমান জাপহে থাকিল। সি তাতে ৰ'ল আৰু দীঘলকৈ উশাহ এটা ললে। সি চিন্তা কৰিলে কাছ আহি দৃষ্টিৰ পৰিসীমা পোৱাৰ লগে লগে সি পুণৰ জপিয়াবলৈ আৰম্ভ কৰিব। অলপ সময়ৰ পিছতে সি টোপনী গ'ল। পোন্ধৰ মিনিটমানৰ পিছত কাছ আহি সেই ঠাইত উপস্থিত হ'ল।

কছাই শহাক শুই থকা দেখি কিবা ভাৱিলে আৰু তাৰপিছত সি শহাক জগাই দি কলে, ''হেৰ শহা, তই শুই আছ দেখোন। তই যদি এইদৰে শুই থাক তেন্তে তোৰ উপৰিপুৰুষৰ দৰে তয়ো তোৰ জাতিলৈ বদনাম কঢ়িয়াই আনিবি। উঠ, আৰু বাকী থকা অংশ সমাপ্ত কৰ।'' শহা উঠি বহিল আৰু সুধিলে, ''তই কিয় মোক জগাই দিলি। মোক জগাই নিদিয়াহলে তয়েই জিকিব পাৰিলিহেতেন।''

''আমি জিকোৱেই বা হাৰোৱেই তাত কোনো লাজ নাই। সকলোৱেই জানে যে আমি বৰ লাহে লাহে যাও। কিন্তু তোৰ জাতিৰ ক্ষেত্ৰত সেয়া নহয়। সকলোৰে ভিতৰত অন্যতম বেগী হোৱা স্বত্বেও কাছৰ লগত হৰাৰ বাবে তোৰ জাতি লজ্জিত হবলগীয়া হৈছিল। তোৰ জাতিয়ে প্ৰতিবাৰেই এইদৰে লাজ পাই থকা মই নিবিচাৰো।''

শহাপহুৱে এইকথা শুনি কাছক সাৱতি ধৰি কলে, ''কাছ, এইবাৰো তুমিয়েই জিকিলা।''

–অৰুণ শ্ৰীবাস্তৱ

সপোন সঁচা হ'ল

ইন্দ্রপ্রস্থ নগৰত এজন বৰ ধনী লোক আছিল। তেওঁ বৰ আৰাম প্ৰিয় আৰু এলেহুৱা আছিল। তেওঁ সকলো সময়তে আৰাম কৰি কটোৱাৰ বাবে তেওঁৰ সম্পত্তি কমি আহিবলৈ ধৰিলে আৰু এটা সময়ত শেষ হৈ পৰিল। তেওঁ ধনী লোকৰ পৰা দুখীয়া হৈ পৰিল।

তেওঁ দুখীয়া হৈ পৰাৰ পিছত এদিন এটা সপোন দেখিলে। স্বপ্নত বিষ্ণুৱে তেওঁক দেখা দি কলে, ''তুমি এই মুহূৰ্ততে পাটলিপুত্ৰলৈ যোৱা। তেনে কৰিলে তুমি ধন লাভ কৰিবা। সেই ধন লাভ কৰি তুমি পুণৰ ধনী হৈ পৰিব পাৰিবা।''

তেওঁ সপোনৰ কথা বিশ্বাস কৰি ললে আৰু অকলেই পাটলিপুত্ৰলৈ বুলি ৰাওনা হ'ল। কেইবাদিনৰ যাত্ৰাৰ পিছত তেওঁ গৈ পাটলিপুত্ৰত উপস্থিত হ'ল। তেওঁৰ বাবে পাটলিপুত্ৰ নতুন ঠাই আছিল আৰু তাতে তেওঁ সন্ধিয়া হোৱাৰ পিছতহে গৈ পাইছিলগৈ। ইতিমধ্যেই তাত আন্ধাৰ হৈ পৰিছিল। কৃষ্ণপক্ষৰ ৰাতি আছিল বাবে আকাশত জোনো নাছিল। তেওঁ বিচাৰ–খোচাৰ কৰি এটা মন্দিৰ পালেগৈ। তাতে গৈ তেওঁ শুই থাকিল। সমগ্ৰ চহৰ লাহে লাহে নিদ্ৰাৰ কোলাত বাগৰি পৰিল।

ৰাতি মন্দিৰৰ কাষতে থকা ঘৰটোত চোৰ সোমাল। চোৰ অহাৰ উমান পাই ঘৰৰ মালিকে চিঞৰিবলৈ ধৰিলে, ''চোৰ! চোৰ!''

চিঞৰ শুনি তাত বহু লোক গোট খালে। মানুহ গোট খোৱা দেখি চোৰে মন্দিৰৰ দেৱাল বগাই পাৰ হৈ বাৰান্দাই পিছফালে গ'ল আৰু আন্ধাৰৰ সুযোগ লৈ পলাই গ'ল। মানুহবিলাকে চোৰৰ পিছে পিছে খেদি আহি মন্দিৰৰ চোতাল পালেহি। তেওঁলোকে তাত

ডি সুশীলা কুমাৰী

এক বিদেশী লোক দেখা পাই তাকে চোৰ বুলি ধৰি লৈ কটোৱালৰ ওচৰলৈ লৈ গ'ল।

বহুদূৰ বাটকুৰি বাই অহাৰ বাবে বিদেশীজন ধুলি মাকতিৰে পোত গৈ আছিল। তেওঁৰ ৰূপ দেখি কটোৱালে তেওঁকেই চোৰ বুলি ধৰি ললে। তেওঁক চিপাহী লগাই খুব মাৰ ধৰ কৰিলে।

তাৰপিছত কটোৱালে সুধিলে, ''সঁচা কথা ক, তই কোন? কিয় ইয়ালৈ চুৰ কৰিবলৈ আহিছ?''

''হুজুৰ, মই চোৰ নহও। মই ইন্দ্ৰপ্ৰস্থ নগৰৰ পৰা আহিছো। মই আগতে এজন ধনী লোক আছিলো। ভগৱানে মোক দুবাৰ ঠগিলে। তেওঁ প্ৰথমতে মোৰ পৰা সকলো ধন লৈ ললে। তাৰফলত মই দুখীয়া হৈ পৰিলো। তাৰপিছত তেওঁ মোক সপোনত দেখা দি পাটলিপুত্ৰ নগৰলৈ আহিবলৈ কলে। তেওঁ মোক কৈছিল যে মই পাটলিপুত্ৰ নগৰত ধন লাভ কৰিম। তেওঁৰ কথাত বিশ্বাস কৰি মই ইন্দ্ৰপ্ৰস্থৰ পৰা দিনচেৰেক বাটকুৰি বাই আজি ৰাতি ইয়াত উপস্থিত হৈছোহি। তাৰ অলপ সময়ৰ পিছত এয়া মই আপোনালোকৰ পৰা মাৰ খাব লগীয়া হৈছে।'' বিদেশীয়ে কলে।

এই কথা শুনি কটোৱালে কলে, ''তই পাগল নেকি যে সপোনৰ কথা বিশ্বাস কৰি ধনী হবৰ বাবে ইয়ালৈ আহিছ? সপোনক জানো কোনোবাই বিশ্বাস কৰে? যোৱাৰাতি মই সপোন দেখিছিলো। সপোনত বিষ্ণুৱে মোক দেখা দি কৈছিল যে ইন্দ্ৰপ্ৰস্থ নগৰত থকা তোৰ বাৰীৰ এজোপা গছৰ তলত ধন-ৰত্ন আছে। মই সেই কথা বিশ্বাস কৰি ইন্দ্ৰপ্ৰস্থলৈ নগলো। গতিকে এইদৰে সপোনৰ ওপৰত বিশ্বাস কৰাৰ অভ্যাস এৰি দে। ইন্দ্ৰপ্ৰস্থলৈ ঘূৰি গৈ কিবা কাম কৰি ভালদৰে জীৱন নিৰ্বাহ কৰগৈ।'' কটোৱালে উপদেশ দিলে।

দৰিদ্ৰজন লগে লগে ইন্দ্ৰপ্ৰস্থলৈ উভতি আহিল। তেওঁ বাৰীলৈ গৈ কটোৱালে বৰ্ণনা কৰাৰ দৰেই এজোপা গছৰ তলত খান্দিবলৈ ধৰিলে আৰু তাত তেওঁ এক বিশাল পৰিমাণৰ ধন-ৰত্ন লাভ কৰিলে। তেওঁ সম্পত্তি লাভ কৰি পুণৰ ধনী হৈ পৰিল।

এইদৰেই তেওঁৰ সপোন সঁচা হ'ল।



যেনে কুকুৰ তেনে টাঙোন

এখন ৰাজ্যত এজন বৰ বিখ্যাত মল্লযুজাৰু আছিল। তেওঁ বৰ পৰাক্ৰমী আছিল। তেওঁৰ ওচৰত মল্লযুজৰ কায়দা–কৌশল শিকিবৰ বাবে বহু দূৰৰ পৰা লোক আহিছিল। তেওঁ মল্লযুজৰ সকলো ধৰণৰ কৌশল জানিছিল। তেওঁ জনা সকলোবিলাক কৌশল এনে এজন শিষ্যক শিকালে, যি সেইবিলাক ভালদৰে বুজি পাইছিল।

কিছুদিনৰ পিছত সেইজন শিষ্যই ৰজাৰ ওচৰলৈ গৈ কলে, "মহাৰাজ, ৰাজ্যত মোৰ সমান কৌশলী মল্লযুজাৰু আৰু কোনো নাই। মই মোৰ গুৰুকো মল্লযুজত পৰাভূত কৰিব পাৰো। তেওঁক মই মোৰ লগত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে সমকক্ষ বুলি নাভাৱো, কিয়নো তেওঁ বৃদ্ধ হৈ পৰিছে।"

শিষ্যৰ এনে কথা শুনি ৰজাৰ বৰ খং উঠিল। যি গুৰুৰ পৰা তেওঁ সকলো জ্ঞান লাভ কৰিলে, সেই গুৰুৰ প্ৰতি শিষ্যই এনে মন্তব্য কৰাটো অহংকাৰীৰ কাম। তেওঁ সেই শিষ্যক কলে, "থিক আছে। অতি সোনকালেই তোমাৰ কৌশলৰ বিষয়ে আমি জানিব পাৰিম। তুমি তোমাৰ গুৰুৰ লগত মল্লযুজ কৰিব লাগিব।"

গুৰু শিষ্যৰ এই মল্লযুজ চাবৰ বাবে বহুলোকৰ সমাগম ঘটিল। গুৰু–শিষ্যৰ খেল আৰম্ভ হ'ল। গুৰুৱে জানিছিল যে শক্তিত তেওঁ শিষ্যৰ সমকক্ষ নহয়। গতিকে তেওঁ এনে এটা পেঁচ ব্যৱহাৰ কৰিলে, যিটো তেওঁ শিষ্যক শিকোৱা নাছিল।

পেচত চটফটাই শিষ্যই কলে, "আপুনি মোক এই পেচ শিকোৱা নাছিল। এয়া আপুনি ঠিক কৰা নাই।"

"এইবাবেই শিকোৱা নাছিলো যে কেতিয়াবা এনে পৰিস্থিতিৰ সন্মুখীন হলে মই ব্যৱহাৰ কৰিব পাৰিম। তোমাৰ দৰে শিষ্যৰ কি বিশ্বাস আছে?" বৃদ্ধ গুৰুৱে কলে।

ৰজা আৰু দৰ্শকসকলে বৃদ্ধ গুৰুৰ প্ৰশংসা কৰিলে।



যুদ্ধৰ কৌশল

এবাৰ কলিংগ ৰাজ্যৰ ৰজা চন্দ্ৰহাসে তেওঁৰ পৰিয়ালক লৈ ৰাজধানী চহৰৰ কাষতে থকা অৰণ্যলৈ বনভোজ খাবলৈ গ'ল। কিছু সৈনিক আৰু ৰাজ কৰ্মচাৰীও তেওঁলোকৰ লগতে গ'ল। বনভোজ খাই উভতি অহাৰ পথত তেওঁলোকে এটা বাঘ দেখিবলৈ পালে। বাঘটো তেওঁলোকৰ পথতে থিয় হৈ আছিল। বাঘ দেখি সকলো পিছ্ হুহকি আহিল।

ৰজা সচকিত হৈ পৰিল। তেওঁ সেনাপতিক আদেশ দিলে যাতে সৈন্যসকলে আগুৱাই গৈ বাঘটোক বধ কৰে। তাকে শুনি প্ৰধান মন্ত্ৰীয়ে কলে, ''মহাৰাজ, সৈন্যসকলে বাঘটোক আক্ৰমণ কৰাৰ পৰিৱৰ্তে আপুনি আগুৱাই গৈ বাঘটোৰ লগত যুজ কৰাটো যুগুত হব।'' ৰজাই চিন্তা কৰিলে যে প্ৰধান মন্ত্ৰীৰে এনে উপদেশত হয়তো কিবা যুক্তি লুকাই আছে, কিন্তু তেওঁ সেই যুক্তি লগে লগে বুজি উঠিব নোৱাৰিলে। তেওঁ কাষতে থকা এটা সৈন্যৰ পৰা এডাল যাঠি লৈ বাঘটোক আক্ৰমণ কৰিবলৈ আগুৱাই গ'ল। ৰজা বেছ শক্তিশালী আছিল। ৰজাই বাঘটোক আক্ৰমণ কৰাত বাঘটো আঘাটপ্ৰাপ্ত হ'ল আৰু ঠেঙৰ মাজত নেজ ভৰাই অৰণ্যৰ মাজলৈ দৌৰ দিলে।

ৰাজধানীলৈ উভতি অহাৰ পিছত সকলো ৰাজ কৰ্মচাৰী আৰু ৰাজপৰিয়ালৰ লোকসকলে সেই যুঁজৰ কাহিনী আনৰ আগত বিৱৰি ৰজাৰ বিক্ৰমৰ গুণগান কৰিবলৈ ধৰিলে। ৰজাৰ বিক্ৰম দেশৰ সকলো অংশতে বিয়পি পৰিল। এই কথাও প্ৰচাৰ হৈ পৰিল যে ৰজা তেওঁৰ প্ৰজাৰ নিৰাপত্তাৰ বাবে দায়বদ্ধ।

এই ঘটনাৰ কিছুদিনৰ পিছত, কাষৰীয়া বংগ ৰাজ্যৰ ৰজা সুৰসেনে কলিংগ ৰাজ্যৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। চন্দ্ৰহাস আছিল শান্তিপ্ৰিয় ৰজা। তেওঁ যুদ্ধক পৰিহাৰ কৰি

মুৰুলী এম মাল্লাৰেড্ডী



চলিবলৈ সকলো চেষ্টাই কৰিলে। কিন্তু তেওঁৰ কোনো চেষ্টাই কাম নিদিলে। যুদ্ধ হোৱাটো নিশ্চিত হৈ পৰিল।

যুদ্ধৰ প্ৰথমদিনা দুয়ো পক্ষৰ সৈন্যৰ মাজত তুমুল ৰণ হ'ল। ৰজা চন্দ্ৰহাসে নিজেই সেই যুদ্ধত অংশ ললে আৰু শক্ৰৰ অনেক সৈন্যক বধ কৰিলে। সন্ধিয়া প্ৰধান মন্ত্ৰী পদ্মসন্তৱে পিছদিনাখনৰ আঁচনি সেনাপতিৰ লগত আলোচনা কৰিলে।

সেনাধক্ষ্যাই প্ৰধানমন্ত্ৰীক কলে, ''ডাঙৰীয়া, আজিৰ দিনটোত ৰজাৰ পৰাক্ৰম চাবলগীয়া আছিল। সেয়া ভাষাৰে বৰ্ণনা কৰা অসম্ভৱ। তেওঁ নানা কলা কৌশল প্ৰদৰ্শন কৰিলে।''

প্ৰধানমন্ত্ৰীয়ে সেনাধিপতিৰ কথা শুনাৰ পিছত চিন্তিত হৈ পৰিল। তেওঁ তাৰপিছত ৰজাক লগ পাবলৈ গ'ল। তেওঁ ৰজাক কলে, ''মহাৰাজ, যিদৰে সৈন্যবাহিনীক সন্মুখৰ পৰা নেতৃত্ব দিয়াটো আপোনাৰ কৰ্তব্য, একেদৰে দেশৰ প্ৰজাসকলক নিৰাপত্তা প্ৰদান কৰাটো সেনাসকলৰ কৰ্তব্য। গতিকে যুদ্ধত আপুনি আপোনাৰ কৰ্তব্যৰ বিষয়ে সজাগ হোৱা উচিত। আপুনি নিজে যুদ্ধ কৰাৰ সময়ত সাৱধান হোৱা উচিত আৰু কোনো বিপদ মাতি অনা উচিত নহয়। আপুনি নিজৰ ভাৱনাক নিয়ন্ত্ৰণ কৰা উচিত।''

ৰজাই এই কথা শুনি আচৰিত হ'ল। তেওঁৰ মনত পৰিল যে প্ৰধান মন্ত্ৰীয়ে অৰণ্যৰ মাজত এই উপদেশ দিছিল যে ৰজাই বাঘটোৰ লগত নিজেই যুদ্ধ কৰা উচিত। এতিয়া সেইজন মন্ত্ৰীয়েই তেওঁ কৈছে যে নিজে যুদ্ধ কৰাত তেওঁ সাৱধান হোৱা উচিত। তেওঁ দোধোৰ-মোধাৰত পৰিল আৰু প্ৰধান মন্ত্ৰীক কলে, ''আপুনি এইদৰে দুটা একে ধৰণৰ ঘটনাৰ ক্ষেত্ৰত বেলেগ বেলেগ উপদেশ কিয় দিছে?''

প্ৰধানমন্ত্ৰী পদ্মসন্তৱে হাঁহি এটা মাৰি কলে, ''মহাৰাজ, দুয়োটা ঘটনা একে যেন লাগিলেও দুয়োটাৰ মাজত এটা বিশেষ পাৰ্থক্য আছে। সেইদিনা আমাৰ সন্মুখত থকা শত্ৰু আছিল এটা জন্তু। সি যুদ্ধৰ কোনো নীতি পালন কৰি নচলে। কিন্তু আমাৰ সৈনিকসকলক যুদ্ধৰ নীতি নিয়মৰ প্ৰশিক্ষণ দিয়া হৈছে আৰু তেওঁলোকে সেই নিয়মৰ মাজত থাকিহে যুদ্ধ কৰে। সেইদিনা আমাৰ সৈন্যসকলে বাঘটোৰ লগত যুদ্ধ কৰা হলে তেওঁলোকৰ প্ৰাণ বিপৰ্যস্ত হোৱাৰ সম্ভাৱনা আছিল। তেনে ক্ষেত্ৰত আপুনি নিজৰ প্ৰাণ

ৰক্ষাৰ বাবে সৈন্যসকলক বিপদৰ মুখলৈ ঠেলি দিয়াৰ বাবে নিন্দাৰ পাত্র হৈ পৰিলহেতেন। সেইবাবেই সেইদিনা মই আপোনাক নিজেই বাঘটোৰ লগত যুঁজ কৰিবলৈ উপদেশ প্রদান কৰিছিলো।

মই আশা কৰা ধৰণেৰেই আপোনাৰ বীৰত্বৰ কথা দেশৰ কোণে কোণে বিয়পি পৰিল। কিন্তু এই যুদ্ধৰ ক্ষেত্রত, আমাৰ প্রশিক্ষিত সৈন্যসকলে তেওঁলোকৰ বিপক্ষৰ সৈন্যসকলৰ লগত যুদ্ধ কৰিব। বিপক্ষৰ সৈন্যসকলো একেদৰেই প্রশিক্ষিত। গতিকে বাঘৰ লগত যুদ্ধ কৰিবলগীয়া হোৱা হলে তেওঁলোকৰ যি ভয়ৰ সৃষ্টি হ'লহেতেন, তেনে ভয় ইয়াত নাথাকিব। তাৰোপৰি, তেওঁলোকে ইতিমধ্যেই আপোনাৰ বীৰত্ব নিজ চকুৰে প্রত্যক্ষ কৰিছে। গতিকে তেওঁলোক আপোনাক কেৱল আপোনাৰ নেতৃত্বক সম্মানেই নকৰে, বিশ্বাসো কৰে। আপোনাৰ দৰে এজন ৰজাৰ বাবে নিজৰ জীৱন বিপদৰ মুখলৈ ঠেলি দিবলৈ তেওঁলোকে সংকোচ নকৰে। আপুনি কেৱল তেওঁলোকক আদেশ দিয়ক। আপুনি নিজে যুদ্ধ কৰিবলৈ যোৱাৰ কোনো প্রয়োজন নাই। আপোনাৰ জীৱন মূল্যৱান। এইদৰে নিজেই যুদ্ধ ক্ষেত্রলৈ গৈ যুদ্ধ কৰি শত্রুৰ ফান্দত ভৰি দি ৰাজ্যৰ বাবে বিপদ মাতি অনাটো যুক্তিসংগত হব নোৱাৰে। ৰজাক সুৰক্ষিত কৰি ৰাখি শত্রুৰ লগত যুদ্ধ কৰাটো প্রতিজন সৈনিকৰে কর্তব্য।''

ৰজা চন্দ্রহাসে প্রধানমন্ত্রীয়ে কোৱা কথাৰ গুৰুত্ব বুজি পালে। তেওঁ সন্মান সহকাৰে প্রধানমন্ত্রী পদ্মসন্তৰক কলে, ''আপোনাৰ দৰে এজন জ্ঞানী লোকক মই প্রধানমন্ত্রী হিচাপে লাভ কৰি ধন্য। আমাৰ প্রজাৰো ভাগ্য যে আপুনি তেওঁলোকৰ হিতৰ বাবে চিন্তা কৰে। মই আপোনাৰ পৰামর্শ মতেই কাম কৰিম। মোৰ আৰু ৰাজ্যৰ বিপদ হব পৰা কোনো কাম মই নকৰো।''

কেইবাদিনৰ তুমুল ৰণৰ পিছত যুদ্ধৰ অন্ত হ'ল। ৰজাই নিজে যুদ্ধ নকৰি পিছত থাকি সৈন্যসকলৰ মনোবল বৃদ্ধি কৰিলে আৰু প্রধানমন্ত্রীৰ যুদ্ধ কৌশলৰ বাবে কলিংগ ৰাজ্যই যুদ্ধত জয়লাভ কৰিলে।

হৰি-হৰ

এই সংখ্যাৰ চান্দমামাত আমি শিৱ আৰু বিষ্ণুৰ ওপৰত নাৰদৰ এক বিশেষ দৃষ্টিকোণৰ কথা প্ৰতিফলিত কৰিছো। হিন্দুধৰ্মৰ মতে হৰি আৰু শিৱ হ'ল এক আৰু সৰ্বোচ্চ।

এই সংখ্যাৰ বেটুপাত ১৯৫১ চনৰ নৱেম্বৰ সংখ্যাৰ বেটুপাতৰ পুণৰ মুদ্ৰণ। এই চিত্ৰ অংকন কৰিছিল শ্ৰী এম টি ভি আচাৰ্যই। আমি ১৯৪৯ চনৰ জানুৱাৰী মাহৰ পৰা ১৯৫২ চনৰ জুন মাহলৈকে শ্ৰীকৃষ্ণৰ ওৰত এলানি চুটি কাহিনী প্ৰকাশিত কৰিছিলো। এই কাহিনী কৃষ্ণৰ জীৱনৰ ঘটনাৱলীৰ ক্ৰমানুসাৰে নাছিল যদিও কৃষ্ণ অৱতাৰৰ নানান দিশৰ ওপৰত আলোকপাত কৰিব পৰাকৈ যুগুত কৰা হৈছিল। এইলানি কাহিনীৰ চিত্ৰসমূহৰ এক বিশেষ দিশ এই যে এই কাহিনীসমূহৰ লগত মুদ্ৰিত হোৱা সকলোবিলাক চিত্ৰ কেৱল আচাৰ্যই অংকন কৰিছিল। এই বেটুপাতে নাৰদৰ এক ভ্ৰমণৰ কাহিনীৰ কথা বৰ্ণনা কৰে।

নাৰদে এই কথা শুনি আচৰিত হৈছিল যে শ্ৰীকৃষ্ণই নৰকাসুৰক পৰাজিত কৰাৰ পিছত ষোল্ল হেজাৰ গোপিনীক বিয়া কৰে। এই গোপিনীসকলে সমগ্ৰ জীৱন জুৰি শ্ৰীকৃষ্ণক ভক্তি কৰি আহিছিল। তাৰপিছত কৃষ্ণই দ্বাৰকা ভ্ৰমণ কৰাৰ সিদ্ধান্ত লয়। ত্ৰলোক সঞ্চাৰীয়ে একে সময়তে নানা স্থানত নানা অৱস্থাত ভগৱানৰ অৱতাৰ দেখা পাই আচৰিত হৈছিল। কোনোবা ঠাইত বিচাৰকৰ ৰূপত, কোনোবা ঠাইত পাশা খেলি থকা অৱস্থাত, কোনোবা ঠাইত গোপীৰ লগত বাগিছাত আৰাম কৰি থকা অৱস্থাত, কোনোবা ঠাইত দুপৰীয়াৰ আহাৰ কৰাৰ পিছত গোপীৰ লগত বাৰ্তালাপ কৰি থকা অৱস্থাত, কোনোবা স্থানত শিশুৰ লগত খেলি থকা অৱস্থাত, এইদৰে একেসময়তে সকলো স্থানতে ভগৱানৰ উপস্থিতি দেখি নাৰদ বিবুদ্ধিত পৰিছিল।

এই কথা ইয়াৰ স্পষ্টকৈ প্ৰতিফলিত হৈছে যে কৃষ্ণ অৱতাৰত ভগৱান বিষ্ণুৱে মানবীয় দৃষ্টিভংগী গ্ৰহণ কৰিছিল। প্ৰত্যেক অৱতাৰৰে নিজস্ব কাৰণ আৰু প্ৰয়োজনীয়তা আছে, কিন্তু কৃষ্ণক তেওঁৰ অনুগামীসকলে নিজৰ মাজৰে এজন বুলি ভাল পাইছিল, শ্ৰদ্ধা-ভক্তি কৰিছিল, কিয়নো তেওঁ আছিল মৰণশীল। সাধাৰণ মনুষ্য হৈ ভগৱান সংগ লাভ কৰি আৰু তেওঁক সমাজৰ এজন বুলি কৰা উপলব্ধিয়েই শ্ৰীকৃষ্ণ অৱতাৰৰ বিশেষত্ব। ভগৱানৰ দৃষ্টি আকৰ্ষণ কৰি তেওঁৰ সাক্ষাৎ লাভ কৰিবৰ বাবে একোজন লোক বিশেষগামী হব লাগিব, মনে-চিতে প্ৰাৰ্থনা কৰিব লাগিব আৰু এইবিলাকেই নাৰদে তাত মূৰ্তমান হোৱা দেখিবলৈ পালে।

এতিয়া আহো ফেব্ৰুৱাৰী মাহৰ পিছফালৰ বেটুপাতৰ কথালৈ। এই চিত্ৰত নাৰদে ভগৱান শিৱৰ নৃত্য প্ৰতক্ষ্য কৰিছে। এই চিত্ৰ শ্ৰীবাপাই অংকন কৰা আৰু ১৯৭৩ চনৰ মাৰ্চ মাহৰ

সংখ্যাৰ পিছফালৰ বেটুপাত হিচাপে ছপা কৰা হৈছিল। এই আছিল শিৱ পুৰাণৰ অংশ।

এই বিশেষ নৃত্যত ব্ৰহ্মা আৰু বিষ্ণুৱেও শিৱৰ লগত যোগ দিয়ে। এই সমগ্ৰ নৃত্য ভাৰত মুণিয়ে লিপিবদ্ধ কৰে আৰু সেই শাস্ত্ৰকে 'ভাৰত নাট্য শাস্ত্ৰ' বুলি জনা যায়। ইয়েই হ'ল ভাৰতৰ প্ৰায় গোটেই কেইটা শাস্ত্ৰীয় নৃত্যৰ মূল। ইয়াত মূলত থাকে, নাট্য (নাটক), নৃত্য (ৰস আৰু ভাৱ) আৰু নৃত্ত (সময় আৰু স্থান অনুসৰি দেহভংগিমাৰ লয়)। বিশ্বাস কৰা হয় যে সমগ্ৰ ব্ৰহ্মাণ্ড এই বিশেষ লয়ত চলি আছে আৰু দক্ষিণ ভাৰতীয় হিন্দু মন্দিৰত প্ৰায়েই দেখা পোৱা ষড়ভূজ বা সাতকোণ যন্ত্ৰৰ হিন্দু ধৰ্মত এক বিশেষ গুৰুত্ব আছে। এই সম্বন্ধে থকা কেইটামান মতবাদ হ'ল–

- মন্দিৰত সাধাৰণতে উছত কালম (Ushat Kalam), কালসন্ধি (Kalasandhi), উচিকাল (Uchikala), সয়াৰতচই (Sayaratchai) ৰেনডাম কালম (Rendam kalam) আৰু অৰ্থজমা (Arthajama) ত ৬ প্ৰকাৰৰ পুজা কৰা হয়। ষড়ভুজক এক প্ৰতীক হিচাপে ব্যৱহাৰ কৰি ইয়াৰ ছটা কোণক ছয় প্ৰকাৰৰ 'কালম' বা সময়ৰ লগত যুক্ত কৰা হয়।
- এটা মতবাদৰ মতে ষড়ভূজৰ ওপৰ অভিমূখী আৰু নিম্ন অভিমূখী অংশই এই ষড়ভূজৰ মধ্যত মিলিত হয় আৰু ইয়াক শিৱ আৰু শক্তিৰ মিলন বুলি বিশ্বাস কৰা হয়।
- আন এটা মতবাদৰ মতে এই আকৃতি হ'ল ধ্যানৰ সৰ্বোৎকৃষ্ট অৱস্থান আৰু ই ভগৱান আৰু মানুহৰ মাজত থকা সমতাক ৰক্ষা কৰি 'নিৰ্বানি' লাভ কৰাত সহায় কৰে।

পানী, বায়ু, অগ্নি, পৃথিৱী, আকাশ, এই পঞ্চভূত হ'ল শিৱৰ অংশ আৰু হিন্দু ধৰ্মৰ মতে এইটো বিশ্বাস কৰা হয় যে জীৱৰ সৃষ্টি হ'ল এই পঞ্চভূতৰ লগত গ্ৰহৰ সংযুক্তিৰ ফল। আমি ভৱাৰ দৰে শিৱ আচলতে ধংসৰ ভগৱান নহয়, তেওঁ হ'ল এনে এক বিন্দু য'ত স্থান আৰু জীৱনৰ সমগ্ৰতাৰ সূচনা আৰু সমাপ্তি হয়।

নানা ধৰণৰ মতবাদক অলগাই থৈ আমি আশা কৰো যে শ্ৰীবাপাৰ এই সুন্দৰ ছবিৰ সোৱাদ তোমালোকে ললা। ইয়াত অলপমান হাস্যৰসো যোগ কৰা হৈছে। যদি ভালকৈ লক্ষ্য কৰা তেন্তে দেখিবলৈ পাবা যে এই ব্ৰহ্মাণ্ড নৃত্যত শিৱকে ধৰি সকলো দেৱতাই নৃত্য কৰি আছে আৰু গণেশৰ বাহন এন্দুৰে তেওঁৰ মালিকক চাই চাই একেই ভংগীমাৰে নৃত্য কৰি আছে।

আমি আশাকৰো তোমালোকে এই চিত্ৰত আৰু বহু আমোদজনক কথা বিচাৰি পাবা।

–সৌম্যা ভৰদ্বাজ

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ - ৩৭

(১৬ বছৰতকৈ কম বয়সৰ ল'ৰা - ছোৱালীৰ বাবে)

Co-sponsored by Infosys FOUNDATION, Bangalore

সঠিক উত্তৰ দিওঁতা জনক ₹২৫০/- টকাৰ পুৰস্কাৰ দিয়া হ'ব।*

*যদি সম্পূৰ্ণ সঠিক উত্তৰ দিওঁতা এজনতকৈ বেচি হয়, প্ৰত্যেকজন সফল প্ৰতিযোগীক ₹৫০/- টকাকৈ পুৰস্কাৰ দিয়া হ'ব।

তুমি কি কৰিব লাগিব:

১) এখন কাগজত উত্তৰবোৰ লিখা।

২) তোমাৰ নাম, বয়স আৰু পিন ক'ডৰ সৈতে ঘৰৰ সম্পূৰ্ণ ঠিকনা লিখা।

৩) লেফাফাৰ ওপৰত চান্দমামা সাধাৰণ জ্ঞান প্ৰশ্নোত্তৰ-৩৭ লিখা।

৪) তোমাৰ উত্তৰ ৩১ মাৰ্চ ভিতৰত পাব লাগিব।

৫) সঠিক উত্তৰ ২০১২ চনৰ মে' মাহৰ সংখ্যাত প্ৰকাশ কৰা হ'ব।

ফলৰ বিষয়ে!



১. এনে এটা ফলৰ নাম কোৱা যি ফলৰ বীজ বাহিৰফালে থাকে।

২. নিউজিলেণ্ডৰ স্থানীয় চৰাই এবিধৰ লগত একে নামৰ সেই ফলটোৰ নাম কোৱা।

৩. বিশ্বত কি ফল সকলোতকৈ বেছি পৰিমাণে ভক্ষণ কৰা হয়?

৪. কোনটো ফলক আমাৰ ৰাষ্ট্ৰিয় ফল গণ্য কৰা হয়?

৫. কোনটো ফল HDL, স্বাস্থ্যকৰ চৰ্বীৰ ক্ষেত্ৰত ধনী?

৬. যেনেকৈ ফলৰ ৰজা আছে, তেনেকৈ ফলৰ ৰাণী কি?

৭. টেঙাজাতীয় ফলত কি ভিটামিন থাকে?

৮. ফলত কোন বিধৰ চেনী পোৱা যায়?

চান্দমামা সাধাৰণ জ্ঞান সাঁথৰ-৩৪, নভেম্বৰ ২০১১ চনৰ উত্তৰ:

১. পেলিকান, ২. ফ্লেমিংগো, ৩. ফালমাৰ, ৪. কফউছ, ৫. বগলী, ৬. এলবেট্ৰছ, ৭. হামিং বাৰ্ড

November'11 Winner: Yagnesh Saradchandra Chaphalkar, Plot-12, Abhineet park,Pakhal Road, Nasik - 422006.

ৰাজ: ৰাহুল, তুমি জানানে যে মোৰ দেউতা এজন চিকাৰী? তেওঁ অষ্ট্ৰেলীয়াত মেৰু ভালুক গুলিয়াই মাৰি বৰ ভাল পায়।
ৰাহুল: কিন্তু অষ্ট্ৰেলীয়াত দেখোন মেৰু ভালুক নায়েই।
ৰাজ: ঠিকেই কৈছা। তাত থকা সকলোবিলাক মোৰ দেউতাই গুলিয়াই মাৰিলে।

ভেংকি: ডাক্তৰ, মই নিজকে ঘোঁৰা দৌৰৰ ঘোঁৰাৰ দৰে বোধ কৰিছো।
ডাক্তৰ: প্ৰতি চাৰি পাকৰ মূৰে মূৰে এই টেবলেটকেইটা খাবা।

পুতেক: মা, মা, স্কুললৈ যাবলৈ মোৰ মন যোৱা নাই।
মাক: তুমি নিশ্চয়কৈ স্কুললৈ যোৱা উচিত। তোমাৰ এতিয়া ৫৫ বছৰ বয়স আৰু তুমিয়েই হ'লা স্কুলৰ অধ্যক্ষ।

টিনা স্কুলৰ প্ৰথমদিনৰ ক্লাছৰ পৰা উভতি আহিল
দেউতাক: টিনা, আজি তুমি স্কুলত বহু কথা শিকিলানে?
টিনা: নহয় দেউতা, মই কালিলৈ আকৌ স্কুললৈ যাব লাগিব।

কেণ্ডীৰ বিষয়ে বহুকথা

কেণ্ডী নানাধৰণৰ ফ্লেভাৰ, আকৃতি আৰু আকাৰত পোৱা যায়। আমি এইবাৰে গুহামানৱক ধন্যবাদ জনাব লাগে, কিয়নো তেওঁলোকেই প্ৰথমতে মৌচাকৰ পৰা মৌ সংগ্ৰহ কৰি সেইবিলাকক শুকুৱাই টফী সদৃশ কেণ্ডী প্ৰস্তুত কৰিছিল।

কেণ্ডীকৃত চেনীৰ প্ৰচলন ভাৰত আৰু ইৰাণৰ পৰা আৰম্ভ হৈছিল। শিল কেণ্ডি এনে এক কেণ্ডি যত চেনীৰ কঠিন দানা থাকে। শিল কেণ্ডিক চাহত মিহলি কৰাটো জামনী চাহ সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ অংগ।

আগতে, কেণ্ডী কেনসমূহ আছিল কেণ্ডীৰ কঠিন দণ্ডৰ দৰে আৰু সিবিলাকৰ বৰণ আছিল বগা। ১৬৭০ চনত, জামনীৰ এজন কেণ্ডী প্ৰস্তুতকতাই বেকা কেণ্ডী দণ্ড প্ৰস্তুত কৰিবলৈ সিদ্ধান্ত লয়, যি দেখাত ভেৰাৰখীয়াৰ হাতৰ দণ্ডৰ দৰে। তেওঁ এনে কেণ্ডী প্ৰস্তুত কৰি গীৰ্জাত শিশুসকলৰ মাজত বিলাই দিছিল।

কেণ্ডীৰ নানা বতৰা:

১৬৮৫ চনত, চেনীৰে তৈয়াৰী মিশ্ৰণেৰে চেপেটা কেণ্ডী তৈয়াৰ কৰা হৈছিল। সেইবিলাকৰ প্ৰতিটোৰে মাজত এটুকুৰা কাগজ আছিল আৰু সেই কাগজৰ টুকুৰাত এটা বাৰ্তা লিখা আছিল। ই আছিল ‘ফৰচুন কুকী’ৰ লগত মিল থকা ধৰণৰ। আন এক ধৰণৰ কেণ্ডী ‘হেণ্ডীছেডছ চিক্ৰেট চাৰ্মছ’ কেণ্ডী বেলেগ বেলেগ আকাৰ আৰু আকৃতিত উপলব্ধ আছিল। যেতিয়া এজন লোকে ইয়াক খাইছিল, তেতিয়া গোপন বাৰ্তাটো দেখিবলৈ পাইছিল।

কেণ্ডীকৃত ফল বা দানাকৃত ফলৰ ব্যৱহাৰ ১৪শ শতিকাৰ পৰাই চলি আহিছে। মধ্য যুগত, পোপসকলে এই বিশেষ খাদ্য গ্ৰহণ কৰিছিল বুলি বিশ্বাস কৰা হয়। গৃহস্থই সদায় এটা পাত্ৰ কেণ্ডীকৃত ফলেৰে পূৰ কৰি ৰাখি আলহী বহা কোঠাত থৈ দিছিল কিয়নো এনে খাদ্যই হজমী শক্তি বৃদ্ধি কৰে বুলি বিশ্বাস কৰা হৈছিল।



তুমি ভাৱানে যে ৱাইলি ৱনকাৰ বস্তুবিলাক কেৱল ৰোল্ড ডাহ্লৰ কিতাপতেই পোৱা যায়? ৱাইলি ৱনকা নামৰ বস্তুবিলাকৰ মালিক নেছলে কোম্পানী আৰু এই কোম্পানীয়ে গোবছটপাৰ আৰু ৱনকা বাৰৰ দৰে বস্তু প্ৰস্তুত কৰে। গোবছটপাৰ নানা বৰণৰ কেণ্ডীৰ কেইবাটাও স্তৰেৰে তৈয়াৰ কৰা হয়।

আধুনিক ললিপপ ১৯০৮ চনত জৰ্জ স্মিথে আৱিষ্কাৰ কৰে। তেওঁ চিন্তা কৰিলে যে এটা কঠিন বা টান কেণ্ডীত এডাল দণ্ড লগাই দিলে চুপি খাবলৈ বেছ সহজ হব। তেওঁৰ প্ৰিয় ঘোঁৰা ললিপপৰ নামেৰে তেওঁ সেই দণ্ডযুক্ত কেণ্ডীৰ ললিপপ নাম দিয়ে।

ব্যৱসায়িক উৎপাদনৰ বাবে ব্যৱহাৰ কৰা প্ৰথমটো ললিপপ তৈয়াৰ কৰা মেচিনে প্ৰতি মিনিটত ৪০টা ললিপপ তৈয়াৰ কৰিব পাৰিছিল। আজিকালি এটা মেচিনে প্ৰতি মিনিটত গড়ে ৫৯০০টা ললিপপ তৈয়াৰ কৰিব পাৰে।

কেণ্ডেল মিন্ট কেক গ্লুকজ–আধাৰিত খাদ্য য'ত পেপাৰমিন্ট ফ্লেভাৰ যোগ কৰা হয়। কোনো সময়ত ইয়াৰ ওপৰত চকলেটৰ প্ৰলেপ দিয়া হয়। এই কেণ্ডেল মিন্ট কেকবিধৰ বিশেষত্ব হ'ল – পৰ্বতাৰোহীসকলে সদায় এই কেকবিধ লগত লৈ যায়, কিয়নো ই হ'ল শক্তিৰ এক প্ৰধান উৎস। ১৯৫৩ চনত প্ৰথমবাৰৰ বাবে এভাৰেষ্টত আৰোহন কৰাৰ সময়ত এডমাণ্ড হিলাৰী আৰু তেওঁৰ দলে এই কেকবিধ লগত লৈ গৈছিল।

মেক্সিকোৰ 'মৃতকৰ দিন' অনুষ্ঠানৰ উদযাপনৰ সময়ত শিশুসকলে মানুহৰ লাওখোলাৰ আকৃতিৰ কেণ্ডী প্ৰস্তুত কৰে আৰু সেইবিলাকৰ ওপৰত নানা ধৰণৰ আইচিং আৰু মণি–মকুতা লগাই সজায়। এই কেণ্ডীবিলাক অনুষ্ঠান উদযাপনৰ পিছত খাই পেলোৱা হয়।

অমেজাইকো এবিধ জাপানী কেণ্ডী শিল্পকলা। শিল্পীসকলে এটুকুৰা কেণ্ডীৰ ওপৰত তেওঁলোকৰ হাত, কেচি আদি সামগ্ৰী ব্যৱহাৰ কৰি উৎকৃষ্ট ধৰণৰ ভাস্কৰ্য্য তৈয়াৰ কৰে। জন্তু আৰু পোক–পতংগৰ মূৰ্তিয়েই বেছি ক্ষেত্ৰত তৈয়াৰ কৰা হয়, কিয়নো শিশুৱে সেইবিলাক ভাল পায়। কিছুমান অমেজাইকো শিল্পীয়ে নানা যাদুৰ কৌশল আৰু কাহিনীৰে সৈতে তেওঁলোকৰ শিল্প–কৌশল ৰাজপথত প্ৰদৰ্শন কৰে।

কথাৰ মালিহা

তুমি বাৰু কেইটা ভাৰতীয় ভাষা জানা? এতিয়া চান্দমামাৰ সহায়ত ভাষা শিকা আৰু প্ৰত্যয়েৰে ভাৰতৰ অন্বেষন কৰা !



English	I am Sure.	It was fine.
Assamese	মই নিশ্চিত।	সেইটো ঠিকেই আছিল।
Telugu	ఖచ్చితంగా কচ্চিথামগা.	చాలా బాగుంది. ছালা বাগুমধি.
Tamil	நிச்சயமாகத் தெரியும். নিচয়মাগা থিৰিয়াম.	நன்றாக இருந்தது. ননৰাগ ইৰুনধাধু.
Bengali	আমি নিশ্চিত। আমি নিশ্চিত।	সেটা ভাল ছিল। সেটা ভালো ছিল।
Marathi	मला खात्री आहे. মালা খাত্ৰি আহে.	ते चांगलं होतं. তে চাংগালা হটাম.
Kannada	ನನಗೆ ಖಂಡಿತವಾಗಿ ತಿಳಿದಿದೆ. নানাগে খমডিটাভাগী টিলিডিডে.	ಅದು ಚೆನ್ನಾಗಿತ್ತು. আদু চেন্নাগুট্টু.
Oriya	ମୁଁ ନିଶ୍ଚିତ। মুন নিশ্চিত।	ମୁଁ ଭଲ ଅଛି। মুন ভাল আছি।
Gujarati	મને ખાતરી છે মানে খত্ৰি ছে.	તે સરસ હતું. তে সাৰছ হাতুন.
Hindi	मुझे विश्वास है। মোঝে বিশ্বাস হে.	यह ठीक था। য়হ থিক থা.
Malayalam	എനിക്കുറപ്പാണ്. ইনিক্কুৰাপ্পানু.	അത് നന്നായിരുന്നു. অথু নান্নায়িৰুন্নু.
Santali	[illegible] ঈগবধক?	ᱱᱚᱣᱟ ᱵᱮᱥ ᱛᱟᱦᱮᱸ ᱠᱟᱱᱟ। নোৱা বেছ টাহেন কানা।
Sanskrit	अहं निश्चयेन जानामि। অহম নিশ্চয়েন জানামি।	तद् उत्तमम् आसीत्। তদ্ উত্তমম আসিত।

English	Did you go alone?	I am very tired.
Assamese	তুমি অকলে গৈছিলা নেকি?	মই বৰ ভাগৰুৱা।
Telugu	మీరు ఒకరే వెళతారా? মেরু ওকারেয়া ভেলাথাবা?	నేను బాగా అలసిపోయాను. নেনু বাগা অলসিপুয়ানু.
Tamil	நீ தனியாகப் போனாயா? নি থানিয়ক পনায়া?	நான் மிகவும் களைப்பாக இருக்கிறேன். নান মিগভুম কলইপাগ ইককিবায়েন.
Bengali	তুমি কি একা গিয়েছিলে? তুমি কি একা গেয়েছিলে?	আমি ভীষণ ক্লান্ত। আমি ভীষণ ক্লান্ত।
Marathi	तू एकटा/एकटी गेला/गेली होतीस का? তু একটা/একটি গেলা/গেলি হটিছ কা?	मी खूप थकलो/थकले आहे. মি খিপ থাকালু/থাকালে আহে.
Kannada	ನೀವು ಒಬ್ಬರೇ ಹೋದಿರಾ? নিউ অবাবি হডিবা?	ನನಗೆ ತುಂಬಾ ಆಯಾಸವಾಗಿದೆ. নানাগে টুম্বা আয়াসভাগিডে.
Oriya	ତୁମେ ଏକୁଟିଆ ଯାଇଥିଲ କି? তুমি একুটিয়া যাইথিলা কি?	ମୁଁ ଭାରି ହାଲିଆ ହୋଇପଡ଼ିଛି। মুন ভাবি হালিয়া হইপাদিচ্ছি।
Gujarati	તમે એકલા ગયા હતા? তামে একলা গয়া হাতা?	હું ખૂબ થાકી ગયો/ગઈ છું. হুন খাবা থাকি গয়ো/গয়ি ছুন.
Hindi	क्या तुम अकेले गए थे?/ गई थीं? ক্যা তুম অকেলে গেয়ে থে/গয়ী থী?	मैं बहुत थक गया हूँ / गई हूँ। মে বহুত থক গেয়া হু/গেয়ী হু.
Malayalam	നീ ഒറ്റയ്ക്കാണോ പോയത്? ননি অট্টক্কানু পয়াথু?	എനിക്ക് വളരെ ക്ഷീണമുണ്ട്. ইনিক্কু ভালেবে ক্ষিনামুণ্ডু.
Santali	ᱮᱠᱞᱟᱢ ᱥᱮᱱ ᱜᱚᱰᱟᱜ-ᱟ? একলাম সেন গডাগ-অ?	ᱟᱢᱤ ᱞᱟᱝᱜᱟᱧ ᱵᱩᱡ ᱚᱰᱟ। আমি লংগঞ্জ বুজ অডা।
Sanskrit	किं त्वम् एक:/एका एव अगच्छ:? কিম ত্বম একহ/এক এব আগচ্ছহ?	अतीव श्रान्त:/श्रान्ता अस्मि। অতিব শ্রান্তহ/শ্রান্ত অস্মি।

জীৱজন্তু আৰু পক্ষীক মৰম কৰক

ভাৰত বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত জয়ী হোৱাৰ উপলক্ষে সমগ্ৰ দেশতে উৎসৱ উদযাপন কৰা হয়। কিন্তু মালি নামৰ এটা ভাটৌ সেই উৎসৱত যোগদান কৰিবলৈ জীয়াই নাথাকিল। মালিয়ে ভৱিষ্যত বাণী কৰিছিল যে ২০১১ চনৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত চুড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰিব পাৰে পাকিস্থানে।

কিন্তু তাইৰ ভৱিষ্যত বাণী মিছা প্ৰমাণিত হোৱাৰ লগে লগে তাই ভাগ্য বাবাই নিশ্চিত কৰে। এটা ভৱিষ্যত বাণী কৰা ভাটৌৱে মিছা ভৱিষ্যত বাণী কৰিলে সেয়া তাৰ পাপ বুলি গণ্য কৰা হয়। বহুতো লোকে তেওঁলোকৰ ভৱিষ্যতৰ বিষয়ে জানিবলৈ বাবাৰ ওচৰলৈ গৈছিল। যেতিয়া মালিৰ ভৱিষ্যত বাণী মিছা প্ৰমাণিত হ'ল তেতিয়া সেই কথাৰ ফলত তেওঁৰ ওপৰত বিশ্বাস স্থাপন কৰা লোকৰ সংখ্যা কমি যাব বুলি ভয় কৰি বাবাই ভাটৌটো হত্যা কৰাৰ সিদ্ধান্ত লয়।

আমি আশাকৰো যে আনবিলাক ভাটৌৰ অৱস্থা মালিৰ দৰে নহব। জীৱ-জন্তু আৰু চৰাই-চিৰিকতিৰ প্ৰতি নিষ্ঠুৰতা এটা অপৰাধ। ইয়াৰ বাবে শাস্তি বিধান কৰা হব পাৰে। জীৱজন্তু আৰু চৰাই-চিৰিকতিৰ অধিকাৰৰ সপক্ষে কাম কৰি থকা বহু কৰ্মীয়ে ব্যৱসায়িক কামকাজৰ বাবে জীৱ-জন্তু আৰু চৰাই-চিৰিকতি ব্যৱহাৰ কৰা বন্ধ কৰিবলৈ দাবী জনাই আহিছে।

এক আচৰিত প্ৰতিবাদ

এটা নতুন ধৰণৰ প্ৰতিবাদৰ খবৰ আমাৰ ওচৰলৈ আহিছে। অৱতাৰ সিং নাগলাই তেওঁৰ দাবী পুৰণ নোহোৱা পৰ্যন্ত এজোপা ইউকেলিপটাছ গছৰ ওপৰত উঠি, এখন বিচনা এটা ডাঙৰ ডালত বান্ধি তাতেই থকাৰ সিদ্ধান্ত লয়। তেওঁক সমৰ্থন কৰা সকলে গছৰ তলত এটা তম্বু তৰি তাতে থাকি নাগলাক প্ৰয়োজনীয় খাদ্য-বস্তু যোগান ধৰি আছে।

অৱতাৰ সিং নাগলাই দূৰ্নীতিৰ বিৰুদ্ধে এই প্ৰতিবাদ কৰিছে। তেওঁ চাৰি দশক পুৰণি এটা মাটি-বাৰী সম্পৰ্কীয় কেলেংকাৰীৰ পুণৰ তদন্ত দাবী কৰিছে। যি কি নহওক, চৰকাৰে কয় যে সেই সম্পৰ্কীয় গোচৰ ইতিমধ্যেই সম্পূৰ্ণ কৰা হৈছে। প্ৰশাসনীয় বিষয়া আৰু আৰক্ষীৰ লোকে তেওঁক এই প্ৰতিবাদৰ সমাপ্তিকৰিবলৈ অনুৰোধ জনাই আহিছে। কিন্তু এতিয়ালৈকে কোনো চেষ্টাই সফল হোৱা নাই।

ফলাফল যিহেই নহওক কিয়, অৱতাৰ সিঙে এটা নতুন ধৰণৰ অভিলেখ স্থাপন কৰিলে।

মই কি হ'ব পাৰো?



পাঠ্যক্ৰমৰ বিৱৰণ

ইন্‌ছটিটিউট অৱ কম্পেনী ছেক্ৰেট্ৰেৰীজ অব ইণ্ডিয়াই ভাৰতৰ কোম্পানী ছেক্ৰেট্ৰেৰীসকলৰ পেশা নিয়ন্ত্ৰণ কৰে। ই তাৰ বাবে তিনি স্তৰীয় শিক্ষা আৰু প্ৰশিক্ষণ প্ৰদান কৰে। আৰম্ভণিৰ পাঠ্যক্ৰম হ'ল আঠ মহীয়া আৰু দ্বাদশ শ্ৰেণী সম্পূৰ্ণ কৰাৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে এই পাঠ্যক্ৰমত যোগদান কৰিব পাৰে। এই পাঠ্যক্ৰমৰ পিছত আছে ইন্টাৰমিডিয়েট পাঠ্যক্ৰম। এই পাঠ্যক্ৰম ন মহীয়া। শেষৰ স্তৰটো হ'ল মূল পৰীক্ষা, যি পৰীক্ষাৰ পিছত ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ লাভ কৰিব লগীয়া হয়। তাৰপিছত তেওঁলোকে ইন্‌ছটিটিউট অৱ কম্পেনী ছেক্ৰেট্ৰেৰীজ অব ইণ্ডিয়াৰ সহকাৰী সদস্য হোৱাৰ যোগ্যতা লাভ কৰে।

-ছাই

Website - www.icsi.edu

Level	Eligibility	Minimum duration	Maximum duration	Papers
Foundation Programme	Class 12th pass	8 months	Needs to be completed within 3 years of registration	1. English and Business Communication 2. Economics and Statistics 3. Financial Accounting 4. Elements of Business Law and Management
Executive Programme	Clear Foundation Programme/ Graduates from all disciplines except Fine Arts can directly enrol	1 year	Needs to be completed within 5 years of registration for the Executive Programme	Module I 1. General and Commercial laws 2. Company Accounts, Cost and Management Accounting 3. Tax laws Module II 1. Company Laws 2. Economic and Labour Laws 3. Securities Laws Compliances
Professional Programme	Cleared Executive Programme	1 year	Needs to be completed within 5 years of registration for the Executive Programme	Module I 1. Company Secretarial Practice 2. Drafting, Appearances and Pleadings Module II 1. Financial, Treasury and Forex Management 2. Corporate restructuring and insolvency Module III 1. Strategic Management, Alliances and International Trade 2. Advance Tax Laws and Practices Module IV 1. Due Diligence and Corporate Compliance

ৰসিক মানুহ

বীৰবল

ভগৱানকৈও মহান

১. এদিনাখন আকবৰে তেওঁৰ ৰাজসভাৰ পণ্ডিত সকলক সুধিলে, ''ভগৱানতকৈও মহান কোন?'' লগে লগে বীৰবলে উত্তৰ দিলে, ''কোনো সন্দেহ নাই। শ্বাহেনশ্বাহ, আপুনি ভগৱানতকৈ মহান।''

২. দৰবাৰৰ বহু পণ্ডিতে বীৰবলৰ বুদ্ধিমত্তাক ঈৰ্ষা কৰিছিল। তেওঁলোকৰ এজনে কলে, ''শ্বাহেনশ্বাহ, বীৰবলে আপোনাক তোষামোদ কৰিবলৈ এনেকৈ কৈছে। তেওঁ বহলাই কোৱা দৰকাৰ।''

৩. বীৰবলে কলে, ''আমাৰ সম্ৰাটে এনে কাম কৰিব পাৰে যি ভগৱানে কৰিব নোৱাৰে।'' দৰবাৰৰ পণ্ডিতসকলে মন্তব্য কৰিলে, ''বীৰবলে অৰ্থহীন কথা কৈছে।''



৪. ''মই পুণৰ কও, ভগৱানে এটা কাম কৰিব নোৱাৰে।'' বীৰবলে কলে, ''মোক প্ৰত্যাহবান জনাব বিচাৰা?'' এজন সভাসদে কলে, ''ভগৱানে অপৱিত্ৰ কাম কৰিব নোৱাৰে।''



৫. বীৰবলে কলে, ''আপুনি কৈছে যে ভগৱানে অপৱিত্ৰ কাম কৰিব নোৱাৰে। ইয়াৰ অৰ্থ ই নেকি যে সম্ৰাটে অপৱিত্ৰ কাম কৰিব পাৰে?'' বীৰবলৰ প্ৰশ্নত সভাসদ বিপাঙত পৰিল।



৬. বীৰবলে সেইজনক কলে, ''আপুনি মনে মনে থাকক।'' এই কথাত সভাসদজনে বৰ লাজ পালে আৰু লাজতে তলমূৰ কৰিলে।



৭. এইবাৰ সম্ৰাটে মাত লগালে, ''বীৰবল, তোমাৰ কথা তুমি এতিয়াও প্ৰমাণ কৰা নাই। মই কেনেকৈ ভগৱানকৈ মহান, সেইকথা তুমি বুজাই কোৱা।''

৮. ''শ্বাহেনশ্বাহ, আপুনি কাৰোবাৰ ওপৰত অসন্তুষ্ট হলে সম্ৰাজ্যৰ পৰা নিৰ্বাসন দিব পাৰে। কিন্তু ভগৱানে সেইটো কৰিব নোৱাৰে। গোটেইখন তেওঁৰেই সৃষ্টি। গতিকে আপুনি ভগৱানতকৈ মহান।''



৯. বীৰবলৰ বুদ্ধিদীপ্ত উত্তৰ শুনি সম্ৰাট বৰ সুখী হ'ল। তেওঁ বীৰবলৰ শলাগ ললে আৰু পুৰস্কাৰ স্বৰূপে এটা ডাঙৰ জায়গীৰ প্ৰদান কৰিলে। সভাসদসকলৰ মুখ কলা পৰিল।

বডিলগ!

যেতিয়া পথবিলাক পানীৰে ভৰি পৰে তেতিয়া তাক কব পাৰি 'ৱাটাৰলগড', একেধৰণেৰে যেতিয়া আমাৰ দেহত পানী প্ৰয়োজনতকৈ বেছি হৈ পৰে তেতিয়া তাক কব পাৰি 'বডিলগড'। তুমি ইতিমধ্যেই লক্ষ্য কৰিছা ছাগে যে যেতিয়া তুমি পানীত বেছি সময়ৰ বাবে সাঁতুৰি থাকা বা খেলি থাকা, তোমাৰ হাত আৰু ভৰিৰ আঙুলি শোতোৰা শোতোৰ পৰি যায়। তুমি বাৰু কেতিয়াবা ভাৱি চাইছানে যে এনে কিয় হয়। এনে হোৱাৰ কাৰণ হ'ল আমাৰ দেহৰ ছালৰ ওপৰত 'ছেবুম' নামৰ এক প্ৰাকৃতিক তেল থাকে। বেছি সময় পানীত থাকিলে সেই তেল ছালৰ পৰা আঁতৰি যায়। তেতিয়া 'অস্মছিছ' নামৰ এটা প্ৰক্ৰিয়াৰে দেহৰ ভিতৰলৈ পানী প্ৰৱেশ কৰে।

যেতিয়া দেহৰ কিছুমান অংগৰ ভিতৰলৈ বেছিকৈ পানী প্ৰৱেশ কৰে, তেতিয়া সেই অংশবিলাক ফুলি উঠে। ই এক প্ৰাকৃতিক প্ৰক্ৰিয়া।

গুপ্তধনৰ বাকচ

এই মাহত আমি আমাৰ ৰাষ্ট্ৰপতিসকলৰ ছবিৰে এখন স্ক্ৰেপবুক তৈয়াৰ কৰো আহা।



ড. ৰাজেন্দ্ৰ প্ৰসাদ

(২৬ জানুৱাৰী, ১৯৫০–১৩ মে, ১৯৬২)

সৰ্বপল্লী ৰাধাকৃষ্ণন

(১৩ মে, ১৯৬২– ১৩ মে, ১৯৬৭)

জাকিৰ হুচেইন

(১৩ মে, ১৯৬৭– ৩ মে, ১৯৬৯)



বৰাহগিৰি ভেংকট গিৰি

(২৪ আগষ্ট, ১৯৬৯– ২৪ আগষ্ট, ১৯৭৪)



ফকৰুদ্দিন আলি আহমেদ

(২৪ আগষ্ট, ১৯৭৪– ১১ ফেব্ৰুৱাৰী, ১৯৭৭)



নীলম সঞ্জীৱ ৰেড্ডী

(২৫ জুলাই, ১৯৭৭–২৫ জুলাই, ১৯৮২)



Chandamama
fun stories & more
New Media
ENJOY
Animated Short Stories
Audio Stories
Adventure Series
on mobile
Mobisodes
Audio Stories
Online Books
Chandamama
You must be punctual, disciplined and sincere in your efforts.
TV Shows
Gift or Buy Mobisode
www.chandamama.com

CHANDAMAMA (Assamese) February 2012 Registrar of Newspapers of India No. MAHASS/2010/35906
Licensed to post regd. No. MH/MR/N/134/MBI/10-12